# কাটনিয়ান

ডিঃ হঃ সুঃ কানে মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

৬৩তম প্ৰকাশ, ২০১২ - ২০১৩ বৰ্ষ




সম্পাদক

দিব্যজ্যোতি বড়া


COLLEGE
D.H.S.KANOI COLLEGE

# কৰ্ণনৈয়ান

## ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আলোচনী

### ৬৩তম্ প্ৰকাশ - ২০১২-১৩

প্ৰতি,

..........................................................................................

..........................................................................................

# কানৈয়ান

**KANOIAN :** *The 63rd Annual Journal of D.H.S.K. College of the session 2012-13, edited by* ***Dibyajyoti Borah*** *: Published by D.H.S.K. College Students' Union Society and Printed at* ***Soft-Tech Computer Centre****, Jyotinagar, Opp. Satsang Vihar, Dibrugarh, Assam.*

সম্পাদনা সমিতি

তত্বাৱধায়ক অধ্যাপক ঃ
ড° মধুমিতা পুৰকায়স্থ

সম্পাদক ঃ
শ্ৰী দিব্যজ্যোতি বড়া

উপদেষ্টা ঃ
ড° টিকেন্দ্ৰজিৎ গগৈ
ড° সোণালী গোস্বামী

সদস্য-সদস্যা ঃ
বিতু তাঁতী
তৰুণ গোহাঁই

বেটুপাত ঃ
বিশ্বজিৎ বিশ্বাস

অলংকৰণ ঃ
লক্ষ্যজ্যোতি দত্ত
দিব্যজ্যোতি বড়া
খিলনজ্যোতি ধাদুমীয়া

অংগসজ্জা ঃ
পূৰ্ব্বজ্যোতি চুতিয়া
যুগান্ত গগৈ

ডি.টি.পি.ঃ
সুৰজিৎ ভট্টাচাৰ্য্য
প্ৰদীপ মিত্ৰ
হাৰাণ পাল

মুদ্ৰনঃ
ছফ্‌ট্-টেক্ কম্পিউটাৰ চেন্টাৰ
জ্যোতিনগৰ, ডিব্ৰুগড়-০১
দুৰভাষ-৯৫৪৪৩৬৮৫৩

## কৃতজ্ঞতাৰ শৰাই ঃ-



- ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অলক কুমাৰ বুঢ়াগোঁহাইছাৰলৈ
- মাননীয় অধ্যক্ষা ড° ৰাজী কোঁৱৰ বাইদেউলৈ
- বিশিষ্ট লেখিকা আৰু সাংবাদিক অনুৰাধা শৰ্মা পুজাৰীলৈ
- আয়কৰ আয়ুক্ত কুমুদ ৰঞ্জন দাস ছাৰলৈ
- এই সংখ্যাৰ কানৈয়ানৰ তত্বাৱধায়িকা ড° মধুমিতা পুৰকায়স্থ বাইদেউলৈ
- আলোচনী বিভাগীয় উপদেষ্টা ড° টিকেন্দ্ৰজিৎ গগৈ আৰু ড° সোণালী গোস্বামী বাইদেউলৈ
- কানৈয়ানক হৃদয়ৰ নিৰ্যাসেৰে সিক্ত কৰা প্ৰতিজন লেখক-লেখিকালৈ
- বেটুপাতৰ শিল্পী বিশ্বজিৎ বিশ্বাসলৈ
- ছফ্‌ট্-টেক্ কম্পিউটাৰ চেন্টাৰৰ সমূহ কৰ্মকৰ্তালৈ
- সদৌ শেষত, শত-সহস্ৰ 'কানৈয়ান'ৰ শুভাকাংক্ষীলৈ

সম্পাদক

# উছৰ্গা



“মহা মহা পুৰুষৰ চানেকীৰে জীৱনৰ
আমিও গঢ়িব পাৰো জীৱন গঢ়িত,
অভিনয় শেষ হলে আয়ুবেলি মাৰ গ'লে
থৈ যাব পাৰো খোজ সময় বালিত।”

ডি.হ.সু.কানৈ মহাবিদ্যালয়ৰ অধ্যাপক
**স্বৰ্গীয় গংগা প্ৰসাদ কৌৰী সোঁৱৰণত**
(২০১২-১৩) বৰ্ষৰ
'কানৈয়ান'
উছৰ্গা কৰা হ'ল।

সম্পাদনা সমিতি

Prof. A.K. Buragohain, Ph.D. (London), DIC
*Vice-Chancellor*

DIBRUGARH UNIVERSITY
DIBRUGARH-786 004
ASSAM, INDIA
Phone: 0373-2370239(O)
Fax : 0373-2370323
e.Mail: alakkrburagohain@gmail.com

Ref. No.DU/VC/M/073/13/07

Date:24.06.2013

## শুভেচ্ছা বাণী

প্ৰতি

শ্ৰী দিব্যজ্যোতি বড়া
আলোচনী সম্পাদক,
ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা
ডিব্ৰুগড়

মৰমৰ দিব্যজ্যোতি,

মই জানিবলৈ পাই অতি আনন্দিত হৈছোঁ যে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী 'কানৈয়ান'ৰ এইবাৰৰ সংখ্যাটি প্ৰকাশৰ যো-জা কৰা হৈছে।

এখন মহাবিদ্যালয়ৰ আলোচনীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সুপ্ত প্ৰতিভাক বিকশিত কৰাত সহায় কৰাৰ লগতে সমাজখনৰ দৃষ্টিভংগীকো প্ৰতিফলিত কৰে। মই আশা কৰিছো ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ আলোচনীখনিয়েও গল্প, কবিতা, প্ৰবন্ধ ইত্যাদি প্ৰকাশ কৰাৰ লগতে সমাজখনৰ বাস্তৱ জীৱনৰ ওপৰতো আলোকপাত কৰিব আৰু ছাত্ৰ-ছাত্ৰী সকলক সৰ্বাংগীন বিকাশ সাধনৰ পথ দেখুৱাব পাৰিব।

'কানৈয়ান'ৰ এইবাৰৰ সংখ্যাটি সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ পাওক, এই কামনাৰে —

অলক কুমাৰ বুঢ়াগোহাঁই
24.05.2013

(অলক কুমাৰ বুঢ়াগোহাঁই)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়

GRAM : KANOCOL
✆ : (0373) 2324105

**OFFICE OF THE PRINCIPAL**

# Dibrugarh H. S. Kanoi College

**P. O. DIBRUGARH - 786 001 (ASSAM)**

*Ref. No. DHSK / ...........................................* *Date..............................*



## শুভেচ্ছাবাণী

ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক পত্ৰিকা 'কানৈয়ান' ৰ ২০১২-১৩ বৰ্ষৰ সংখ্যাটি চেপ্তেম্বৰ ২০১৩ ৰ ভিতৰতে প্ৰকাশ পাব বুলি জানি মই অতিশয় আনন্দিত হৈছো । সময়ৰ সুতত সাতষষ্ঠিটা বছৰ অতিক্ৰম কৰা এই শিক্ষানুস্থানখনৰ বৰ্ণাঢ্য ইতিহাসৰ আধাৰতে ইয়াৰ বৰ্তমানৰ অৱস্থান । আজিৰ তাৰিখলৈ এই শিক্ষানুস্থানৰ মেধা আৰু মনীষাৰ উৎকৰ্ষ সাধন প্ৰক্ৰিয়াৰ মননশীল প্ৰতিফলন আলোচনীখনত সম্পন্ন হ'ব বুলি মই আশাবাদী ।

আলোচনীখন সবাৰ্ঙ্গ সুন্দৰৰ কামনাৰে -

বিনীত

(ড০ ৰাজী কোঁৱৰ)

অধ্যক্ষা

ডি. হ. সূ. কানৈ মহাবিদ্যালয়

Principal I/C
D.H.S.K. College
Dibrugarh-786001(Assam)

# QUEST



*There was a time when meadow, grove, and stream,*
*The earth, and every common sight,*
*To me did seem*
*Apparelled in celestial light,*
*The glory and the freshness of a dream.*
*It is not now as it hath been of yore;*
*Turn wheresoe'er I may,*
*By night or day,*
*The things which I have seen I now can see no more.*

*Ode: Intimations of Immortality by William Wordsworth*

There was a time when the untrammeled joys of youth warmed my heart, when enthusiasm kick-started my days, idealism ignited my soul and visions coloured my dreams. I was naïve and gullible, I was putty in the hands of the teacher whom I hero-worshipped, could give my right hand for the mentor who was my idol and follow my role model to the end of the world! In retrospect, I look back in wonder, not in shame, at my "celestial" days of monumental "freshness"! Yes, I was green and quite proud about it. I wish I could revive this raw wonder in my students. I wish I could light the fire of idealistic fervor in their hearts. I wish I could galvanize them out of their overwhelming ennui and shock them out of their jaded skepticism. Every generation carries a magic seed in its core, ready to erupt and blossom forth in its finest majesty. We did too, and the generation next would do the same. That faith keeps me going as every year, as a fresh batch of students queue up for admissions at the college gate. Fresh young faces, expectant eyes, attitude, swank, mischief and the curiosity...I look for the curious face and the "wondering eye"...perhaps this year the student I have been waiting for has arrived! The die-hard optimist in me embarks on the annual quest yet again...that keen and receptive mind, those inquisitive eyes that could draw a teacher's soul out into a profound act of knowledge sharing, that rapt attention on an eager, earnest face compelling and demanding more...debate, argument, analysis, critique, innovation...challenging and egging on the instructor to delve deeper into the subject. "Deep in my heart I do believe" that it shall happen one day!

I do believe that a quintessential teacher is on an eternal quest for the *Eklavya* who would perpetuate her/his intellectual and ideological legacy. I, for my part, will kindle timid flames of hope despite disappointments. I shall continue to look for a spark of creativity, a flash of ingenuity, a glimpse of innocence or a gesture of spontaneity from today's youth. I shall look for forthrightness not circumspection... impulsive generosity, not calculated charity...honest eye contact, not sly courtesy.

As a college teacher I have had the opportunity to interact with generation next. The experience has been bittersweet. While classrooms are wonderful fora for disseminating ideas to an impressionable crowd, "catch them young" is a *mantra* which is fast losing its efficacy. The young are no longer impressionable, nor even ready to listen. I am taken aback when I am confronted with rows of "old" faces, slumped shoulders, world-weary expressions and "what's new" eyes. The teacher in me recoils, withdraws and re-launches with forced vigour the effort to rejuvenate the sagging spirit of today's lackadaisical youth. I realize that they have lost their dream and are going through the ritual of education driven by an individualistic ambition and self-interest. Either our expectations from our youth are unrealistic or we have failed to communicate our ideals and our dreams.

As a student I had grand notions about the college magazine as a precious space for unleashing one's creative sorties and testing ground for critical acumen. I saw it as amateur novices' laboratory for testing and honing writing skills and a stepping stone for the would-be genius' masterpiece. As Prof-in-charge of the college magazine, I nurtured that idea and added dimensions to it. I had a vision of a students' magazine that would encapsulate their ideas in terms of creative expression, linguistic skills, aesthetic/artistic potential and inculcation of the spirit of enquiry and research. I felt that it should crystallize youthful romance, encourage pedagogic debates and represent contemporary concerns. The two Kanoians published in my tenure do not claim to have captured in essence all that I had envisioned. Yet, the present volume does represent the efforts of the editor, despite its inadvertent shortcomings. I leave my vision to the editors of forthcoming issues of Kanoians. My quest continues...I still nurture my timid flame of hope...I have the audacity to dream...deep in my heart, I still do believe, that one day the teacher in me shall find the ideal student to carry forward the vision and legacy of a teacher who refuses to relinquish hope. I may be able to "influence eternity" after all!

*Dr. Madhumita Purkayastha*
Prof.-in-charge, Magazine
Associate Professor & Head,
Department of English,
D.H.S.K. College, Dibrugarh

# শ্ৰদ্ধাঞ্জলি



মানুহে মানুহৰ বাবে,
যদিহে অকণো নেভাৱে...
অকণি সহানুভূতিৰে...
ভাবিব কোনেনো কোৱা, সমনীয়া...

– ডঃ ভূপেন হাজৰিকা

# ২০১২-১৩ বৰ্ষত আয়োজিত বিভিন্ন অনুষ্ঠানৰ একাংশ দৃশ্য
























# যাৰ নেতৃত্বত আমি খোজ দিছো আগলৈ...




কৰ্মৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষা ড° ৰাজী কোঁৱৰ



মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা একাংশ



অধ্যাক্ষা মহোদয়াসহ মহাবিদ্যালয়ৰ সহায়ক আৰু অন্যান্য কৰ্মচাৰী সকল

# Editorial Board, 2013



*Sitting:* L to R-- Sri Tikendrajit Gogoi,(Advisor) Dr. Madhumita Purkayastha (Prof.-in-charge, Magazine), *Dr. Rajee* Konwarh (Principal & President, DHSK Students' Union) & Dr. Sonali Goswami (Advisor). Standing: Sri Dibyajyoti Bora (Editor)

# ২০১২-১৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল



ঋতুপৰ্ণ ভূঞা
উপ-সভাপতি



ৰূপজ্যোতি বৰঠাকুৰ
সাধাৰণ সম্পাদক



লক্ষ্যজিৎ সোনোৱাল
সহঃ সাধাৰণ সম্পাদক



দিব্যজ্যোতি বড়া
আলোচনী সম্পাদক



গৌতম সন্দিকৈ
সাংস্কৃতিক সম্পাদক



মহিদুল ইছলাম
সংগীত বিভাগৰ সম্পাদক



নিপু চেতিয়া
মূখ্য খেল বিভাগৰ সম্পাদক



ধ্ৰুৱজ্যোতি গগৈ
লঘু খেল বিভাগৰ সম্পাদক



অভিজিৎ বৰুৱা
সাঃ খেল বিভাগৰ সম্পাদক



সুমন চেত্ৰী
সমাজ কল্যাণ বিভাগৰ সম্পাদক



অঞ্জলী দত্ত
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা

# ২০১২-১৩ বৰ্ষত আয়োজিত বিভিন্ন অনুষ্ঠানৰ একাংশ দৃশ্য
























# সম্পাদকীয়



ফাগুনৰ ধূলিৰে আছন্ন
বাট-গছ লতা বন।
তথাপিতো ফাগুন আমাৰ
বৰ-প্ৰিয়, বৰ মৰমৰ।

ঋতু আহে ঋতু যায়। চাই থাকোতেই বছৰ বাগৰে। ‘কানৈয়ান’ৰ মুখ্য পত্ৰিকাৰ দায়িত্ব। কানৈয়ানৰ এখনি মুখ্য পত্ৰিকাৰ সম্পাদনা মানেই গধুৰ দায়িত্ব। লেখক-লেখিকা সকলৰ হৃদয় সংবাদী অনুভাৱৰে সাজোৱা হৈছে বাৰ্ষিক পত্ৰিকা “কানৈয়ান”। ভাবিলেই ভাল লাগি যায়। সন্নিৱিষ্ট সম্ভাৰেৰে আছে বিশিষ্ট লেখক-লেখিকাৰ আপুৰুগীয়া তথা বাছকবনিয়া আকৰ্ষণীয় শিতান প্ৰৱন্ধ গল্প, কবিতা, ভ্ৰমণ কাহিনী আৰু অন্যান্য

“সাহিত্য হৈছে জাতিৰ দাপোন স্বৰূপ”

যি জাতিৰ সাহিত্য নাই, সেই জাতি কেতিয়াও জাতি হ’ব নোৱাৰে। সাহিত্যক জাতিৰ দাপোণ বুলি অভিহিত কৰাৰ কাৰণ যদি বিচাৰি চোৱা যায় তেতিয়া আমি সেই দাপোনত দেখিবলৈ পাম জাতীয় জীৱনৰ প্ৰকৃত ছবিখন তথা জাতীয় সচেতনতাৰ ৰূপ আৰু মানৱ জীৱনৰ স্বৰূপ। সাহিত্যই মানৱ সভ্যতাক পৰিচালনা কৰাৰ উপৰিও মানৱ জীৱনক আনি দিছে জীৱনৰ পূৰ্ণতাপ্ৰাপ্তিৰ সুখানুভৱ। ইয়াৰ অৰ্থ এয়ে যে সাহিত্য শূন্য সমাজ অৰ্থহীন। কিয়নো সাহিত্যই সমাজ আৰু জাতিক দান কৰিছে শাস্বতপ্ৰজ্ঞা আৰু শ্ৰেষ্ঠতা।

মানুহ গঢ়াৰ মূল প্ৰক্ৰিয়া শিক্ষাব্যৱস্থাটোৰ ওপৰত যিমানখিনি বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন আছিল, তেনে নোহোৱাৰ বাবেই মনুহ গঢ়াৰ শিক্ষা ব্যৱস্থাটো সম্প্ৰতি বহু ক্ষেত্ৰত বিফল হ’বলগীয়া হৈছে। মানৱ সম্পদ গঢ়াৰ নামত সৃষ্টি হৈছে ভেকোভাওনাৰ। আজি সমাজ বিপথগামী, যুৱপ্ৰজন্ম লক্ষ্যভ্ৰষ্ট পথিক। আমি এনে শিক্ষা ব্যৱস্থাৰ আমোল পৰিৱৰ্তনৰ লগতে শুধৰণী একান্তই কামনা কৰো প্ৰকৃত মানুহ গঢ়াৰ স্বাৰ্থত।

# সূচীপত্র


মূলঃ প্রেমচন্দ ১
ভাষা সংকটত অসমীয়া ৯
ৰং ১১
একাদশী ১৪
জীৱন শৈলী ১৮
প্ৰসংগঃ ব্যক্তিত্ব আৰু চৰিত্ৰ এক মনোবৈজ্ঞানিক বিশ্লেষণ ২০
কষ্টোপাৰ্জিত ধনৰ মূল্য ২১
চিটি বাছ ২২
মানুহ বনাম অমানুহ ২৩
যুৱ সমাজ আৰু সাম্প্ৰতিক বৰ অসম ২৫
অসমীয়া সমাজত তামোল পান ২৬
বন্ধুত্বৰ বিশেষ দিন-ফ্ৰেণ্ডশ্বিপ-ডে ২৭
নাৰী সবলীকৰণ: নাৰীৰ অধিকাৰ সুৰক্ষাত সমাজৰ ভূমিকা ২৮
চিনেমা আৰু সমাজ ব্যৱস্থাত ইয়াৰ কু-প্ৰভাৱ ২৯
নিচাযুক্ত ঔষধঃ বৰ্তমান সমাজৰ এক মাৰাত্মক ব্যাধি ৩১
ফেচবুকত তোমাৰ মহিমা ৩৩
ডাইনী হত্যা : এক অৱলোকন ৩৬
ইউ. এ. ই. ত এসপ্তাহ ৩৮
ইতিহাসৰ পাতত কাৰ্নে কলেজ ৪২
আয়কৰ আয়ুক্ত শ্ৰীযুত কুমুদ ৰঞ্জন দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ ৪৪
অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সৈতে অন্তৰংগ আলাপ ৪৭
सत्य का निर्णय ৫২
EXAMINE SATAN AS THE HERO OF PARADISE LOST BOOK I AND JUSTIFY WITH ARGUMENTS ৫৫
PHOTOGRAPHY AND ITS EVOLUTION ৫৯
“NATIONAL INTEGRATION AND COMMUNAL HARMONY” ৬৫
SAMUEL BECKETT'S "WAITING FOR GODOT" AS AN ABSURD PLAY ৬৭
PREJUDICES REGARDING BIOLOGY ৭৩


## কবিত


ল'ৰালি ৭৮
অন্য এক যাত্ৰা ৭৮
ধূসৰ পৃথিৱীত আৰ্তনাদ ৭৯

কানৈয়ান এনে এখন মঞ্চ যি মঞ্চৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকশিত কৰিব পাৰে। প্ৰতিফলিত কৰিব পাৰে মহাবিদ্যালয়ৰ মান, গুণ-গৰিমা কানৈয়ানে সৃষ্টিৰেপৰা তেনে ভূমিকাই গ্ৰহণ কৰি আহিছে। এই কানৈয়ানৰ সোণালী পৃষ্ঠাতেই প্ৰকাশিত লেখনিৰ দ্বাৰাই আজি অসমৰ সংবাদ সাহিত্যৰ ক্ষেত্ৰত বহুজনে আত্মনিয়োগ কৰি আছে। ই গৌৰৱৰ বিষয়।

সীমিত জ্ঞান আৰু অনভিজ্ঞতাৰে কৰা কামৰ মাজত বৈ যোৱা ভুলৰ বাবে পাঠক-পাঠিকাৰ ওচৰত ক্ষমা ভিক্ষা বিচাৰিলো। সদৌ শেষত সমূহ কানৈয়ানলৈ উজ্জল ভৱিষ্যত কামনাৰে

জয়তু কানৈ মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা।

**দিব্যজ্যোতি বড়া**

# সূচীপত্ৰ


| | | |
|---|---|---|
| মূল: প্ৰেমচন্দ | ১ | অনুবাদ: কল্পনা সেনগুপ্তা বৰুৱা |
| ভাষা সংকটত অসমীয়া | ৯ | শ্ৰীমতী সংগীতা গগৈ |
| ৰং | ১১ | শ্ৰী কাঞ্চনজ্যোতি গোহাঁই |
| একাদশী | ১৪ | খিলনজ্যোতি ধাদুমীয়া |
| জীৱন শৈলী | ১৮ | ডিপু গগৈ |
| প্ৰসংগ: ব্যক্তিত্ব আৰু চৰিত্ৰ এক মনোবৈজ্ঞানিক বিশ্লেষণ | ২০ | শ্ৰীমতী ভানুপ্ৰিয়া সোনোৱাল |
| কষ্টোপাৰ্জিত ধনৰ মূল্য | ২১ | শ্ৰীমতী লনী গগৈ |
| চিটি বাছ | ২২ | প্ৰদ্যুম্ন দত্ত |
| মানুহ বনাম অমানুহ | ২৩ | শ্ৰী ৰমন দীপ গগৈ |
| যুৱ সমাজ আৰু সাম্প্ৰতিক বৰ অসম | ২৫ | শ্ৰী দিব্যজ্যোতি বড়া |
| অসমীয়া সমাজত তামোল পান | ২৬ | শ্ৰীমতী চিত্ৰলেখা হাজৰীকা |
| বন্ধুত্বৰ বিশেষ দিন-ফ্ৰেণ্ডশ্বিপ-ডে | ২৭ | মহিম আহমেদ |
| নাৰী সবলীকৰণ: নাৰীৰ অধিকাৰ সুৰক্ষাত সমাজৰ ভূমিকা | ২৮ | শ্ৰীমতী বিদিশা চক্ৰৱৰ্তী |
| চিনেমা আৰু সমাজ ব্যৱস্থাত ইয়াৰ কু-প্ৰভাৱ | ২৯ | শ্ৰী চম্পল সোনোৱাল (ভাইটি) |
| নিচাযুক্ত ঔষধ: বৰ্তমান সমাজৰ এক মাৰাত্মক ব্যাধি | ৩১ | ভাস্কৰ জ্যোতি গগৈ |
| ফেচবুকত তোমাৰ মহিমা | ৩৩ | শ্ৰী ঋতুপৰ্ণ ভূঞা |
| ডাইনী হত্যা : এক অৱলোকন | ৩৬ | শ্ৰী মনদীপ চেতিয়া |
| ইউ. এ. ই. ত এসপ্তাহ | ৩৮ | ড° ভাৰতী দত্ত |
| ইতিহাসৰ পাততে কানৈ কলেজ | ৪২ | দিব্যজ্যোতি বড়া |
| আয়কৰ আয়ুক্ত শ্ৰীযুত কুমুদ ৰঞ্জন দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ | ৪৪ | দিব্যজ্যোতি বড়া |
| অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সৈতে অন্তৰংগ আলাপ | ৪৭ | দিব্যজ্যোতি বড়া |
| सत्य का निर्णय | ৫২ | Khusboo Kumari Rai |
| EXAMINE SATAN AS THE HERO OF PARADISE LOST BOOK I AND JUSTIFY WITH ARGUMENTS | ৫৫ | Prateeti Chowdhury |
| PHOTOGRAPHY AND ITS EVOLUTION | ৫৯ | Rajib Lochan Borah |
| "NATIONAL INTEGRATION AND COMMUNAL HARMONY" | ৬৫ | Bharatsingh Senabaya Deori |
| SAMUEL BECKETT'S "WAITING FOR GODOT" AS AN ABSURD PLAY | ৬৭ | Anurag Borpatrogohain & Tripti Goswami |
| PREJUDICES REGARDING BIOLOGY | ৭৩ | Angshu Dutta |


## কবিতা


| | | |
|---|---|---|
| ল'ৰালি | ৭৮ | চিৰঞ্জীৱ বৰুৱা |
| অন্য এক যাত্ৰা | ৭৮ | পুৰ্ব জ্যোতি চুতীয়া |
| ধূসৰ পৃথিৱীত আৰ্তনাদ | ৭৯ | চুমী সন্দিকৈ |

# সূচীপত্ৰ


| | | |
|---|---|---|
| মূলঃ প্ৰেমচন্দ | ১ | অনুবাদঃ কল্পনা সেনগুপ্তা বৰুৱা |
| ভাষা সংকটত অসমীয়া | ৯ | শ্ৰীমতী সংগীতা গগৈ |
| ৰং | ১১ | শ্ৰী কাঞ্চনজ্যোতি গোহাঁই |
| একাদশী | ১৪ | খিলনজ্যোতি ধাদুমীয়া |
| জীৱন শৈলী | ১৮ | ডিপু গগৈ |
| প্ৰসংগঃ ব্যক্তিত্ব আৰু চৰিত্ৰ এক মনোবৈজ্ঞানিক বিশ্লেষণ | ২০ | শ্ৰীমতী ভানুপ্ৰিয়া সোনোৱাল |
| কষ্টোপাৰ্জিত ধনৰ মূল্য | ২১ | শ্ৰীমতী লনী গগৈ |
| চিটি বাছ | ২২ | প্ৰদ্যুম্ন দত্ত |
| মানুহ বনাম অমানুহ | ২৩ | শ্ৰী ৰমন দীপ গগৈ |
| যুৱ সমাজ আৰু সাম্প্ৰতিক বৰ অসম | ২৫ | শ্ৰী দিব্যজ্যোতি বড়া |
| অসমীয়া সমাজত তামোল পান | ২৬ | শ্ৰীমতী চিত্ৰলেখা হাজৰীকা |
| বন্ধুত্বৰ বিশেষ দিন-ফ্ৰেণ্ডশ্বিপ-ডে | ২৭ | মহিম আহমেদ |
| নাৰী সবলীকৰণঃ নাৰীৰ অধিকাৰ সুৰক্ষাত সমাজৰ ভূমিকা | ২৮ | শ্ৰীমতী বিদিশা চক্ৰৱৰ্ত্তী |
| চিনেমা আৰু সমাজ ব্যৱস্থাত ইয়াৰ কু-প্ৰভাৱ | ২৯ | শ্ৰী চম্পল সোনোৱাল (ভাইটি) |
| নিচাযুক্ত ঔষধঃ বৰ্তমান সমাজৰ এক মাৰাত্মক ব্যাধি | ৩১ | ভাস্কৰ জ্যোতি গগৈ |
| ফেচবুকত তোমাৰ মহিমা | ৩৩ | শ্ৰী ঋতুপৰ্ণ ভূঞা |
| ডাইনী হত্যা : এক অৱলোকন | ৩৬ | শ্ৰী মনদীপ চেতিয়া |
| ইউ. এ. ই. ত এসপ্তাহ | ৩৮ | ড° ভাৰতী দত্ত |
| ইতিহাসৰ পাতত কানৈ কলেজ | ৪২ | দিব্যজ্যোতি বড়া |
| আয়কৰ আয়ুক্ত শ্ৰীযুত কুমুদ ৰঞ্জন দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ | ৪৪ | দিব্যজ্যোতি বড়া |
| অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সৈতে অন্তৰংগ আলাপ | ৪৭ | দিব্যজ্যোতি বড়া |
| सत्य का निर्णय | ৫২ | Khusboo Kumari Rai |
| EXAMINE SATAN AS THE HERO OF PARADISE LOST BOOK I AND JUSTIFY WITH ARGUMENTS | ৫৫ | Prateeti Chowdhury |
| PHOTOGRAPHY AND ITS EVOLUTION | ৫৯ | Rajib Lochan Borah |
| "NATIONAL INTEGRATION AND COMMUNAL HARMONY" | ৬৫ | Bharatsingh Senabaya Deori |
| SAMUEL BECKETT'S "WAITING FOR GODOT" AS AN ABSURD PLAY | ৬৭ | Anurag Borpatrogohain & Tripti Goswami |
| PREJUDICES REGARDING BIOLOGY | ৭৩ | Angshu Dutta |


## কবিতা


| | | |
|---|---|---|
| ল'ৰালি | ৭৮ | চিৰঞ্জীৱ বৰুৱা |
| অন্য এক যাত্ৰা | ৭৮ | পুৰ্ব জ্যোতি চুতীয়া |
| ধূসৰ পৃথিৱীত আৰ্তনাদ | ৭৯ | চুমী সন্দিকৈ |

| | | |
|---|---|---|
| পৰিচয় | ৭৯ | প্ৰবীণ নেৰাৰ |
| বাস্তৱৰ শংকা | ৮০ | শ্ৰী বিশ্বজিৎ খাটোৱাল |
| 'তোমাৰ বাবে' | ৮০ | ভাস্কৰ গগৈ |
| ন-অসম | ৮১ | শ্ৰী চম্পল সোণোৱাল (ভাইটি) |
| সূৰ্যাস্ত | ৮২ | বিনয় সোনোৱাল |
| 'আমাৰ কলেজ' | ৮২ | শ্ৰী খেম বাহাদুৰ ছেত্ৰী |
| আইৰ চকুলো | ৮৩ | লক্ষ্যজ্যোতি দত্ত |
| সময় | ৮৩ | প্ৰাঞ্জল প্ৰতীম শৰ্মা |
| বৰষাৰ এক নিশা তোমাৰ স্বপ্নত | ৮৪ | শ্ৰী বিভাস গগৈ |
| আবেলিৰ বৰষুণ | ৮৪ | শ্ৰী পাৰ্থ প্ৰতিম গোহাঁই |
| মোৰ ল'ৰালি | ৮৫ | মেহসিন আহমেদ |
| সময়ে যেতিয়া লৈ আহে বিদায়ৰ বতৰা | ৮৫ | শ্ৰীমতী তৃণা দাস |
| জীৱন সাগৰত বুটলা শামুক | ৮৬ | ৰমনদীপ গগৈ |
| কোন মই ?? | ৮৭ | শ্ৰীমতী গীতাঞ্জলী পাটৰ |
| ঠিকনা বিচাৰি আমনি নকৰিবা | ৮৭ | শ্ৰীমতী প্ৰিয়ংকা দেউৰী |
| তোমাৰ মায়া | ৮৮ | শ্ৰী দীনেশ কামান |
| ৰহস্যময় তোমাৰ হাঁহিটি | ৮৮ | ভানু প্ৰতাপ দাস |
| মই তোমাৰ যোগ্য নহয় | ৮৯ | দীপাৱলী কুমি |
| ডোক | ৯০ | দীপাৱলী কুমি |
| জীৱন বাটত | ৯০ | দিব্যজ্যোতি বড়া |
| মন জোনাকৰ আঁউসী | ৯১ | শ্ৰী সঞ্জয় গগৈ |
| শান্তি | ৯১ | মৌচুমী যাদৱ ডেকা |
| সপোন ভগাৰ শব্দ শুনিছা? | ৯২ | অস্মিতা দত্ত |
| ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয় | ৯৩ | মৌচুমী যাদৱ ডেকা |
| বৰ্ষালাপ | ৯৩ | খিলনজ্যোতি ধাদুমীয়া |
| বিচৰাত বৃহৎ বিজয় | ৯৪ | চুলতানা হাজৰীকা |
| পোহৰ সন্ধান | ৯৪ | সংগীতা গগৈ |
| বান | ৯৪ | খিলনজ্যোতি ধাদুমীয়া |
| পৰিৱৰ্তিত সমাজৰ দৃশ্য | ৯৫ | শ্ৰী অন্বিত বৰুৱা |
| ACCEPTING KANOI | ৯৬ | Prateeti Chowdhury |
| TDC 3rd Year Result : 2013 (Arts) | ৯৭ | |
| TDC 3rd Year Result : 2013 (Science) | ৯৯ | |
| Performance of B.A. Part II (Major) Examination, 2012 | ১০১ | |
| Performances of Students in B.Sc. (Major) PART II of 2011 and 2012 | ১০৬ | |
| Highlight of the D.H.S.K. College Students' Union Society Constitution | ১১২ | |
| কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বিষয় ববীয়া সকলৰ প্ৰতিবেদন | ১১৪ | |

# লিখক

## মূল: প্ৰেমচন্দ

## অনুবাদ: কল্পনা সেনগুপ্তা বৰুৱা

ৰাতিপুৱা প্ৰবীণ ডাঙৰীয়াই কুৰিবাৰ উতলোৱা চাহ পিয়লা তৈয়াৰ কৰি ল'লে আৰু চেনি-গাখীৰ নোহোৱাকৈয়ে খালে। এয়াই আছিল তেওঁৰ পুৱাৰ জলপান। কেইবামাহো ধৰি তেওঁ মিঠা, গাখীৰ দি কৰা চাহ খাবলৈ পোৱা নাছিল। তেওঁৰ জীৱনৰ আৱশ্যকীয় সামগ্ৰীসমূহৰ ভিতৰত গাখীৰ-চেনি নাছিল। পত্নীক জগাই তেওঁৰ পৰা পইচা ল'ব বুলি অৱশ্যে ঘৰ সোমাল, পিছে তেওঁক ফটা মলিয়ন নিহালীৰ মাজত নিদ্ৰামগ্ন দেখি জগাবলৈ ইচ্ছা নহ'ল। ভাবিলে, শীতৰ প্ৰকোপত বেচেৰীৰ ছাগৈ গোটেই ৰাতি টোপনি নাহিল, এতিয়াহে আহিছে। কেঁচা-টোপনিত জগাই দিয়া উচিন নহ'ব। তেওঁ নিৰৱে আঁতৰি আহিল।

চাহ খাই তেওঁ দোৱাত-কলম লৈ বহিল আৰু সেই কিতাপখন লিখাত নিমগ্ন হ'ল, যিখন তেওঁৰ মতে এই শতিকাৰ সবাতোকৈ বৃহৎ ৰচনা হ'ব, যাৰ প্ৰকাশে তেওঁক অখ্যাতিৰ গহ্বৰৰ পৰা উলিয়াই খ্যাতি আৰু সমৃদ্ধিৰ স্বৰ্গলৈ লৈ যাব।

আধাঘন্টামানৰ পাছত পত্নীয়ে চকু মোহাৰি মোহাৰি সুধিলে-'তুমি চাহ খালা নেকি?'

প্ৰবীণে হাঁহিমুখে ক'লে-"ও খালোঁ। বৰ ভাল লাগিল।"

"কিন্তু গাখীৰ-চেনি ক'ৰ পৰা আনিলা?"

"গাখীৰ-চেনিতো আজি কেইবাদিনো হ'ল দেখাই নাই। আজিকালি মোৰ ফিকা চাহ বৰ সোৱাদ লাগে। গাখীৰ-চেনি মিহলালে তাৰ সোৱাদহে বেয়া হৈ যায়। চাহ সদায় ফিকাই খাব লাগে, ডাক্তৰেও তাকেই কয়। ইউৰোপত তো চাহৰ লগত গাখীৰৰ নিয়ম একেবাৰে নাই। এইটো তো আমাৰ ইয়াৰ আঢ্যবন্তসকলৰ আৱিষ্কাৰ।"

"ফিকা চাহনো তোমাৰ কেলৈ ভাল লাগে জানো। মোক কিয় মাতি নিদিলা? পইচা দেখোন থৈছিলোৱেই।"

প্ৰবীণ ডাঙৰীয়াই আকৌ লিখিবলৈ লাগিল। এই ৰোগটো তওঁৰ ডেকাকালৰে পৰা আজি কুৰিবছৰে তেওঁ তাক প্ৰতিপালন কৰি আছে। এই ৰোগে তেওঁৰ দেহা শেষ কৰিলে, স্বাস্থ্য শেষ কৰিলে আৰু চল্লিশ বছৰ বয়সতেই বাৰ্দ্ধক্যই তেওঁক আৱৰি ধৰিলে, কিন্তু এই ৰোগ প্ৰতিৰোধ কৰা তেওঁৰ কাৰণে অসাধ্য আছিল। সূৰ্য্যোদয়ৰ পৰা মাজনিশালৈ এই সাহিত্য উপাসকগৰাকী আৰ্ন্তজগতত ডুব গৈ সমস্ত সংসাৰক আওকাণ কৰি, হৃদয়ৰ পুষ্প আৰু নৈবেদ্য সজাই থাকে। পিছে ভাৰতত সৰস্বতীৰ উপাসক মানে লক্ষ্মীৰ প্ৰতি ভক্তিহীনতা। মন এটাহে। একেলগেনো দুগৰাকী দেৱীক প্ৰসন্ন কৰে কেনেকৈ? দুয়োৰে বৰদানৰ পাত্ৰনো কেনেকৈ হয়? আৰু লক্ষ্মীৰ এই কৃপাহীনতা ধনৰ অভাৱতে কেৱল প্ৰকট নহৈছিল। তাৰ সবাতোকৈ নিৰ্দয় ক্ৰীড়া এইটো আছিল যে পত্ৰবোৰৰ সম্পাদক আৰু পুথিসমূহৰ প্ৰকাশকে উদাৰতাপূৰ্বক সহৃদয়তাৰ দানো নিদিছিল। হয়তো তেওঁৰ বিৰুদ্ধে গোটেই পৃথিৱীয়ে ষড়যন্ত্ৰ ৰচিছিল। আনকি এই নিৰন্তৰ অভাৱে তেওঁৰ আত্মবিশ্বাসক যেন গৰকি পেলাইছিল। হয়তো এতিয়া তেওৰ এনে

অনুভৱ হ'বলৈ ধৰিছিল যে তেওঁৰ ৰচনাৰাজিত কোনো সাৰ, কোনো প্ৰতিভা নাই আৰু ভাৱনা আছিল অত্যন্ত হৃদয়বিদাৰক। এই দুৰ্লভ মানৱ জীৱনটো এনেয়ে নষ্ট হৈ গ'ল। সংসাৰে তেওঁক লাগে সন্মান নকৰক, তাৰ বাবে তেওঁৰ কোনো চিন্তা নাছিল। কিন্তু তেওঁৰ জীৱনকৃতি ইমান তুচ্ছ নহয়। জীৱনৰ আৱশ্যকীয় সামগ্ৰীসমূহ কম হৈ হৈ সন্ন্যাসৰ সীমাকো পাৰ কৰি পেলাইছিল। যদি তেওঁৰ কোনো সন্তোষ আছিল, সেইটো হ'ল এইটোৱে যে তেওঁৰ জীৱন সহচৰী ত্যাগ আৰু তপস্যা তেওঁতকৈও দুখোজ আগত আছিল। সুমিত্ৰা এই অৱস্থাতো প্ৰসন্ন আছিল। প্ৰবীণ ডাঙৰীয়াক গোটেই পৃথিৱীয়ে ভুল বুজক কিন্তু সুমিত্ৰাই ৰবৰৰ বল এটাত পূৰ্ণ কৰি ৰখা বায়ুৰ দৰে তেওঁক বাহিৰৰ উজুটিবোৰৰ পৰা ৰক্ষা কৰি আছিল। নিজৰ ভাগ্যৰ কথা ভাবি দুখ কৰাতো দুখৰে কথা, এই দেৱীগৰাকীয়ে তেওঁক কেতিয়াও কোনো চিন্তা কৰিবলৈও নিদিছিল।

সুমিত্ৰাই চাহৰ পিয়লা সামৰি ক'লে-"এক-আধা ঘন্টামান নো বাহিৰৰ পৰা ফুৰি-চাকি নাহাগৈ কেলৈ? বুজি পালাই দেখোন মৰি-তৰি কাম কৰিলেও একো ফল নাই। তেনেহ'লে মিছাকৈ মূৰ ঘমাইছা কিয়?

মূৰ নেদাঙি, কাগজৰ ওপৰত লিখি লিখিয়ে প্ৰবীণে ক'লে-"লিখি থাকিলে আন নহ'লেও এই সন্তোষটো পোৱা যায় যে কিবা কৰি আছোঁ। ফুৰিবলৈ গ'লেতো মোৰ সময় নষ্ট কৰা যেন লাগে।"

"এই ইমান পঢ়া-শুনা কৰা মানুহবোৰে যে নিতৌ বতাহ খাবলৈ যায়, তেওঁলোকে নিজৰ সময় নষ্ট কৰে তেনেহ'লে?"

"কিন্তু ইয়াত অধিকাংশ সেই মানুবোৰেই আছে যাৰ ফুৰিবলৈ গ'লেও আমদানীত নাটনি একেবাৰেই নহয়। অধিকাংশতো চৰকাৰী চাকৰিয়াল, যি মাহেকীয়া বেতন পায় বা এনে ব্যৱসায়ৰ মানুহ যাক মানুহে সন্মান কৰে। মইতো মিলৰ মজদুৰ। কোনো মজদুৰক বতাহ খাবলৈ যোৱা দেখিছা নেকি? যাৰ খোৱা বস্তুৰ নাটনি নহয় তেওঁ বতাহো খোৱা প্ৰয়োজন। যাৰ খোৱা-বোৱাৰ টনাটনি, তেওঁলোকে বতাহ খাবলৈ নাযায়। আকৌ স্বাস্থ্য আৰু জীৱন বৃদ্ধিৰ প্ৰয়োজন সেইসকলৰ আছে যাৰ জীৱনত আনন্দ আৰু স্বাদ আছে। মোৰ কাৰণে তো জীৱনটো বোজা। এই বোজাটো আৰু কিছুদিন মূৰত বৈ থকাৰ অভিলাষ মোৰ নাই।"

এনে নিৰাশাত বুৰ গৈ থকা কথা শুনি দুচকু চকুলোৰে পূৰ্ণ কৰি সুমিত্ৰা ভিতৰ সোমাই গ'ল। তেওঁৰ অন্তৰে কৈছিল, এই তপস্বীৰ কীৰ্তি কৌমুদী এদিন নিশ্চয় প্ৰসাৰিত হ'ব, লক্ষ্মীৰ কৃপা নহওকেই লাগে, কিন্তু প্ৰবীণ ডাঙৰীয়া এতিয়া নিৰাশাৰ সেই সীমা পাইছিলগৈ য'ৰ পৰা প্ৰতিকূল দিশত উদয় হোৱা আশাময় ঊষাৰ ৰাঙলী আভাও দেখা নাযায়।

এজন আঢ্যৱন্ত লোকৰ ঘৰত কিবা উৎসৱ পাতিছে। তেওঁ প্ৰবীণ ডাঙৰীয়াকো নিমন্ত্ৰণ কৰিছে। আজি তেওঁৰ মন আনন্দৰ বাগীত বহি নাচিব লাগিছে। গোটেই দিনটো তেওঁ এই কল্পনাতে মগ্ন থাকিল-ৰজাচাহাবে তেওঁক কেনেধৰণে স্বাগতম্ জনাব, আৰু কি কি কথাৰে তেওঁক ধন্যবাদ জনাব, কি কি প্ৰসঙ্গত কথা-বতৰা হ'ব আৰু কোন কোন মহানুভৱৰ সতে তেওঁৰ পৰিচয় হ'ব। গোটেই দিন তেওঁ এনেধৰণৰ কল্পনাবোৰৰ আনন্দ ল'লে। এই উদ্দেশ্যে তেওঁ এটা কবিতাও ৰচনা কৰিলে, য'ত তেওঁ জীৱনক এখনি উদ্যানৰ সতে তুলনা কৰিলে। আজি তেওঁ নিজৰ জীৱনৰ সমস্ত গতিধাৰাকে উপেক্ষা কৰিলে, কাৰণ আঢ্যৱন্ত লোকৰ মনোভাৱক তেওঁ আঘাত দিব নোৱাৰে।

দুপৰীয়াৰে পৰা তেওঁ প্ৰস্তুতি আৰম্ভ কৰিলে। ডাড়ি খুৰালে, চাবোনেৰে গা ধুলে, মূৰত তেল ল'লে। সমস্যা কাপোৰৰ হে আছিল। বহুত দিনৰ আগতে তেওঁ এটা দীঘল কোট তৈয়াৰ কৰোৱাইছিল। তাৰ অৱস্থাও তেওঁৰ দৰেই জীৰ্ণ হৈ গৈছিল। যেনেকৈ অলপ জাৰ লাগি বা গৰম লাগি তেওঁৰ পানীলগা বা মূৰৰ বিষ হৈছিল ঠিক তেনেকৈ সেই দীঘল কোটটোও কোমল অৱস্থাৰ আছিল। সেইটো উলিয়ালে আৰু জাৰি-জোকাৰি থ'লে। সুমিত্ৰাই ক'লে-"তুমি মিছাতেই নিমন্ত্ৰণ স্বীকাৰ কৰিলা। লিখি দিলাহেঁতেন, মোৰ শৰীৰ ভাল নহয়। এনেকৈ ফটা কাপোৰ-কানি পিন্ধি যোৱাতো আৰু হে বেয়া।"

প্ৰবীণে দাৰ্শনিক গম্ভীৰতাৰে ক'লে- "যাক ঈশ্বৰ হৃদয় আৰু দৃষ্টি দিছে, তেওঁ মানুহৰ সাজপাৰ লক্ষ্য নকৰে, তেওঁৰ গুণ আৰু চৰিত্ৰহে লক্ষ্য কৰে। ৰজা চাহাবে যে মোক নিমন্ত্ৰণ দিলে-এই কথাৰ কিবা এটা অৰ্থ নিশ্চয় আছে। মই কোনো পদবীধাৰীও নহয়, জমিদাৰো নহয়, জাগীৰদাৰো নহয়, ঠিকাদাৰো নহয়, কেৱল এজন সাধাৰণ লেখক। লেখকৰ ৰচনাসমূহেই তেওঁৰ মূল্য নিৰূপণ কৰে।

এই বিশ্বাসৰ বাবে কোনো লেখকৰ আগত মোৰ লজ্জিত হোৱাৰ কাৰণ নাই।

সুমিত্ৰাৰ তেওঁৰ সৰলতা দেখি তেওঁৰ প্ৰতি পুতৌ জন্মিল আৰু ক'লে-"কল্পনাৰ ৰাজ্যত থাকি থাকি তুমি প্ৰত্যক্ষ সংসাৰৰ পৰা বেলেগ হৈ গৈছা। চাবা ৰজাচাহাবৰ ঘৰত মানুহবোৰৰ চকু কাপোৰৰ ওপৰতহে থাকিব। সৰলতা নিশ্চয় ভাল কথা, কিন্তু তাৰ অৰ্থ এইটো নহয় যে মানুহ অশিষ্ট হৈ যাব।"

প্ৰবীণে এই কথাষাৰৰ মূল্য বুজিলে। পণ্ডিতসকলৰ দৰে তেওঁৰো নিজৰ ভুল স্বীকাৰ কৰাত বিলম্ব নহৈছিল। ক'লে, "মই বুজিছোঁ, চাকি জ্বলাৰ পাছতে যাম।"

"মই বোলো কিয়নো যোৱা?"

"এতিয়া তোমাক কেনেকৈ বুজাওঁ? প্ৰত্যেক প্ৰাণীৰে মনত আদৰ আৰু সন্মানৰ ক্ষুধা থাকে। তুমি ক'বা, এই ক্ষুধা কেলৈ থাকে? এই কাৰণেই যে ই আমাৰ আত্মবিশ্বাসৰ এটা স্তৰ। আমি সেই মহান সত্তাৰ সূক্ষ্মাংশ, যি সমস্ত ব্ৰহ্মাণ্ডত ব্যাপ্ত। অংশত পূৰ্বৰ গুণসমূহ থকা উচিত। এইবাবে কীৰ্তি আৰু সন্মান, আত্মোন্নতি আৰু জ্ঞানৰ প্ৰতি আমাৰ স্বাভাৱিক ৰুচি আছে। মই এই লালসাক বেয়া বুলি নেভাবো।"

সুমিত্ৰাই হাত সাৰিবলৈকে ক'লে- "বাৰু হ'ব দিয়া। মই তোমাৰ লগত তৰ্ক নকৰো কিন্তু কাইলৈৰ কাৰণে কিবা ব্যৱস্থা কৰি আহিবা, কাৰণ মোৰ হাতত আৰু মাত্ৰ একঅনা আছে। যিসকলৰ পৰা ধাৰ পোৱা গ'লহেঁতেন, সেইসকলৰ পৰা লোৱা হৈ গ'ল আৰু যাৰ পৰা লোৱা হ'ল তেওঁক ঘূৰাই দিব পৰা হোৱা নাই। এতিয়া আৰু মই কোনো উপায় পোৱা নাই।"

প্ৰবীণে ক্ষন্তেক পাছতে ক'লে-"দুই-এখন আলোচনীৰ পৰা মোৰ লেখনীৰ টকা আহিব লগা আছে। কাইলৈকে আহি যাব কিজানি আৰু কাইলৈ যদি উপবাসে থাকিব লাগে তাত কি চিন্তা? শ্ৰম কৰাই আমাৰ ধৰ্ম। আমি শ্ৰম কৰোঁ আৰু মনে-প্ৰাণে কৰো। ইয়াৰ পাছতো যদি আমি লঘোণে থাকিব লাগে, তেনেহ'লে মোৰ দোষ নাই। মৰি হে যাম। আমাৰ নিচিনা লাখ লাখ মানুহ দিনৌ মৰে। সংসাৰ একেধৰণেৰেই চলি থাকে। গতিকে আমি ভোকত মৰিম বুলি বেজাৰ কৰিবলগীয়া কি আছে। মৃত্যু, ভয় কৰিবলগীয়া কথা নহয়। মইতো কবীৰ পন্থীসকলক স্বীকাৰ কৰো, যি মৰা মানুহৰ চাঙী নাচ-গান কৰি লৈ যায়। মই ইয়াক ভয় নকৰো। তুমিয়েই কোৱাচোন, মই যিখিনি কৰো, ইয়াতকৈ অধিক

আৰু মোৰ শক্তিৰ বাহিৰৰ হয় নে নহয়। গোটেই পৃথিৱী সুখ-নিদ্ৰা যায় আৰু মই কলম লৈ বহি থাকোঁ। সকলোৱে হাঁহি-ঠাট্টা, আমোদ-প্ৰমোদ কৰি থাকে, মোৰ ক্ষেত্ৰত সকলো নিষিদ্ধ। আনকি কেইবামাহো ধৰি হাঁহিবলৈ সুযোগেই পোৱা নাই। ফাকুৱাৰ দিনাও মই নিয়ম নকৰিলো। নৰিয়াতো লিখাৰ চিন্তাই মূৰত থাকে। ভাবি চোৱা, তোমাৰ নৰিয়া হৈছিল আৰু মই বৈদ্যৰ ওচৰলৈ যাবলৈ সময় পোৱা নাছিলো। পৃথিৱীয়ে যদি মূল্য নিদিয়ে, নিদিয়ক। ইয়াত পৃথিৱীৰ হে লোকচান হ'ব, মোৰ কোনো হানি নহয়। জ্বলাটোৱেই প্ৰদীপৰ কাম। তাৰ পোহৰ বিয়পি পৰকেই বা নপৰক বা তাৰ সন্মুখত কোনো আঁৰ থাককেই বা নেথাকক সেই কথা লক্ষ্য কৰাৰ তাৰ প্ৰয়োজন নাই।"

"মোৰনো কোন এনেকুৱা মিত্ৰ, পৰিচিত বা সম্বন্ধীয় লোক আছে যাৰ প্ৰতি মই কৃতজ্ঞ নহয়? এতিয়া আনকি ঘৰৰ পৰা ওলাবলৈও লাজ লাগে। মোক যে মানুহে বেয়া স্বভাৱৰ বুলি নেভাবে এইটোৱেই সন্তোষ। তেওঁলোকে মোক বৰ বেছি সহায় কৰিব নোৱাৰিব পাৰে, কিন্তু তেওঁলোকৰ মোৰ প্ৰতি অৱশ্যে সহানুভূতি আছে। আজি সেই অৱসৰটোতো আহিল যে এজন আঢ্যৱন্ত লোকে মোক সন্মান দিছে, মোৰ আনন্দৰ বাবে ইমানেই যথেষ্ট।"

তাৰ পাচত হঠাৎ তেওঁৰ যেন নিচাহে লাগিল। গৰ্বেৰে ক'লে, "নাই, মই ৰাতি নাযাওঁ। মোৰ দৰিদ্ৰ এতিয়া প্ৰকাশ হৈ গৈছে তাক ঢাকি ৰখা বৃথা। মই এতিয়াই যাম। যাক গণ্যমান্য আঢ্যৱন্ত লোকে আমন্ত্ৰিত কৰে তেওঁ কোনো ঘটিৰাম বাতিৰাম হ'ব নোৱাৰে। ৰজাচাহাব সাধাৰণ আঢ্যৱন্ত লোক নহয়। তেওঁ এই নগৰৰে নহয় ভাৰতৰ বিখ্যাত আঢ্যৱন্ত লোকসকলৰ মাজৰে এজন। যদি এতিয়াও কোনোবাই তেওঁক হীন বুলি গণ্য কৰে, তেন্তে তেওঁ নিজেই হীন।"

সন্ধ্যা বেলা। প্ৰবীণ ডাঙৰীয়াই তেওঁৰ ফটা দীঘল কোটচোলা আৰু উৰঁলি যোৱা জোতা আৰু অশুৱনি টুপী পিন্ধি ঘৰৰ পৰা ওলাল। তেওঁক দেখাত দুষ্ট পকেটমাৰ যেন হে লাগিছিল। স্বাস্থ্যপাতি ভাল হোৱা হ'লে এনে অৱস্থাতো সম্ভ্ৰম থাকিলহেঁতেন। স্থূলতা স্বয়ং প্ৰভাব পেলাব পৰা বস্তু। পিছে স্থূলতা আৰু সাহিত্যসেৱাৰ মাজত বিৰোধ আছে। যদি কোনো সাহিত্য সেৱক শকত-আৱত ডবল মানুহ হয়, তেন্তে বুজিবা, তেওঁৰ মধুৰতা, লাৱণ্য আৰু হৃদয় নাই। চাকিৰ কাম জ্বলি থকা। সেই চাকিটোৱেই মুখলৈ ভৰি থাকিব যিটো জ্বলা নাই।

এনেয়ে ঘৰৰ পৰা ওলালে তেওঁ দোকানীবোৰৰ চকুৰ পৰা সাৰি গলিয়ে গলিয়ে ওলাই যায়গৈ। কিন্তু আজি তেওঁ মস্তক চুলি তেওঁলোকৰ সন্মুখেদি যাব ধৰিছে। আজি তেওঁ সেইসকলৰ তাগিদাৰ ঠিক ঠিক উত্তৰ দিবলৈ প্ৰস্তুত। পিছে সন্ধ্যাৰ সময়, প্ৰত্যেক দোকানতে গ্ৰাহক বহি আছিল। কোনোৱে তেওঁৰ ফালে চোৱা নাছিল। যি ধনকে তেওঁ নিজৰ হীন অৱস্থাত দুৰ্বিচাৰ বুলি ভাবিছিল, সি দোকানীসকলৰ দৃষ্টিত ইমান সাহসৰ বিষয় নাছিল যে এজন জনা-শুনা মানুহক মাজবজাৰতে বাধা দিব, বিশেষকৈ আজি যেতিয়া তেওঁ কাৰোবাক লগ পাবলৈ যোৱা যেন লাগিছে।

প্ৰবীণে গোটেই বজাৰতে এবাৰ চক্কৰ দিলে। পিছে হেঁপাহ নপলাল। আৰু এটা চক্কৰ লগালে, পিছে সেইটোও নিস্ফল। তাৰ পাছত তেওঁ নিজেই হাফিজ চমদৰ দোকানৰ সন্মুখত ৰ'লগৈ। হাফিজে পাশা খেলত ব্যৱহাৰ কৰা 'বিসাত'ৰ ব্যৱসায় কৰিছিল। বহুত দিন হ'ল- প্ৰবীণে এই দোকানৰ পৰা এটা ছাতি লৈ গৈছিল আৰু আজিলৈকে তাৰ দাম দিব পৰা নাই। প্ৰবীণক দেখি হাফিজে ক'লে- "বোলো মহাশয় ছাতিৰ দাম এতিয়ালৈকে নেপালো। এনেকুৱা গ্ৰাহক পঞ্চাছ-এশজনমান পালে তো দেৱলীয়া হৈ যাব লাগিব। এতিয়া তো বহুত দিন হ'ল।"

প্ৰবীণৰ অভিলাষ পূৰ্ণ হ'ল। মনোকামনা পূৰ্ণ হ'ল। ক'লে-"মই পাহৰা নাই হাফিজ ডাঙৰীয়া, এই কেইদিন কাম ইমান বেছি আছিল যে ঘৰৰ পৰা ওলোৱাটোৱে সমস্যা হৈছিল। হাতলৈ টকা নাহিলেও আপোনাৰ কৃপাত গুণমুগ্ধসকলৰ সংখ্যা কম নাছিল। দুই-চাৰিজনে বেৰিয়েই থাকে। এতিয়া আকৌ ৰজাচাহাব-সেই যে কোণত থকা 'বাংলা'টোত থাকে-তেওঁৰ তালৈকে গৈ আছো। ভোজ ভাত আছে। সদায় এনেকুৱা কিবা নহয় কিবা সুযোগ আহিয়ে থাকে।"

হাফিজ চমদে প্ৰভাৱিত হৈ ক'লে- "হয়নে? আপুনি ৰজাচাহাবৰ তালৈ যাবলৈ ওলাইছে। ঠিকেই, আপোনালোকৰ নিচিনা মানুহক আঢ্যৱন্ত লোকেহে সন্মান দিব পাৰিব আৰু কোনে দিব? চুভানআল্লা! আপুনি এই যুগৰ অদ্বিতীয় লোক। কিবা সুযোগ পালে এই নি:কিনক নেপাহৰিব। ৰজাচাহাবৰ যদি এই ফালে চকু পৰে, তেনেহ'লে আৰু কোনে পায়। সম্পূৰ্ণ এটা পাশাখেলৰ "বিসাত'তো তেওঁৰ বাবে লাগিব। বছৰি আঢ়ৈ-তিনিলাখ আমদানী হয়।"

আঢ়ৈ-তিনিলাখো প্ৰবীণৰ তুচ্ছ যেন লাগিল। মুখৰ জমা-খৰচহে, তেনেহ'লে দহ-বিশ লাখ বুলি কোৱাত নো কি আপত্তি? ক'লে-"আঢ়ৈ-তিনিলাখ! আপুনিতো তেখেতক লাজ দিছে। তেখেতৰ আমদানি দহলাখতকৈ কম নহয়। এজন চাহাবৰ অনুমানততো বিশ লাখ হ'ব। এটা এলেকা আছে, ঘৰ-দুৱাৰ আছে, দোকান আছে, জিম্মাত ৰখা টকাও আছে আৰু সকলোতকৈ ডাঙৰ কথা তেখেতৰ দৃষ্টি।" হাফিজে বৰ নম্ৰতাৰে ক'লে-"ডাঙৰীয়া, এই দোকান আপোনাৰেই, মাথো ইমানেই অনুৰোধ। হেৰৌ মুৰাদী, যাচোন এখেতৰ বাবে দুপইচাৰ ভাল পাণ এখন লৈ আহগৈ। আহক দুই মিনিট বহক। কিবা বস্তু পচন্দ হৈছে যদি দেখুৱাওঁ। আপোনাৰ লগত ঘৰুৱা সম্বন্ধ।"

প্ৰবীণে পাণ খাই ক'লে-"এই সময়ত ক্ষমা কৰিব। তাত পলম হ'ব। আকৌ কেতিয়াবা উপস্থিত হ'ম।"

ইয়াৰ পৰা উঠি তেওঁ এখন কাপোৰৰ দোকানৰ সন্মুখত ৰ'লগৈ। তেওঁৰ নাম আছিল মনোহৰ দাস। এখেতক থিয়দি থকা দেখি মূৰ তুলিলে। বেচেৰাই এখেতক লগ পাবলৈ অস্থিৰ হৈ আছিল। ভাবি ল'লে, সম্ভৱ তেওঁ এই চহৰতে নাছিল। আজি টকা দিবলৈ আহিছে। ক'লে-"অ বোলো প্ৰবীণ ডাঙৰীয়া, বহুত দিন হ'ল আপুনি দেখোন দৰ্শনেই নাই দিয়া। কেইবাবাৰো খবৰ পঠিয়াইছিলোঁ, পিছে আপোনাৰ ঘৰৰ ঠিকনাই নাপালে। কেৰাণীবাবু, অলপ চাওকচোন এখেতৰ নামত কি আছে।"

এনেধৰণৰ তাগিদাত প্ৰবীণৰ আঁত শুকাইছিল, কিন্তু আজি তেওঁ এইদৰে বৈ আছিল যেন তেওঁ কিবা কবচ হে পিন্ধিলে, যাৰ ওপৰত কোনো অস্ত্ৰৰ আঘাত হ'ব নোৱাৰে। ক'লে-"এই ৰজা চাহাবৰ তাৰপৰা অলপ ঘূৰি আহোঁ, তাৰ পাছত নি:শ্চিন্ত হৈ বহিম। এতিয়া সময় নাই।" মনোহৰ দাসৰ কেইবাহাজাৰো টকা ৰজাচাহাবৰ পৰা আহিছিল। তথাপি তেওঁৰ পিচ এৰা নাছিল। এট বাকীৰ তিনিতা কিস্তি আদায় কৰিছিল। প্ৰবীণ ডাঙৰীয়াক তেওঁ উচ্চশ্ৰেণীৰ স্থান দিলে, যাৰ পেশাই হ'ল চহকী মানুহ লুট কৰা। ক'লে-"তামোল এখনকে খাই যাওক ডাঙৰীয়া। বোলো ককাইদেউ, ৰজাচাহাবতো এদিনৰহে আমি আকৌ বাৰেটি মাহৰ। কিবা কাপোৰ-কানিৰ প্ৰয়োজন আছে যদি লৈ যাওক। এতিয়াতো ফাকুৱা আহি আছে। সুযোগ পালে ৰজাচাহাবৰ খাজাঞ্চীক অলপ ক'বচোন, পুৰণি হিচাপ-পত্ৰবোৰ বহুত দিনৰ পৰা পৰিয়ে আছে, এতিয়া অন্তত: পৰিস্কাৰ হৈ যাওক। আমিনো এনে কি লাভটো লওঁ যে দুই-দুই বছৰ হিচাপেই নহয়?"

প্ৰবীণে ক'লে-"এই সময়ত আৰু তামোল-চালি থাওক বুইছা, পলম হৈ যাব। মোক লগ পাবলৈ তেওঁলোকৰ

ইচ্ছা আৰু যিহেতু মোক ইমান সন্মান কৰে, গতিকে মোৰ ধৰ্ম হ'ল তেওঁলোকে যাতে মোৰ কাৰণে কষ্ট নাপায়। মই গুণগ্ৰাহকহে বিচাৰো, সম্পত্তিৰ ভোক নাই। কোনোবাই যদি মান দিয়ে তেতিয়াহ'লে তেওঁৰ গোলামী কৰো। কাৰোবাৰ যদি ঐশ্বৰ্য্যৰ অহংকাৰ আছে তাক মই ফিকিৰ নকৰো।"

যেতিয়া প্ৰবীণ ডাঙৰীয়া গৈ ৰজাচাহাবৰ বিশাল ভৱনৰ সন্মুখ পালেগৈ তেতিয়া চাকি চুকা জ্বলিছিল। ধনী আৰু আঢ্যৱন্ত লোকসকলৰ গাড়ীবোৰ দেখা গৈছিল। প্ৰেৱেশদ্বাৰত বৰ্দীধাৰী দাৰোৱান মজুত আছিল। এজন ব্যক্তিয়ে আলহীসকলক আদৰি আছিল। প্ৰবীন ডাঙৰীয়াক দেখি অলপ থেৰো-গেৰো কৰিলে। তাৰপাছত তেওঁক মূৰৰ পৰা ভৰিলৈকে নিৰীক্ষণ কৰি ক'লে-"আপোনাৰ ওচৰত নিমন্ত্ৰণী পত্ৰ আছেনে?"

প্ৰবীণৰ জেপত নিমন্ত্ৰণী পত্ৰ আছিল। কিন্তু এই ভেদভাৱ দেখি তেওঁৰ খং উঠিল। তেওঁকহে কিয় নিমন্ত্ৰণী পত্ৰ বিচাৰিব? আনৰো কিয় নিবিচাৰিব? ক'লে-"নাই, মোৰ ওচৰত নিমন্ত্ৰণী পত্ৰ নাই। যদি আপুনি আন আন ডাঙৰীয়াৰ পৰা নিমন্ত্ৰণী পত্ৰ বিচাৰে, তেতিয়াহ'লে ময়ো দেখুৱাব পাৰোঁ। নহ'লে এই ভেদভাৱক মই মোৰ অপমানৰ কথা বুলি ভাবো। আপুনি ৰজাচাহাবক কৈ দিব, প্ৰবীণ ডাঙৰীয়া আহিছিল আৰু দুৱাৰমুখৰ পৰা ঘূৰি গ'ল।"

"—নাই নাই ভিতৰলৈ ব'লক ডাঙৰীয়া। মই আপোনাক চিনি পোৱা নাছিলো। অভদ্ৰ আচৰণ কৰা বাবে ক্ষমা কৰিব। আপোনাৰ দৰে উদাৰচিতীয়া লোকেহে সভা শুৱনি কৰে। ভগৱানে আপোনাক এনে বাণী প্ৰদান কৰিছে যে কিনো ক'ম।"

এই মানুহজনে প্ৰবীনক কেতিয়াও লগ পোৱা নাছিল। কিন্তু যিখিনি তেওঁ ক'লে, সেইখিনি প্ৰত্যেক সাহিত্যসেৱীৰ বিষয়ে ক'ব পাৰে, আৰু আমাৰ বিশ্বাস যে কোনো সাহিত্যসেৱীয়ে এই প্ৰশংসা উপেক্ষা কৰিব নোৱাৰে।

প্ৰবীণে ভিতৰ সোমাই দেখিলে, বাৰান্দাৰ সন্মুখৰ বিস্তৃত আৰু সুসজ্জিত চোঁতালখন বিজুলী বাতিৰ পোহৰে পোহৰ কৰি থৈছে। মাজতে এটা জলকুণ্ড, তাৰ ওপৰত মাৰ্বল পাথৰৰ এজনী পৰী, পৰীৰ মূৰৰ ওপৰতে এটা ফোঁৱাৰা, ফোঁৱাৰাৰ পানী ৰঙীণ পোহৰেৰে ৰঞ্জিত হোৱা বাবে এনে লাগিছিল, ইন্দ্ৰধনুহে যেন গলি গৈ বৰষিছিল। তাৰ চাৰিওফালে মেজ সজাই থোৱা হৈছিল। মেজবোৰ বগা কাপোৰেৰে ঢকা, ওপৰত ফুলদানী। ৰজাচাহাবে প্ৰবীণক দেখিয়েই আদৰি ক'লে-"আহক, আহক! এইবাৰ হংসত আপোনাৰ লেখনী দেখি অন্তৰ প্ৰসন্ন হ'ল। মইতো আচৰিত হৈ গলো। এই নগৰত যে আপোনাৰ দৰে ৰত্ন লুকাই আছে, জনাই-নাছিলোঁ।"

তাৰ পাছত সমাগত ভদ্ৰলোকসকলক তেওঁৰ পৰিচয় দিবলৈ ধৰিলে-"আপোনালোকে প্ৰবীণ মহাশয়ৰ নাম শুনিছে ছাগৈ, এখেতেই। কি মাধুৰ্য্য, কি দীপ্তি, কি ভাৱ, কি ভাষা, কি কল্পনা, কি চমৎকাৰ, কি প্ৰৱাহ যে ৱাহ! ৱাহ! মোৰ তো আত্মাই নাচিবলৈ ধৰে!"

এজন ভদ্ৰলোকে যিয়ে নেকি ইংৰাজী স্যুট পিন্ধি আছিল, প্ৰবীণক এইদৰে চালে যেন তেওঁ চিৰিয়াখানাৰ কোনো জন্তুহে, আৰু ক'লে-"আপুনি ইংৰাজ কবিসকলকো অধ্যয়ন কৰিছে?-বাইৰেণ, শ্যেলী, কীট্ছ আদি?"

প্ৰবীণে অমনোযোগেৰে উত্তৰ দিলে-"এৰা চাইছোঁ, অলপ অচৰপ।"

"আপুনি এই কবিসকলৰে এজনৰ ৰচনাৱলীৰ অনুবাদ কৰি দিলে দেখোন হিন্দী ভাষাৰ অমৰ সেৱা কৰা হ'ব।"

প্ৰবীণে নিজকে বাইৰণ, শ্যেলী আদিতকৈ কোনোগুণে কম বুলি ভবা নাছিল। তেওঁলোক ইংৰাজী ভাষাৰ কবি আছিল। তেওঁলোকৰ ভাষা, ৰচনাশৈলী, বিষয়-ব্যঞ্জনা সকলোবোৰ ইংৰাজসকলৰ ৰুচিৰ অনুকূল আছিল। সেইবোৰৰ অনুবাদ তেওঁৰ বাবে গৌৰৱৰ কথা নাছিল। ক'লে-"আমাৰ ইয়াত আত্মদৰ্শনৰ ইমান অভাৱ এতিয়াও হোৱা নাই যে আমি বিদেশী কবিসকলৰ পৰা ভিক্ষা বিচাৰিম। মই ভাবো কমকৈ হ'লেও এই বিষয়ত ভাৰতে এতিয়াও পশ্চিমক কিছু শিকাব পাৰে।"

এই কথা অনৰ্গল আছিল। ইংৰাজীভক্ত মহাশয়জনে প্ৰবীণক পাগল বুলি ভাবিলে।

ৰজাচাহাবে প্ৰবীণক এনে চাৱনিৰ চালে যাৰ অৰ্থ-'অকনমান স্থান-কাল চাই কথা কওক। আৰু ক'লে - "ইংৰাজী সাহিত্যৰ কথা ক'বই নালাগে। কবিতাত তেওঁৰ সমকক্ষ কোনো নাই।"

ইংৰাজীভক্ত মহাশয়জনে প্ৰবীণক সগৰ্ব দৃষ্টিৰে চালে "আমাৰ কবিসকলে কবিতাৰ অৰ্থ এতিয়ালৈকে নুবুজিলে। এতিয়ালৈকে বিৰহ আৰু আপাদমস্তককে কবিতাৰ আধাৰ কৰি ৰাখিছে।"

প্ৰবীণে চুঙা চাই সোপা দিলে-"মোৰ ধাৰণা আপুনি বৰ্তমান কবিসকলৰ অধ্যয়ন কৰা নাই, বা কৰিলেও ওপৰে ওপৰে কৰিছে।"

ৰজাচাহাবে এইবাৰ প্ৰবীণৰ মুখ বন্ধ কৰি দিয়াকে নিশ্চিত কৰিলে-"প্ৰবীণ ডাঙৰীয়া, এখেত মি: পৰাঞ্জপে। এখেতৰ লেখনী ইংৰাজী পত্ৰিকাত ছপা হয় আৰু বৰ সন্মানৰ চকুৰে চোৱা হয়।"

ইয়াৰ ইংগিত এইটোৱে আছিল যে এতিয়া আপুনি আবোল-তাবোল নাগাব।

প্ৰবীণে বুজি পালে। পৰাঞ্জপেৰ সন্মুখত তললৈ চাই থাকিব লগা হ'ল। বিদেশী সাজপাৰ আৰু ভাষাৰ ভক্ত জাতিদ্ৰোহী হৈও ইমান সম্মান পায়, এইটো তেওঁৰ বাবে অসহ্য আছিল। পিছে কৰে কি?

সেই এক সাজ-পোছাকৰে আন এজন ভদ্ৰলোক আহিল। ৰজাচাহবে ফটককৈ তেওঁক অভিবাদন জনালে- "আহক ডাক্তাৰ চড্ঢা। কেনে আছে?"

ডাক্তৰ চাহাবে ৰজাচাহাবক কৰমৰ্দন কৰিলে আৰু তাৰপাছত জিজ্ঞাসাপূৰ্ণ দৃষ্টিৰে চাই সুধিলে-"এখেতৰ পৰিচয়?"

ৰজাচাহাবে প্ৰবীণৰ পৰিচয় দিলে-"এয়া প্ৰবীণ ডাঙৰীয়া, এখেত কবি আৰু লেখক!"

ডাক্তৰ চাহাবে এক সুকীয়া ভংগীৰে ক'লে-"হয়! আপুনি কবি?" আৰু একো নুসুধি তেওঁ আগবাঢ়ি গ'ল।

তাৰপাছত সেই একে সাজপোছকৰ আৰু এজন মহাশয় উপস্থিত হ'ল। এখেত আছিল নামী বেৰিষ্টাৰ ৰজাচাহাবে তেওঁৰ সতেও প্ৰবীণৰ পৰিচয় কৰি দিলে। তেখেতেও সেই একে ভংগীতে ক'লে-"হয়! আপুনি কবি ?" তেওঁ আৰু আগবাঢ়ি গ'ল। এই অভিনয়ে কেইবাবাৰো হ'ল। প্ৰত্যেকবাৰেই প্ৰবীণে এই প্ৰশংসাকে পালে-"হয়! আপুনি কবি?"

প্ৰতিবাৰেই এই কথাযাৰে প্ৰবীণৰ অন্তৰত এটা নতুন আঘাত দিছিল, তাৰ অন্তৰালত কি ভাব আছিল প্ৰবীণে তাক ভালকৈ বুজি পাইছিল। তাৰ সহজ-সৰল অৰ্থ আছিল এয়ে যে তুমি তোমাৰ পৃথিৱীত যি কৰিছা কৰা। ইয়াত তোমাৰ কি প্ৰয়োজন? তোমাৰ ইমান সাহস নে যে তুমি বিনাদ্বিধাৰে এই সভ্য সমাজলৈ আহিছা।

প্ৰবীণ পেটে পেটে নিজৰ ওপৰতে অসন্তুষ্ট হৈ আছিল। নিমন্ত্ৰণ পাই তেওঁ নিজকে ধন্য মানিছিল, পিছে

ইয়ালৈ আহি তেওঁৰ যিমান অপমান হ'ল, তাৰ তুলনাত তো তেওঁৰ পঁজাই স্বৰ্গ। তেওঁৰ নিজৰ মনকে ধিক্কাৰ দিলে- তোমাৰ দৰে সন্মান লোভীসকলৰ এয়ে দণ্ড। এতিয়া তো চকু খোল খালে, তুমি কিমান সন্মানৰ পাত্ৰ? তুমি এই স্বাৰ্থময় সংসাৰত একো কামৰ নহয়। উকীল-বেৰিষ্টাৰে তোমাক সন্মান কেলৈ কৰিব? তেওঁবিলাক তোমাৰ ঘৰলৈ মাননি নোহাৰাকৈ আহিবলৈ ইচ্ছা নকৰে। তুমি লিখিবৰ বাবে জন্মিছা, লিখি যোৱা। বচ্ আৰু সংসাৰত তোমাৰ কোনো প্ৰয়োজন নাই।

অকস্মাৎ মানুহবিলাকৰ মাজত উখল-মাখল লাগিল। আজিৰ মূখ্য অতিথিৰ আগমন হ'ল। এখেত হাইকোৰ্টৰ জজৰ পদত নিযুক্ত আছিল। এই উপলক্ষে এনে সমাৰোহ হৈছিল। ৰজাচাহাবে তৎক্ষণাৎ বেগাই গৈ তেওঁক কৰমৰ্দন কৰিলে আৰু প্ৰবীণক আহি ক'ল-"আপুনি আপোনাৰ কবিতা লিখিয়ে আনিছে ছাগৈ?"

প্ৰবীণে ক'লে-"মই কোনো কবিতা নাই লিখা।"

"সঁচা? তেনেহ'লে দেখোন আপুনি বিপদতে পেলালে। হে সাধুপুৰুষ, অন্ততঃ এতিয়া কিবা এটা লিখি পেলাওক! দুই-চাৰিশাৰীয়েই হওক। এনে সময়ত এটা কবিতা পঢ়া আৱশ্যক।"

"মই মিছাতেই ইমানবোৰ মানুহৰ সতে আপোনাৰ পৰিচয় কৰালো?"

"একেবাৰে মিছাতেই।"

"অ ভাইজান, কোনোবা প্ৰাচীন কবিৰে কিবা এট শুনাই দিয়ক। ইয়াত কোনে জানিব।"

"নহ'ব বুইছে, মোক ক্ষমা কৰিব। মই ৰাস্তাই ৰাস্তাই গান গাই ফুৰা মানুহো নহয়, নৰ্ত্তকো নহয়।"

এইখিনি কৈ কৈ প্ৰবীণ ডাঙৰীয়া তৎক্ষণাৎ তাৰ পৰা বাহিৰ ওলাল। ঘৰ পোৱাৰ পাছত তেওঁক উৎফুল্লিত দেখা গ'ল।

সুমিত্ৰাই আনন্দমনে সুধিলে-"ইমান সোনকালে কেনেকৈ আহিলা?"

"তাত মোৰ কোনো প্ৰয়োজন নাছিল।"

"বাৰু, উৎফুল্লিত হৈ আছা, বৰ সন্মান পালা ছাগৈ।"

"এৰা, যেনেকুৱা সম্মান আশা কৰা নাছিলো তেনেকুৱাই পালো।"

"বৰ আনন্দিত হৈছা।"

"এই কাৰণেই যে মই আজি চিৰদিনৰ বাবে শিক্ষা পালো। দীপক আৰু দহনৰ বাবেই মোৰ সৃষ্টি। আজি মই এই তত্বটো পাহৰি গৈছিলো। ভগৱানে মোক আৰু বেচি পথভ্ৰষ্ট হ'বলৈ নিদিলে। মোৰ এই পঁজাই মোৰ বাবে স্বৰ্গ। মই আজি এই তত্ব আবিষ্কাৰ কৰিলো যে সাহিত্য সেৱা সম্পূৰ্ণ তপস্যা।

✦ ✦ ✦ ✦

# ভাষা সংকটত অসমীয়া

**শ্ৰীমতী সংগীতা গগৈ**
প্ৰথম ষান্মাসিক (কলা শাখা)

'অসমীয়া ভাষা' কিমান যে আদৰৰ এই ভাষাটো। অসমীয়া ব্যক্তিয়ে নিজকে অসমীয়া বুলি চিনাকী দিয়ে এই অসমীয়া ভাষাটোৰ জড়িয়তে। এই অসমীয়া ভাষাটোৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে। কিন্তু বৰ্তমান সময়ত অসমীয়া ভাষাটোৱে যেন নিজৰ অস্তিত্ব হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছে।

অপ্ৰিয় হলেও সত্য যে আজিৰ অসমীয়া মানুহে নিজৰ ভাষাৰ সলনি আনৰ ভাষাকহে ভালপোৱা হৈছে। কেৱল ভাষাৰ ক্ষেত্ৰতে নহয়, সংস্কৃতি, ধৰ্ম আদিৰ ক্ষেত্ৰটো এই কথা প্ৰযোজ্য হৈছে। বিশেষকৈ পাশ্চাত্যৰ ভাষা সংস্কৃতিক বৰ্তমান সময়ত মানুহে বেছি গুৰুত্ব দিছে। সেইবাবে আজিৰ মানুহে নিজৰ ভাষাৰ যি মৰ্যাদা সেয়া বজাই ৰখাত অসমৰ্থ হৈছে। এনে এক সময় আছিল যেতিয়া অসমীয়া মানুহে নিজকে অসমীয়া বুলি আনৰ আগত চিনাকী দি গৌৰৱ অনুভৱ কৰিছিল। কিন্তু এতিয়া অসমীয়া মানুহে নিজকে অসমীয়া বুলি পৰিচয় দিবলৈ সংকোচবোধ কৰে। সেয়া আমাৰ অসমীয়া জাতিটোৰ কাৰণে অতি দুখৰ কথা। আজিকালি প্ৰায়সংখ্যকে বিশেষকৈ আমি যুৱচামে সকলো সময়তে অসমীয়া শব্দৰ সলনি ইংৰাজী বা হিন্দী শব্দহে ব্যৱহাৰ কৰি নিজকে আধুনীক বুলি পৰিচয় দিবলৈ অপচেষ্টা কৰোঁ। নিজৰ এটা ধুনীয়া ভাষা থাকোতে আমি আনৰ ভাষাক আদৰি লৈছো; আমি যেন পৰস্ত্ৰীক চকু দি আছো!! সেয়া অতি চিন্তনীয় বিষয়। এইটোও হয় যে নিজৰ ভাষাৰ উপৰিও অন্য ভাষা শিকাৰ আমাৰ প্ৰয়োজন আছে, কিন্তু সেইবুলি আমি আমাৰ নিজৰ ভাষাটোক পাহৰি যাব নালাগে।

নিজৰ মাতৃভাষাৰ প্ৰতি বিমুখ কোনো জাতিয়েই নিজকে সবল জাতি বুলি প্ৰমাণিত কৰিব নোৱাৰে। বৰ্তমান ভাৰতীয় সংবিধানৰ অৰ্ন্তভুক্ত আঞ্চলিক ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাৰ স্থান বৰ শক্তিশালী নহয়। আৰ্ন্তজাতিক সংগঠন, ৰাষ্ট্ৰসংঘ স্বীকৃত ভাষাৰ ৰূপত বাংলা ভাষাক অৰ্ন্তভুক্ত কৰিবলৈ ইতিবাচক হেচাঁ আৰু প্ৰচেষ্টাৰে বিশ্ব সংগঠনটোৰ ওপৰত আলোচনা কৰি থকা হৈছে। সমগ্ৰ বিশ্বৰ ভিতৰতে বাংলা ভাষাৰ স্থান পঞ্চম। সেয়ে আমাৰ চুবুৰীয়া দেশ বাংলাদেশ আৰু পশ্চিমবংগত এচাম ভাষাপ্ৰেমী লোকৰ তৎপৰতা দেখা গৈছে। এনে প্ৰচেষ্টাৰ মূলতে হৈছে তেঁওলোকৰ মাতৃভাষাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু আন্তৰিকতা। পিচে ইয়াৰ তুলনাত আমাৰ অসমীয়া ভাষাটোৱে এক বিপৰীত মেৰুত অৱস্থান লোৱা দেখা গৈছে। নিজৰ ভাষাটোক সঠিক পথ দেখুৱাব নোৱাৰিলে আনাগত দিনবোৰত অসমীয়া ভাষাৰ দুৰৱস্থা আৰু সংকটৰ বাবে আমি নিজকে দায়ী কৰিব লাগিব। অসমৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠানসমূহ পৰ্যবেক্ষণ কৰিলে দেখা যাব যে প্ৰায়ভাগ শিক্ষাথীয়ে নিজ মাতৃভাষা অসমীয়া ভাষাক পাৰস্পৰিক বাৰ্তালাপৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰে। ইয়াৰ বিপৰীতে তেওঁলোকে ইংৰাজী অথবা হিন্দীত বাৰ্তালাপ কৰাটো আধিক সহজ বুলি ভাৱে। অকল শিক্ষানুষ্ঠানৰ চৌহদতেই নহয় বাহিৰৰ জগতখনতো নিজৰ ভাষাটোৰ প্ৰতি তেওঁলোকৰ একেধৰণৰ সহাৰি। এইয়া একাংশ অসমীয়া শিক্ষাৰ্থীৰ স্বভাৱজাত আচৰণ। সঁচাকৈ এয়া বৰ লাজৰ কথা।

অসমীয়া ভাষাৰ স্বকীয়তা আৰু অস্তিত্ব বজাই ৰাখিবলৈ হ'লে এতিয়াৰপৰা আমি প্ৰত্যেকজন অসমীয়াই সচেতন হব লাগিব। যদিহে আমি আমাৰ ভাষাক আগৰ দৰে মৰ্যাদা প্ৰদন কৰিব পাৰো, তেতিয়া হ'লে আমাৰ এই অসমীয়া ভাষাটো কোনোদিনেই হেৰাই নাযাব।

। । জয় আই অসম । ।

যদি সমাজৰ মাজত জীৱন-যাপন নকৰা, তেন্তে সন্ন্যাস লোৱাই শ্ৰেষ্ঠ।

# কৌতুক

গ্ৰাহক: দাদা বহী আছে ?

দোকানী : হয় বহি আছো।

গ্ৰাহক : নহয় আপোনাৰ দোকানত বহী আছেনে?

দোকানী : হয়, মই মোৰ দোকানতে বহি আছোঁ।

**শ্ৰীমতী লনী গগৈ**
স্নাতক প্ৰথম বৰ্ষ

# ৰং

শ্ৰী কাঞ্চনজ্যোতি গোহাঁই
স্নাতক প্ৰথম বৰ্ষ (ৰাজনীতি বিজ্ঞান)

নিৰ্ভুলভাৱে জানো সকলো সম্ভৱ? আকৌ, সম্ভাৱনা থকা ফলত ক্ষমা জানো নহয়? ক্ষমাটোচোন ৰং থাকে। সেই ৰং ন'হ'ব পাৰে ৰামধেনুৰ ৰং, নতুবা বহুৰঙীন পখিলাৰ ৰং। কিন্তু, ৰং সদায় ৰঙেই জীৱনৰ, প্ৰেমৰ, দুখ-সুখ ভূল-ক্ষমা সকলো ৰং। ৰঙীন ৰঙেই জীৱনৰ স্বপ্ন। স্বপ্নহীন জীৱনেই অৰ্থহীন জীৱন।

মই জানো, মোৰ অভাব ভুল। কিয়নো, সত্য অন্বেষণ, সঁচা কথা আজিৰ সমাজত প্ৰযোজ্য নহয়। প্ৰযোজ্য হয় মাথো, দুৰ্নীতি, অসত্য, অপৰাধ, স্বাৰ্থৰ বাবে ত্যাগ ইত্যাদি। এয়াই আজিৰ সমাজ। যিখন সমাজে মোক অপৰাধী বুলি সমাজৰ পৰা বঞ্চিত কৰিছে, মোক অজস্ৰ শাস্তি দিছে। এনে সমাজৰ প্ৰতাৰণা, প্ৰবঞ্চনাৰ মোৰ কোষ উত্তৰ 'আত্মহত্যা' ইও হাঁহি উঠা কথা। এয়া কেতিয়াও সম্ভৱ নহয়, লাগিলে অমৰ জীৱনেই মোৰ বাবে শ্ৰেয়।

এনেদৰেই মানুহজনে কথাবোৰ কৈ যায়। মইও মন দি শুনো। কিয়নো, জানো, সমাজে সেইজন ব্যক্তিকে বঞ্চিত কৰে, যিজন ব্যক্তিৰ গাত নিৰ্দোষ, সত্যতা, বিপ্লৱ, ইবোৰৰ স্বৰূপ ফুটি উঠে। কাৰণ, সমাজ এনেকুৱাই অসত্যয়েই সত্য, দুৰ্নীতিয়েই নীতি। এইবোৰক উদঙাই দেখুৱালেই কোনোবা হয় সন্ত্ৰাসবাদী নতুবা আন কোনোবা মাওবাদী। এয়াই দেশৰ শাসন আধুনিক সমাজব্যৱস্থা।

মানুহজন শাৰীৰিক, মানসিক সকলো দিশেই ভাগৰি পৰিছে। কিন্তু, মুখত বিপ্লৱৰ হাঁহি। আধুনিক সমাজখনক নিকা কৰিবলৈ তেওঁৰ মুখত কঠোৰ বিপ্লৱৰ বাণী তেজৰ সিৰে সিৰে বিদ্ৰোহৰ অৰি। কৈ যায় মোক তেখেতৰ সেমেকি উঠা চকু দুটি, শুকান ওঁঠ, বহু কিবা কিবি অতীত কাহিনী।

আজি বহুদিন হ'ল। অন্ধকাৰতে মোৰ জীৱন। অন্ধকাৰ নামি হয়তো পোহৰ মোৰ জীৱনলৈ কেতিয়াও ঘূৰি নাহে। কিছু দিনৰ কথা, মোৰ এজন ভাই আলফা আছিল। ভাইটি পঢ়াত খুব ভাল। সেইবাবে দেউতাই তাক ডিব্ৰুগড় চহৰৰে এখন উচ্চ মহাবিদ্যালয় অৰ্থাৎ অসমৰ ভিতৰতে দ্বিতীয়খন পুৰণি মহাবিদ্যালয় কানৈ কলেজত নামভৰ্ত্তি কৰি দিছিল। কিন্তু, ডিগ্ৰী প্ৰথমবৰ্ষ যাওঁতেই দেউতা ঢুকাল। ভাইটিয়েও পঢ়া শুনাত মন নিদিয়া হ'ল। মায়ে দেউতা চাকৰিৰ পেঞ্চনৰ টকা বিচাৰি বহু অফিচাৰক আ-অলংকাৰ বিক্ৰী কৰিও পইচা দিছিল। যদিও পইচাবোৰ অফিচাৰৰ ভোজন হ'ল কিন্তু একো গুটি নধৰিল। মায়ে নিজৰ কপালখনকে দোষাৰোপ কৰি আৰু পেঞ্চনৰ টকা বিচাৰি ন'গল। ভাইটিয়ে টকা-পইচাৰ অভাৱত পঢ়া-শুনা সামৰি থ'লে। তাৰ পিছৰ পৰাই সি কেৱল নিৰ্জনতাই ভাল পোৱা হ'ল। কেতিয়াবা নৈৰ পাৰত, কেতিয়াবা দলং, জান জুৰিৰ পাৰতেই জুপুকা মাৰি থাকে কি ভাবে সি, নাজানো, একো নাজানো।

কিছুসময় বৈ মোৰ মুখলৈ চাই পুনৰ কয়-তোমাৰো হয়তো মনত আছে। ইতিহাসৰ পাতত থমকি যোৱা তিনিচুকীয়া কাকপথাৰৰ অন্য এক লিপিবদ্ধ ঘটনা। যিটো ঘটনাত কাকপথাৰৰ সহস্ৰজনে বহু আপোনজনক হেৰুৱাবলগীয়া হৈছিল। সেই নিষ্ঠুৰ প্ৰশাসন নতুবা ৰক্ষকে কিমানজনক ৰঙা তেজ ভক্ষন কৰিছিল, সন্ধিয়াৰ ৰঙা ৰঙতে ৰঙা তেজেৰে কিমান যে ফাকু খেলিছিল মনত আছে জানো তোমাৰ? সেইবোৰ ঘটনা। আছে জানো? মানুহজন

ফেকুৰি উঠে, মোৰো সেই অতীত ঘটনালৈ মনত পৰে। সঁচা, মানুহজনে সঁচা অতীত স্মৃতিয়েই সোঁৱৰিছে। কিমানজনৰ যে গাৰ ওপৰেদি ৰোলাৰ গাড়ী চলিছিল, কিমানজনৰ যে ৰঙা তেজেৰে চৰকাৰী পকী ৰাস্তা ধোৱাই পেলাইছিল। সেই দৃশ্য হয়তো কাৰোবাৰ অবাস্তব যেন লাগিলেও কিন্তু একেবাৰে সত্য।

মানুহজনে পুনৰ ক'বলৈ আৰম্ভ কৰে। মোৰ ভাইজন সেই গণবিপ্লবতে সন্ত্ৰাসবাদীলৈ পৰিণত হ'ল। সন্ধিয়াৰ সূৰুযৰ ৰঙীন কিৰণতে মানুহৰ ৰঙা তেজ শিৰত লৈ হেৰাই গ'ল মোৰ ভাইজন। ক'ত গ'ল একো নাজানো। জানো অথবা শুনোহে মোৰ ভাই আলফা। ভাইক অসমৰ স্বায়ত্ত শাসন লাগে, নায্য প্ৰাপ্তিৰ অধিকাৰ লাগে। এইবিলাক বিচাৰি যাঁওতেই প্ৰশাসনৰ মনত আলফা, সন্ত্ৰাস্বাদী নতুবা উগ্ৰপন্থী। মানুহজনে চিঞৰি উঠে! মোৰ কিন্তু অজব ভয়ও লাগে। মানুহজনে শান্ত হৈ পুনৰ কয়-

তেতিয়াৰ পৰাই মা মুখত হাঁহি নাই। পিৰালিতে আমন জিমনকৈ বহি থাকে। ভন্টিয়ে মাক শান্তনা দিবলৈ চেষ্টা কৰে যদিও মা একেৰূপতে থাকে। কেতিয়াবা মিলিটেৰী বোৰ গেৰা গেৰে ঘৰলৈ সোমাই আহে। কেইজনমানে সোধে-"আলফা কহা হে? বুঢ়িয়া, আপকা বেটা কঁহা পৰ ৰহতা হে?" ডেকা গোৰা সেনা কেইজনে ভন্টিক দেখি ইজনে সিজনক কয়-"লৰকী সুন্দৰ অৰ মাচুম থা কিয়া তেৰা পচন্দ আয়া!" সিহঁতে হাঁহে, মোৰ অজব খং উঠে। মোক গাত ঢকিয়াই কয়-"কেইচা হে আপ?" সিহঁত বতাহৰ দৰেই আহে বতাহৰ দৰেই বেগাই যায়। তেনে বতাহৰ কোবত প্ৰচণ্ড জোৰে কেৱল মায়েহে অন্তৰত আঘাত পায়। বিচনাত পৰি চিঞৰি চিঞৰি কান্দে-"হে ভগবান, মোক কি কৰিবলৈ জীয়াই ৰাখিছা? মই কি পাপ কৰিছিলো? মোক কিয় সংসাৰত এনে যন্ত্ৰনা দিছা ভগবান"। মায়ে এনেদৰে কান্দিলে ভন্টি আৰু মইও কান্দি উঠো। কেতিয়াবা এই কথাবিলাক ভাবি ভাবিয়েই আমি তিনিওটাই লঘোনতে ৰাতি কটাও। ক'ৰবাত কেতিয়াবা গুলিৰ শব্দ শুনিলে মায়ে থতমতকৈ বিচনাৰ পৰা উঠি পদুৰ দৰেই কাণ থিয় কৰে। মোৰ সৰু পুতাই, মোৰ সোণ বুলি বাহিৰলৈ ওলাই যায়।

মা জনী সঁচাই বৰ দুখুনী অ'। সেই নিশা জোনেও পোহৰ নিদিয়ে তৰাবোৰকো নিয়ঁৰে ঢাকি ৰাখে। 'জোনাক বিচাৰি হাবাথুৰি খোৱা মা জীৱনটো সঁচাই জোনাকহীন। 'মা' জনী দিনক দিনে বুঢ়ী হৈ গৈছে। বোৱাৰীতে মূৰৰ সেন্দুৰকণটো হেৰালেই এতিয়া পুত্ৰশোকত মূৰৰ চুলিত তেল অকণো নমঁহা হ'ল। ঘৰৰ এনে পৰিস্থিতিত ঘৰৰ দায়িত্বভাৰ ময়েই ল'লো। ব্যৱসায় কৰিলো আনফালে জাতীয় সংগঠন এটাটো যোগদান কৰিলো। বিপ্লব নতুবা সংগ্ৰাম কৰি ভাল লাগে, যদি সেই বিপ্লৱত প্ৰকৃত ন্যায় আৰু সত্যতা থাকে। কিন্তু সেই সংগঠনটোৰ যি ফোপোলা স্বৰূপ ক'বলৈ লাজেই লাগে। সমাজৰ উন্নতিৰ নামত বৰ বৰ বাণী-

"ৰহমৰীয়া গৰাখহনীয়া অতি শীঘ্ৰেই সমাধান কৰক'।

"অসমক স্ব-নিয়ন্ত্ৰণৰ অধিকাৰ দিয়ক'

"বাংলাদেশী বৰ্জন কৰক"- ইত্যাদি ইত্যাদি। এইবোৰৰ নামতেই সদায় অসম বন্ধ। এয়া সংগঠনটোৰ এটা পিঠি, আনটো পিঠিত সমাজৰ উন্নতিৰ নামত টকা লুন্ঠন অন্য কিছুমান বৃহৎ দুৰ্নীতি। এইবোৰ উদঙাই দেখুৱাবলৈ যাঁওতেই সংগঠনটোৰ আটাইতকৈ বেয়া মানুহজনেই মই। সেইগতিকে সংগঠনটোৰ পৰা বাহিৰ হ'লো। সমাজৰ এটা অংশৰ পৰা বৰ্জিত হ'লো।

মানুহজনে অলপ সময় নকো নকোৱাকৈ থাকে। মই ভাবিছিলো তেওঁ আৰু একো ন'কব ছাগে। কিন্তু, ক'ৰবালৈ একান্তহে চাইও মানুহজনে পুনৰ কয় তাৰ জীৱনৰ অন্য এক ঘটনা।

সেইসময়ত ভন্টি হাইছেকেণ্ডেৰী ফাইনেল পৰীক্ষা দিয়া সময়। ঘৰৰ এনে পৰিস্থিতিত ভন্টিয়ে পঢ়িব নোৱাৰে। মইও ঘৰৰ চাউল-পাত কেইটাৰ বাদে আন একো অৰ্জন কৰিব নোৱাৰো। ব্যৱসায়তো ইমান লাভ নহয়। সেয়েহে মোৰ বন্ধু এজন এখন মহাবিদ্যালয়ত ইংৰাজীৰ অধ্যাপক কৰিছিল। তাকে কেইদিনমান ভন্টিক পঢ়াই দিবলৈ কৈছিলো। সিও মোৰ কথামতে ভন্টিক কেইদিন চাই দিছিল। কিন্তু এদিন সেই বিশ্বাসী বন্ধুজনে যি অঘটন ঘটালে, ভন্টিক কোঠাৰ ভিতৰত সোমোৱাই ধৰ্ষণ কৰিলে। ফটা কাপোৰত ৰঙা দাগেৰে ভন্টি কান্দি কান্দি ঘৰ ওলালেহি। কোনো দিনেই মোৰ মুখে মুখে কথা নোকোৱা ভন্টিয়ে মোক অপমান সহকাৰে চিঞৰি চিঞৰি ক'লে-"এয়াই আছিল নেকি দাদা, তোৰ বিশ্বাসী বন্ধু? মোৰ শ্ৰদ্ধা পাত্ৰৰ শিক্ষক? যিজনে মোৰ জীৱনটোৱেই মূল্যহীন কৰি পেলালে"।

মই হতবাক হ'লো। কি কৰো উপায়বিহীন আৰক্ষীৰ ওচৰত গোচৰ দিলো যদিও আৰক্ষীয়ে পইচা পাই প্ৰকৃত ন্যায় বিচাৰ নকৰিলে। দোষীক শাস্তি নিদিলে। আনফালে ভন্টিয়ে সতীত্ব হেৰুৱাৰ দোষত আত্মহত্যা কৰিলে। সমাজত মেল চপোৱা হৈছিল কিন্তু সেইজনে মেলেকীসকলক পইচা দি সাক্ষী মন্তব্য দিয়ালে যে টকাৰ অভাৱত ভনীয়েকক অধ্যাপকজনৰ ওচৰত বিক্ৰী কৰিছিল। এনে সম্পূৰ্ণ মিচা কথাত মই সচাঁই নিৰ্বাক হৈ পৰিলো। সমাজে বিচাৰ আৰু সিদ্ধান্ত ল'লে যে এনে ব্যক্তিক সমাজত স্থান দিব নোৱাৰি যিজন ব্যক্তিয়ে সমাজ সংস্কাৰৰ নামত নিজা ভগ্নীক বিক্ৰী কৰে। সেইগতিকে সমাজত বৰ্জন কৰাৰ ওপৰিও গাঁৱৰ পৰা উলিয়াই পঠাব লাগে।

সেয়েহে আজি মোৰ এয়া কুকুৰৰ সদৃশ ফুটপাথৰ জীৱন। কি ক'ম আৰু মই তোমাক মোৰ জীৱনৰ কথা? মানুহজনে ফেঁকুৰি ফেঁকুৰি কান্দে। মোৰো সেই মানুহজনক দেখি অতিশয় বেয়া লাগিছে। কিয়নো মইও যে একো সমাধান সূত্ৰ দিব নোৱাৰো।

এটা দীৰ্ঘ হুমুনিয়াহ কাঢ়ি কয়-এতিয়া নাই মোৰ কোনো নাই। কিন্তু, যেতিয়া মই চকুৰ আগত ক'ত সন্ত্ৰাসবাদীক খেদি খেদি পশুৰ দৰে গুলীয়াই হত্যা কৰা দেখো; ক'ত জীয়ৰীক এই মহানগৰীত ধৰ্ষিতা হোৱা দেখো আৰু 'মা' সমবয়সৰ ক'ত বিধবা নাৰীক প্ৰবঞ্চনা প্ৰতাৰণা কৰা দেখো, তেতিয়াই মোৰ হৃদয়ে ঢেঁকীত ধান বনাদি বানে। হৃদস্পন্দন কমে উশাহ নিশাহে বন্ধ হৈ যায়। এনে হৃদৰোগতে মই ছাগে কেতিয়াবা স্বৰ্গী হ'ম। সমাজলৈ শান্তি আহিব, সকলো মানুহেই হাঁহিব। তুমি হাঁহিবা আৰু তুমিও সুখী হ'বা নহয় জানো?

✦ ✦ ✦ ✦

সঁচা অতীত স্মৃতিয়ে
চৰকাৰী পকী ৰাস্ত
।
বিপ্লবতে সন্ত্ৰাসবাদী
ৰ ভাইজন। ক'ত গ
গে, নায্য প্ৰাপ্তিৰ অ
মানুহজনে চিঞৰি

নকৈ বহি থাকে। ত
ৰা গেৰে ঘৰলৈ সে
," ডেকা গোৰা সে

# একাদশী

খিলনজ্যোতি ধাদুমীয়া

হাতত থকা দহটকীয়া তিনিওখন নোটৰ ফালে সি চালে, 'ও আজি নিশ্চয় দুখন নোটেই ভাঙি যি কলহটোত ভৰাব পাৰিব। টেকেলিটোত থকা খুচুৰা পইচাখিনিৰ ওজন আজি আৰু অলপ বাঢ়িব। তাকো এটকীয়া কৰি ললে বিছটাই হব। অৱশ্যে সি নাজানিছিল কথাটো, পিতৃহেন ৰমাকাইহে তাক এদিন সুধিছিল, 'কি কৰ তই পইচাবোৰ? খাবলৈতো পাৱই কি বাৰ তই?' সি তলমূৰ কৰিসেমেনা সেমেনাকৈ কৈছিল, 'কিনো কৰিম আৰু ৰমাকাই। শেষেই হৈ থাকেচোন। শনিবাৰে কেতিয়াবা হাটলৈ যাঁও। গাঁৱৰ পৰা কোনোবা আহে নেকি চাবলৈ যাঁও। যাওঁতে আঁহোতে বিছটকামান যায়গৈয়েচোন। এনেকৈ নৰয়গৈ চোন হাতত।' কথাযাৰ শেষ হবলৈ পোৱাই নাছিল, ৰমাকাই তাৰ মুখলৈ খঙৰ দৃষ্টিৰে চাইছিল, সি তলমূৰ কৰিছিল। সেইদিনাই ৰমাকাই তাক বুদ্ধিটো দিছিল।

প্ৰথম কেইদিন হৰিৰ বৰ ওঁকা ওঁকা লাগিছিল, কিয়নো সি আচলতে বুৰ্বকামি কৰি হাতত থকা পইচা কেইটা ভাঙি ভৰায়েই পেলাইছিল। আজিকালি সি ভাৱিবলৈ শিকিছে, কল্পনা কৰিবলৈ শিকিছে। সি ভাৱিছে যে সি এইবাৰ বিহুৰ ওচৰতেই ঘৰ যাব। মাক আৰু ভনীয়েকলৈ সি কিবা এটা হলেও লৈ যাব। ভনীয়েকজনী আজি কিজানি বহুতেই ডাঙৰ হল। নাই, সি ঘৰ যাবই, কিন্তু তাৰ ঘৰ! যিটো এতিয়া ভালকৈ নাজানে তাৰ এতিয়া ঘৰ ক'ত। ক'ত বাৰু আছে তাৰ মৰমৰ মাক আৰু ভনীয়েক ৰুমা। সিহঁতৰ আগৰ ঘৰটো অৰ্থাৎ নদীখন আৰু ৰাস্তাটোৰ মাজত থকা ঘৰটোৰ কথা এতিয়াও তাৰ ভালকৈ মনত আছে। ৰমাকাইহে এদিন কৈছিল তাক যে নদীখনৰ খহনীয়াই চৰবিলাক কহাই নি এতিয়া ৰাস্তাটোও যাঁও যাঁও অৱস্থা হৈছে। ঘৰবোৰৰ কথা ৰমাকাইয়ো নাজানে। সিও যিমানে জানে, বাকী একোৱে নাজানে।

তাৰ পাছতে সি যেন হৈ পৰিল, খুড়াহঁতৰ ঘৰৰ এজন সদস্য। অৱশ্যে খুৰাৰ বাবেহে সি সদস্য। সিও কেতিয়াবা খুড়াহঁতৰ ঘৰৰ সদস্য বুলি অনুভৱ কৰিব বিছাৰে যদিও সেই ক্ষেত্ৰত লগে লগে বহু বাধা আহি পৰে। কোনেও নেদেখাকৈ কেতিয়াবা খুড়াই তাৰ মূৰত মোহাৰি মোহাৰি কয়, 'তই কেনে আছ হৰি? পিছমুহূৰ্তত এটা তীক্ষ্ণ বাক্যই খুৰাৰ সৰ্বশৰীৰ বিন্ধি নিয়ে।' কি হ'লনো, তাক মৰম কৰিলোৱেই যেনিবা, তাতে কি হয়! 'জাত-পাতৰ চিন নথকা এটা লৰাক আপোনাৰ নিচিনা এজন মানুহে মুৰত মোহাৰিবলৈ আপোনাৰ লাজ নালাগে? আপোনাৰ নিজৰ সন্মানৰ কথাও এবাৰ মনত নপৰেণে?' 'এৰা!' মনেৰে একো ক'ব নিবিছাৰিলেও মুখেৰে তাকে কৈ ডাঙৰ কন্যাৰ পৰা আৰু তিলমাত্ৰও কথা শুনাৰ আশা নকৰে। এয়া খুড়াৰ নিয়ম, অৱশ্যে কৰ্তব্য বুলিলেও মিছা কোৱা নহয়।

সিও নুবুজা নহয়। এতিয়া সি অন্তত পোন্ধৰ বছৰীয়া হ'লহি। এতিয়া তাৰ অন্তৰে দুখ-বেদনা আদিক ভালদৰে বুজি পায়। কেতিয়াবা কৰবালৈ গুছি যাবৰ মন যায়, যত এটা সুন্দৰ ঘৰত, মাক আৰু ভনীয়েক থাকিব, সপোন দেখিব। প্ৰতি মুহূৰ্ততে সিহঁতৰ ঘৰটো ৰামধেনুৰ সাত ৰঙেৰে উজ্বলাই ৰাখিব, কিন্তু!! অৱশ্যে খুড়ায়েও তাক কেতিয়াবা খং নকৰা নহয়। গ্ৰাহকৰ পৰা অসন্তুষ্টি লাভ কৰি থকা অৱস্থাত কেনেবাকৈ খুৰাই উপস্থিত হলে গালিটো সিয়েই খায়, ৰমাকাই নাখায়। ৰমাকাইক গালি পাৰিবৰ মন নাযায় তেওঁৰ, কিয়নো দুয়োজনৰ বয়স নিশ্চয় সমানেই হ'ব। ৰমাকাই অৱশ্যে দাৰিদ্ৰৰ ৰোষত পৰা হেতুকে চেহেৰাটো খুৰাতকৈ ডাঙৰ যেনহে অনুভৱ হয় তাৰ। আনহাতে

কাউন্টাৰত বহা দেবেনক খুৰাই কিবা কব থাকিলেও নকয়। তাৰো এক কাৰণ নথকা নহয়। কাৰণটো খুৰায়ো জানে। আগতে খা-খবৰ লবলৈ খুৰাই বেছিকৈ আহিছিল, আজিকালি ডাঙৰ কন্যা সুবালা আহে তইয়ে দেউতাকক আহিবলৈ মানা কৰে। কিয়নো লাহে লাহে দেবেনৰ লগত সুবালাৰ সম্পৰ্ক চাপি আহিছে। সেয়া খুৰাই নালাগে, সকলোৱে লক্ষ্য কৰিছে। খুৰাই সিমান এটা বেয়া পোৱা নাই যদিও ভাল চাকৰি বাকৰি নথকা দেবেনক লৈ যে সুবালা সুখী হব, সেই সম্পৰ্কে তেওঁ নিশ্চিত নহয়। তথাপি সুবালাৰ নিচিনা এজনি কেৱল প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীণ ছোৱালীয়ে তাইৰ তুলনাত শিক্ষিত দেবেনলৈ বিয়া হলেও তেওঁ অসন্তুষ্ট নহয়। আনহাতে সুৱালাৰ আগৰ কথাটো দেবেনে নিশ্চয় নাজানে। হায়াৰ-ছেকেণ্ডাৰী ফাৰ্ষ্ট-ইয়েৰত দুদিন মান যোৱাৰ পাছতে তাই মুছলিম সম্প্ৰদায়ৰ লৰা এজনলৈ পলাই গৈছিল। কিন্তু কথাই বিশেষ ৰূপ লোৱাৰ আগতেই তেওঁ কন্যাক ঘূৰাই লৈ আহিছিল। সদায় কেৱল বংশ পৰিয়ালৰ গৰ্বত থকা খুৰাই বহুত দুখ পাইছিল মনত। গতিকে ঘৰত বহি থকাতকৈ ল'ৰা এটালৈ সুবালা বিয়া হোৱাটো বিছাৰে, যিমান সোনকালে হলেও আপত্তি নিদেয়ে তেওঁ। ইয়াত তেঁওৰ আগৰ দৰে সন্মান হানি হোৱাৰো আশা নাই। ইফালেও দেৱেন বি কম এটা বছৰ পঢ়িছিল হেনো, সেয়েহে॥.........।

খুৰাই চাকৰি কৰে ৰেলৱেত। বহুত টকা তেঁওৰ। সৰু বাণিজ্যিক চহৰখনৰ মাজমজিয়াতে আকৌ তেঁওৰ দামী ৰেষ্টুৰেন্টখন। অৱশ্যে বৰ ডাঙৰ নহয় ৰেষ্টুৰেন্টখন, মুঠতে দিয়া মেলাত ৰমাকাই আৰু হৰিয়ে আৰামত চলাব পাৰে। আনহানে কাউন্টাৰত দেবেন থাকেই। ভিতৰত বনোৱা-মেলা কৰা দুজন বেলেগ। দুয়োজন বিহাৰী সম্প্ৰদায়ৰ। তেঁওলোকে গধুলি সাত মান বজাত কাম ছুটী কৰে। তেওঁলোক যায়গৈ। দেবেনো গ্ৰাহক আহি শেষ হোৱাৰ সম্ভাৱনা দেখিলেই হিচাপ-নিকাচ কৰি মটৰ চাইকেল ষ্টাৰ্ট কৰে। হৰি আৰু ৰমাকাই ৰৈ যায়, কিয়নো॥.............

'নন্দিনী ৰেষ্টুৰেন্ট'। চহৰখনৰ মাজমজিয়াত থকা এখন আটকধুনীয়া ৰেষ্টুৰেন্ট। প্ৰায় দহখনমান টেবুলৰ চাৰিওকাষে চাৰি চকীসহ ৰেষ্টুৰেন্টখন সম্পূৰ্ণ। ৰেষ্টুৰেন্টৰ দুখন বেৰৰ দুখন ফলকত সদায় ওলমি থাকে সামগ্ৰীবোৰৰ দৰৰ তালিকা। বস্তুবোৰৰ দামৰ কথা ভাৱি সি কেতিয়াবা কল্পনাৰ সাগৰত উঠি যায়। যদিহে॥.............

ৰেষ্টুৰেন্টখন হোৱা বেছি দিন হোৱা নাই। চাৰি বছৰমান হৈছে। খুৰাৰ কণিষ্ঠা কন্যা নন্দিনীৰ অকাল মৃত্যুত তেওঁ ৰেষ্টুৰেন্ট খন খুলিছিল। তাত কাম কাজ কৰিবৰ বাবে তেঁও মানুহ বিছাৰিছিল। হঠাৎ তেঁও ৰমাকাইক পাইছিল আৰু কথাটো কৈছিল, "তুমি মোৰ ইয়াতে থাকা, পাৰিলে মোক আৰু এজন বিছাৰি দিয়া।' হৰিহঁতক চিনি পোৱা হেতু ঘৰতে এনেয়ে থকা হৰিকে অনাটো ভাল হব বুলি বিবেচনা কৰি ৰমাকাই তাক লৈ আনিলে। সি অহাৰ দিনা সি আৰু মাকে খুউব কান্দিছিল, কিন্তু ৰুমাইতো বুজিব পৰা হোৱাই নাছিল ভালকৈ।

আৰু আজি! সেই দহ-এঘাৰ বছৰৰ নাকত হেঙুন ওলমি থকা হৰি, আজি নিজৰ কানি-কাপোৰ ধুব পৰা হ'লগৈ। প্ৰথম বহুদিন ৰমাকাইহে ধুই-মেলি দিছিল। সেয়েহে ৰমাকাইৰ ওচৰত সি আজীৱন কৃতজ্ঞ।

ৰমাকাই এদিন সুধিছিল তাক, 'তই বাৰু আখৰ পঢ়িব জাননে? সি কৈছিল, 'ওহোঁ'। কেৱল অ, আ কেইটা চিনি পাঁও। দেউতা থাকোতেই স্কুললৈ গৈছিলো, তাকো অকল চাৰি দিনমানহে হ'ব। তাৰ পিছতনো দেউতা.......... বাকীডোখৰ সি কব পৰা নাছিল, সি ওচুপিছিল। ৰমাকাই তাৰ মূৰত মোহাৰি কৈছিল, নাকান্দিবি, মই আছো নহয়। সেইদিনাই ৰমাকাই তাক আখৰ শিকাব আৰম্ভ কৰিছিল। হৰিৰ দৰেই তেওঁৰ দেউতাকৰো মৃত্যু হৈছিল অসম আন্দোলনৰ সময়ত, তেতিয়া ৰমাকাই ক্লাছ টেনত আছিল। আৰু আজি, দুই জনো একোটা ক্ৰমৰিৱৰ্তিত পথৰে পথিক।

ৰেষ্টুৰেন্টখনত মুঠতে তিনিটা কোঠা আছে। প্ৰথম ডাঙৰ কোঠাটো কলা আইনা থকা। সেয়াই গ্ৰাহক বহা কোঠা। এই কোঠাটোৰ দুৱাৰমুখতে এখন ডাঙৰ টেবুল লৈ দেবেন বহি থাকে। তাৰ পিছৰ ৰুমটোও এইটোৰ দৰেই আহল-বহল। সেইটোতে সকলো কাম কাজ হয়। বিহাৰী মানুহ দুজনে তাতে বহি দিনটো ব্যস্ত থাকে খাদ্য প্ৰস্তুত কৰা কামত। আৰু তাৰ পিছফালে লাগি আছে এটা সৰু অপৰিস্কাৰ কোঠা। সেয়াই ৰমাকাই আৰু হাৰিৰ বাসস্থান। তাতে সিহঁত থাকে, তাতে সিহঁতে সিহঁতৰ জীৱন মূল্যাংকন কৰে।

সি আগতে হাফপেন্টেই বেছিভাগ পিন্ধিছিল, এতিয়া লংপেন্ট পিন্ধে। অৱশ্যে একেবাৰে হাফপেন্ট বাদ দিলে, বেয়া নহয়। তাৰ লংপেন্ট মাত্ৰ এটাই আছে, চাৰি পাঁচঠাইত টাপলি মৰাও আছে । তথাপি সেইটো তাৰ বাবে মূল্যবান আৰু অতি প্ৰিয় পেন্ট। কিয়নো কেনিবা গলেই সি সেইটোৱেই পিন্ধিব লগা হয়। এদিন খুৰাই তাক হাফ পেন্টতকৈ অলপ দীঘল আৰু লংপেন্টতকৈ চুটি পেন্ট এটা আনি দিছিল। খুৰাই তাক কৈছিল, 'হু, এইটো থ্ৰী কোৱাৰ্টাৰ।' সি ফুটুৱাব পৰা নাছিল শব্দ দুটা। পিন্ধি বেয়া পোৱা নাছিল যদিও, বিভিন্ন ঠাইত পকেট থকা পেন্টটো পিন্ধি সি অলপ অস্বস্তি অনুভৱ কৰিছিল। পেন্টটো ভালকৈ জাপি-কুচি এট পলিথিনৰ বেগত ভৰাই বেৰত ওলোমাই থৈছিল। আৰু থোৱাৰ প্ৰায় ডেৰমাহমান পাছতহে আচল ঘটনাটো ঘটিছিল। সি হাটলৈ যাব বুলিয়েই পেন্টটো ওলিয়াইছিল, কিন্তু পেন্টটোৰ বেছিভাগেই নিগনিয়ে কুটি পেলাইছিল। সি কান্দিছিল, সেই সময়ত তাক সান্তনা দিবলৈ ৰমাকাইয়ো কাষত নাছিল।

ৰমাকাইৰো সুখ-দুখৰ সমভাগী কেৱল হৰিয়েই। হৰিকে কয় তাৰ জীৱনৰ কথা। "জান, মোৰ বৰ মন আছিল দেশক সেৱা কৰা, দেশৰ হকে কাম কৰা। ভাবিছিলো মেট্ৰিকটো পাছকৰি মিলিটাৰিত যাম। দেউতায়ো মোৰ আশাক সমৰ্থন কৰিছিল। সদায় ভালকৈ পঢ়িবলৈ উৎসাহ দিছিল। ভালকৈয়ে পঢ়িছিলো মই। এল পি স্কুলৰ পৰা প্ৰায় মই প্ৰথম বা দ্বিতীয় হৈ পাছ কৰিছিলো। চতুৰ্থ শ্ৰেণীত মই বৃত্তিও পাইছিলো। মোৰ দেউতা হকাৰ আছিল। পুৱতি নিশাই পুৰণি বাইচাইকেল খন লৈ তেঁও ওলাই গৈছিল। অৱশ্যে দহমান বজাত তেওঁৰ কাম শেষ হৈছিল। সেই সময়ত অসম আন্দোলনৰ জুই সমগ্ৰ অসমত জ্বলি উঠিছিল। সৰ্বফালে কেৱল হুলস্থুল। এদিন বাতৰি কাকতত কাৰোবাৰ বিষয়ে বৰ বেয়াকৈ লিখা হৈছিল। পিছদিনা গোটেই অসমতে তেওঁলোকে বাতৰি জ্বলোৱাৰ সিদ্ধান্ত লৈছিল। সকলো জানিও নিজৰ কামত অৱহেলা কৰিবলৈ কোনোদিনে নিবিছৰা দেউতাই পিছদিনা পুৱাই বলি হ'ব লগা হৈছিল কোনোবা ঘাটকৰ হাতত। সেইদিনা কান্দিব খুজিও মই কান্দিব পৰা নাছিলো। মা কান্দি কান্দি বাউলী হৈ পৰিছিল। ঘৰৰ পৰা ওলাই গৈছিল মা। আনকি দেউতাৰ শ্ৰাদ্ধৰ দিনাও আমি মাক বিছাৰি পোৱা নাছিলো।

এবছৰমানৰ পিছত মাৰ খবৰ পাইছিলো ইখন জিলাৰ পৰা। কিন্তু মা জীৱিত হৈ থকা নাছিল। মা কোনদৰে মৃত্যু হৈছিল, আজি পৰ্যন্ত নাজানিলো মই। এটা ৰেলষ্টচনৰ কাষত মাৰ মৃতদেহ পাইছিলো। মোতকৈ বহুত সৰু ভন্টীজনীৰ বাবেই মই কেৱল জীয়াই থাকিব বিছাৰিছিলো। মই ক্লাছ টেনতে পঢ়া বাদ দিছিলো আৰু জীৱনত বিয়া নকৰাৰ সিদ্ধান্তও লৈ পেলাইছিলো।"

কথাখিনি কৈয়ে হৰিৰ আগতে ৰমাকাই খুউব কান্দিছিল। ৰমাকাইৰ দৰে এজন মানুহেও যে এটি শিশুৰ দৰে উচুপিব পাৰে, সেয়া হৰিৰ কল্পনাৰো আগাচৰ আছিল। হৰিয়ে নিজৰ কথাও ভাৰি ৰমাকাইক সাৱতি ধৰি কান্দিছিল। দুয়োটাই ইমান কান্দিছিল, শেষত দুয়ো অৱশ হৈ পৰিছিল।

ইয়ালৈ অহাৰ দুবছৰমান আগেয়ে ৰমাকাইয়ে ভনীয়েকক বিয়া দিছিল। সেইদিনা ঘৰখনত আনন্দৰ সলনি কান্দোনৰ যেন প্ৰতিযোগিতাহে চলিছিল।

আৰু হৰি! একোৱে পঢ়িব লিখিব নজনাৰ পৰা আজি অসমীয়া সম্পূৰ্ণভাৱে পঢ়িব আৰু লিখিব পৰা হৈছে। ইংৰাজীও অলপ-অচৰপ পঢ়িব পৰা হ'লগৈ। হিন্দী আকৌ বাধ্যত পৰি কবলৈ শিকিছে। ইয়াৰ কিন্তু নৱৈৰ শতাংশই ৰমাকাইৰ অৰিহনা, সেয়ে ৰমাকাইৰ প্ৰতি প্ৰতিমুহূৰ্তত তাৰ অন্তৰত শ্ৰদ্ধাৰে উপচি থাকে। খুৰাকো সি দেৱতাহেন জ্ঞান কৰে। এই খুৰাই তাক অন্য এক জীৱন দিছে। খাবলৈ ভাত, শুবলৈ বিছনা আনকি পিন্ধিবলৈ কাপোৰো দিছে। কেৱল সেয়াইতো নহয়, সপ্তাহ দহদিনৰ মূৰত খুড়াই প্ৰায়ে তাক ত্ৰিশ টকামান দিয়ে। আৰু ৰমাকাইৰ বুদ্ধিমতে আজি সৰু সৰু তিনিটা কলহ সম্পূৰ্ণ কৰিলেগৈ। সি কেতিয়াবা ভাৱে, 'কিমান হব বাৰু?' চোৰ হব বুলি সি ভয় নকৰাও নহয়।

নাই এইবাৰ বিহুত সি ঘৰ যাব, মানে যাবই। কাৰোবাক সুধি সুধি হলেও সি তাৰ মাক আৰু ভনীয়েকক বিছাৰি ওলিয়াবই লাগিব। ৰমাকাইক কলে কথাটো, লগতে খুৰাকো কলে। কোনোৱে আপত্তি নকৰিলে। খুৰাই অৱশ্যে এইটো কলে যে বিহুৰ সময়ত ভিৰ অলপ বেছি হয়। পৰাপক্ষত সোনকালে ঘুৰাৰ চেষ্টা কৰাটো ভাল। এইকেইদিনৰ বাবে বেলেগ লৰা এটাক ঠিক কৰি লব বাৰু। ঘৰ যাব বুলিয়ে খুৰাই তাৰ হাতত টকা পাঁচশও গুজি দিলে। মাকৰ বাবে চাদৰ মেখেলা এযোৰৰ লগতে ব্লাউজ এটা ভনীয়েকৰ বাবে অনুমানতে জোখ এটা লৈ ফ্ৰক এটা ললে। চল্লিছ টকামান সি নিজৰ বাটখৰচৰ বাবে থলে।

হৰি ওলাল। ওলাল মানে গাঁৱৰ ফাললৈ যোৱা বাছ এখনত উঠাবলৈ বুলি ৰমাকাইয়ো আহিল। কাপোৰ কানি আৰু তলত তাৰ মৰমৰ কলহ তিনিটা। বেগটো তাৰ বাবে অলপ গধুৰেই হৈছে, তথাপি ।।।। সেই অপ্ৰাকৃতিক ওজন আজি তাৰ জীৱনৰ চক্ৰবেহুত সোমাই আকাশ চুব বিছাৰিলে, একাদশীৰ আকাশ......।

✦ ✦ ✦ ✦

অশিক্ষিত মানুহৰ মাজত সকলো শিক্ষিত হ'লে, শিক্ষাৰ মূল্য নাই। শিক্ষিতইহে শিক্ষাৰ মোল বুজে জ্ঞানীয়ে আদৰকৰে জ্ঞানক।

মৰম বস্তুটো শীতল বতাহৰদৰে অনুভৱহে কৰিব পাৰি।

# জীৱন শৈলী

ডিপু গগৈ
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ (কলা শাখা)

"মা এইবাৰ মই ব্ৰেণ্ডেড 'শ্ব' ৰুমৰ পৰা দামী কাপোৰ কিনিম দেই। আমাৰ লগত এজন ল'ৰা পঢ়ে, তাৰ নাম আংকুশ। সি বহুত দামী দামী ব্ৰেণ্ডেড কোম্পানীৰ পোচাক কিনে। কেইদিনমান আগতে জীন্স, চাৰ্ট আৰু এযোৰ জোতা প্ৰায় ছয় হাজাৰ টকাত কিনিছিল। মা, আৰু কি জানা, যোৱাবাৰ দেৱালীত সি প্ৰায় পাঁচ হাজাৰ টকাৰ ফটকা ফুটাইছিল।"

"হয় নেকি?"

"সকলো ল'ৰাই তাৰ আগে পিছে ঘূৰে। সি নিজৰ বন্ধুবোৰৰ লগতো বহুত টকা খৰছ কৰে। প্ৰায়েই পিড্জা, বাৰ্গাৰ আদি খুৱাই আৰু সি কেতিয়াও আমাৰ নিচিনাকৈ নিকেতনলৈ টিফিন লৈ নাহে।"

"সি পঢ়াত কেনেকুৱা?"

"পঢ়াত ঠিকেই আছে। পৰীক্ষাত উত্তীৰ্ণ হৈ থাকে। ঘৰত সদায় তাক পঢ়ুৱাবলৈ ঘৰুৱা শিক্ষক আহে।"

"তাৰ দেউতাকে কি কৰে?"

"তাৰ দেউতাক এগৰাকী ৰাজনৈতিক নেতা। তেখেত বেছিভাগ সময় দিল্লীতে থাকে।"

"তাৰ মাক. . .?

"তাৰ মাক নাই। কিছুবছৰ আগতে এক পথ দূৰ্ঘটনাত মাকৰ মৃত্যু হৈছিল।"

"বেচেৰা"!

"মা, বেচেৰা বুলি কোনো কথা নাই। কিয়নো তাৰ কোনো অভাৱ নাই। তাক চোৱা চিতা কৰাৰ বাবে ঘৰত কেইবাজনো কাম কৰা মানুহ আছে। ড্ৰাইভাৰে তাক নিকেতনলৈ থবলৈ আৰু নিবলৈও আহে। অন্য ল'ৰা-ছোৱালীবোৰে তাৰ জীৱন শৈলী দেখি ইৰ্ষা কৰে।"

"মই জনাত তোমালোকৰ নিকেতনত কোনো অল্পাহাৰ গৃহ নাই, তেন্তে অংকুশে সকলোকে পিজা আৰু বাৰ্গাৰ ক'ৰ পৰা খুৱাই?"

"মা, তাৰ ড্ৰাইভাৰে অল্পাহাৰৰ সময়ত আনি দিয়ে। কিন্তু অংকুশে সেইবোৰ তাৰ লগৰবোৰকহে খাবলৈ দিয়ে।"

"সি ভোকত থাকে নেকি?"

"নাথাকে সি লগৰ ল'ৰাবোৰৰ টিফিনৰ পৰা খায়।"

"তাৰ স্বভাৱ চৰিত্ৰ কেনেকুৱা, তাৰ লগত তোমাৰ মিত্ৰতা আছেনে?"

"সি বৰ শান্ত ল'ৰা। কথা কমকৈ কয় আৰু তাতকৈ ডাঙৰ কথা হ'ল তাৰ কোনো ধৰণৰ অহংকাৰ নাই। সি মোৰ লগত একেখন বেঞ্চতে বহে। তুমি মোৰ টিফিনত দিয়া সাধাৰণ ৰুটি-ভাজি আদি সি বৰ ভাল পায়।"

"এতিয়া শুনা, প্ৰকৃততে যিবোৰ বস্তু সহজতে পোৱা যায়, তাৰ মহত্ব সেই সময়ত বুজি পোৱা

নাযায়। বেছিভাগ ল'ৰা-ছোৱালীয়ে নিজৰ ঘৰত তৈয়াৰ কৰা আহাৰ চকুৰ আগত সদায়েই পায়। তেওঁলোকে নিজৰ ঘৰত সদায় তৈয়াৰ কৰা আহাৰ খায় সোৱাদ নোপোৱা হয়। কিন্তু যিবোৰ ল'ৰা-ছোৱালীয়ে কিবা-কাৰণত হোটেল বা ৰেষ্টুৰেন্টৰ বস্তু খাবলগীয়া হয়, তেওঁলোকে ঘৰত বনোৱা বস্তু খাবলৈ আতুৰ হৈ পৰে। তুমি কৈছাই নহয় যে, অংকুশে বাহিৰত বনুৱা নিজৰ বস্তু লগৰবোৰক খাবলৈ দিয়ে আৰু নিজে তোমালোকৰ ঘৰত বনোৱা টিফিন খায়। আচলতে কি জানা, অংকুশে লগৰ ল'ৰাবোৰৰ আহাৰ এই কাৰণেই খায় যে সি ঘৰত বনোৱা বস্তু খাবলৈ নাপায়। চোৱা চিতা কৰিবলৈ তাৰ মাক নাই, দেউতাকো ৰাজনীতিক লৈয়েই ব্যস্ত। গতিকে তাৰ জীৱনত যি অভাৱ আছে, সেইখিনি দেউতাকে ধনেৰে পূৰাবলৈ বিচাৰে চাগে! অংকুশ নিশ্চয় ভাল ল'ৰা, কিন্তু বেয়া ল'ৰাৰ সংগ ল'লে সি বিপথে পৰিচালিত হ'ব পাৰে।"

"হয় মা, তুমি ঠেকেই কৈছা। তাক ব্যস্ত কৰি ৰাখিবলৈ দেউতাকে বহুতো সুবিধা কৰি দিছে। সদায় ৰাতিপুৱা সি সাতুৰিবলৈ যায়, আবেলি টেনিছ খেলে আৰু তাৰ পিছত তাক পঢ়ুৱাবলৈ ঘৰলৈ ঘৰুৱা শিক্ষক আহে। গৃহকাৰ্য্যও কৰিব লাগে। গতিকে চাবলৈ গ'লে সি বিৰক্তি অনুভৱ কৰিবলৈ সময়েই নাপায়।

"কেতিয়াবা অংকুশক আমাৰ ঘৰলৈ লৈ আহিবা চোন। আজি মই তোমাৰ টিফিনত আলু পৰঠা দিছো, তাকো অলপ খাবলৈ দিবা দেই।"

"মা অংকুশৰ কথা পাতি থাকোতে, মোৰ কথা কবলৈ বৈয়েই গ'ল। মই এইবাৰ পূজাত ব্ৰেণ্ডেড কোম্পানীৰ কাপোৰ লম, দিবানে?" "শুনা, এতিয়া তুমি কেৱল তোমাৰ ভৱিষ্যৎ নিৰ্মাণৰ কথা চিন্তা কৰা। তোমাৰ দেউতা এগৰাকী সৎ আদৰ্শৱান বিষয়া। দৰমহাৰ বাহিৰে তেখেতৰ অন্য উপাৰ্জন নাই। গতিকে দৰমহাৰ পইচাৰেই আমি খোৱা-লোৱা, পিন্ধা-উৰা, পঢ়া-শুনা, বেমাৰ আজাৰ আদি বিভিন্ন খৰছ মিলাবলগীয়া হয়। তাৰোপৰি তোমাৰ বাইদেৱে মেডিকেলৰ প্ৰৱেশ পৰীক্ষাৰ বাবে টিউচন লৈ আছে, পৰীক্ষাত উৰ্ত্তীণ হ'লে তাইক পঢ়ুৱাবও লাগিব।"

"অ'মা, দুবছৰৰ পিছত মই মেট্ৰিক পাছ কৰিম, তেতিয়া মোৰো টিউচন আৰম্ভ হ'ব।

"সেইবাবেইটো কৈছো। আমি এতিয়া অযথা খৰছবোৰ বাদ দিব লাগিব। তুমিটো নিকেতনলৈ গনবেশ পিন্ধিহে যাব লাগে। তোমাৰ নতুন কাপোৰবোৰ পিন্ধাই নহয়। তাতে আকৌ তুমি দিনে দিনে ওখ হৈ বাঢ়ি গৈ আছা, সেয়ে তোমাৰ কাপোৰ আনিলেনো কি হ'ব। তথাপি তুমি যদি বেছিকৈ ইচ্ছা কৰিছা, তেন্তে দিম বাৰু।"

"তুমি ঠিকেই কৈছা মা। মোৰ জোতাযোৰো চুটি হৈ গৈছে। মা, এতিয়া মই সকলো বুজি পালো। শিক্ষাৰ্থীৰ কৰ্তব্য মনোযোগেৰে পঢ়া-শুনা কৰি নিজকে সৎ ব্যক্তি ৰূপে গঢ় দিয়াটোহে, আনক দেখি বিলাসিতা কৰাতো নহয়। সেয়েহে, মোক দামী কাপোৰ আৰু জোতা নালাগে। তোমালোকে যি দিয়া মই তাতেই সন্তুষ্ট হ'ম। আজিৰ পৰা মই পঢ়া-শুনাতহে অধিক গুৰুত্ব দিম আৰু এজন ভাল নাগৰিক হ'বলৈ চেষ্টা কৰিম। মা, এতিয়া মোৰ নিকেতনলৈ যোৱাৰ সময় হ'ল, যাওঁ দেই।

✦ ✦ ✦ ✦

# প্ৰসংগ: ব্যক্তিত্ব আৰু চৰিত্ৰ এক মনোবৈজ্ঞানিক বিশ্লেষণ

শ্ৰীমতী ভানুপ্ৰিয়া সোনোৱাল
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

'ব্যক্তিত্ব' আৰু 'চৰিত্ৰ' এই দুয়োটা শব্দকেই সাধাৰণতে প্ৰায় একে অৰ্থত আৰু কোনো কোনো সময়ত এটা আনটোৰ পৰিপূৰক হিচাপে ব্যৱহাৰ কৰা হয়। এজন লোকৰ চৰিত্ৰকেই কোনো কোনোৱে ব্যক্তিত্ব বুলি ভুল কৰে। চৰিত্ৰ শব্দই এজন লোকৰ নৈতিক জীৱনৰ কৰ্মপদ্ধতি আৰু অভ্যাসৰ যোগেদি গঢ় দি তোলা আদৰ্শকেই বিশেষভাৱে বুজায়। ব্যক্তি আচৰণৰ ভাল-বেয়া, পাপ-পুণ্য, উচিত-অনুচিত আদিৰ নৈতিক মানৰ সচেতন অৱস্থাই চৰিত্ৰ। প্ৰত্যেক সমাজৰ কেতবোৰ নীতি-নিয়ম আদৰ্শ আদি থাকে যাক সকলোৱে মানি চলিব লাগে। এজন লোকৰ ক্ৰিয়া আচৰণৰ গুণাগুণ নৈতিক আদৰ্শৰ দ্বাৰা সমাজৰ লোকে বিচাৰ কৰি চায়।

আনহাতে ব্যক্তিস্বৰ পৰিসৰ চৰিত্ৰতকৈ বহল। ব্যক্তিৰ কেৱল নৈতিক আৰু আদৰ্শমূলক ক্ৰিয়া আচৰণকেই মাঁথো বিবেচনা কৰা নহয়। ই হৈছে ব্যক্তিৰ সমগ্ৰদেহ মানসিক অৱস্থাৰ গুণাত্মক প্ৰকাশ। পৰিৱেশৰ লগত ব্যক্তিৰ সমযোজনৰ দ্বাৰাও বিকাশ লাভ কৰে। এজন মিছা কথা কোৱা লোকক আমি চৰিত্ৰহীন বুলি ক'ও কিন্তু তথাপিও তেওঁৰ এক আকৰ্ষণীয় ব্যক্তিত্ব থকাৰ কথা আমি অস্বীকাৰ কৰিব নোৱাৰো।

চৰিত্ৰ ব্যক্তিত্বৰ এক অন্তৰ্বৰ্ত্তী বিষয় সেয়েহে এজন সু-সমপন্ন ব্যক্তি হ'বলৈ এজন সত্য চৰিত্ৰবান হোৱাটো অত্যন্ত বাঞ্চনীয়। কাৰণ এজন সুব্যক্তিত্ব সম্পন্ন ব্যক্তিৰ যদি চৰিত্ৰত অলপ হ'লেও ক'লা দাগ লাগে তেন্তে তেওঁৰ সৰ্বস্ব গুণ-গৰিমা তথা ব্যক্তিত্ব মুহূৰ্ততে ধূলিসাৎ হৈ যায়। কথাতেই কয় চৰিত্ৰ এবাৰ হেৰুৱালে আৰু ঘুৰাই পোৱা নাযায়। সেয়েহে এবাৰ চৰিত্ৰত কলংক লাগিলে সি যিমানেই ব্যক্তিত্ব সম্পন্ন ব্যক্তি নহওঁক কিয় সমাজৰ সমালোচনাৰ পৰা হাত সাৰি নাযায় আৰু সমাজে তেওঁক স্বীকৃতি দিবলৈ টান পায়। এজনলোকৰ আবেগিক আৰু আনুভূতিক জীৱনৰ ক্ৰিয়াকলাপ আৰু আচৰণ সমূহ এটা গ্ৰহণযোগ্য আদৰ্শ মানদণ্ডৰে বিচাৰ কৰা হয়। তেওঁৰ মানসিক গুণসমূহ স্থায়ী ৰূপ দিবলৈ যাওঁতে সমাজৰ গ্ৰহণযোগ্য আদৰ্শ গঢ় দি তুলিব পাৰিলে তেওঁৰ চৰিত্ৰ সকলোৱে প্ৰশংসাৰ যোগ্য হয়। যি জনে মানসিক গুণসমূহৰ সংগঠন আৰু স্থায়িত্ব ৰূপ দি তোলে তেওঁক অশুভ চৰিত্ৰৰ ব্যক্তিস্বৰূপে গণ্য কৰা হয়। চৰিত্ৰৱান লোক বুলিলে সকলো মানসিক গুণ সমূহ সুন্দৰ আৰু সমাজৰ গ্ৰহণযোগ্যভাৱে প্ৰকাশ পোৱা ব্যক্তিত্বই আমি বুজোঁ।

সদৌ শেষত প্ৰসঙ্গ আলোচনাৰ পৰা ইয়াকে ক'ব পাৰি যে "ব্যক্তিত্ব আৰু চৰিত্ৰ একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি।"

✦ ✦ ✦ ✦

গল্প

# কষ্টোপাৰ্জিত ধনৰ মূল্য

শ্ৰীমতী লনী গগৈ
স্নাতক ২য় ষান্মাসিক
অসমীয়া বিভাগ

ৰজা বুলি ক'লে আমি সাধাৰণতে জ্ঞানী, ধনী আৰু বুদ্ধিমান এজন সম্ভ্ৰান্ত লোক বুলিয়ে জানো কিন্তু পৃথিৱীত এনে ৰজাও আছে যিজনে চৰকাৰী-খাজানাক নিজৰ বুলি নাভাৱে। তেওঁ নিজৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়খিনি গোটাবৰ বাবে উপাৰ্জন কৰিছিল। তেনে এজন ৰজা আছিল তেওঁৰ নাম নাছিৰুদ্দিন মহম্মদ। তেওঁ দিল্লীৰ ৰজা আছিল। তেওঁ অৱসৰ সময়ত কিছুমান ধৰ্মীয় কিতাপ নিজ হাতেৰে লিখিছিল আৰু সেইবোৰ বিক্ৰী কৰিবৰ বাবে লগুৱাজনক বজাৰলৈ পঠাই দিছিল। কিতাপ বিক্ৰী কৰি পোৱা টকাকেইটাৰে তেওঁ ভৰণ-পোষণ কৰিছিল। কিন্তু তেওঁ লগুৱাজনক দিবৰ বাবে এক টকাও নাথাকিছিল। ইফালে লগুৱাজনৰ ঘৰৰ পৰা চিঠি আহিবলৈ ধৰিলে সি প্ৰত্যেকবাৰেই চিঠিবোৰ ৰজাক পঢ়ি শুনায়। কিন্তু দুখৰ বিষয় যে ৰজাই তাক দীৰ্ঘদিনীয়া প্ৰাপ্য ধনখিনি আদায় দিব পৰা নাছিল। বহুকেইখন চিঠি আহাৰ পাছত ৰজাই দুই টকা দি ক'লে যে, "এইটো মোৰ নিজৰ কষ্টৰ পইচা.... লৈ যোৱা ইয়াড় পৰা তুমি লাভবান হ'বা।" লগুৱাজনে মুখখন কলা কৰি নিজৰ গাঁৱৰ দিশে আগবাঢ়িছিল। সি ৰাস্তাৰে গৈ থাকোতে দেখাপালে যে এজন বেপাৰীয়ে বহুত কম দামত ডালিম বিক্ৰী কৰি আছিল। সি ভাবিলে এই দুই টকাৰে কাক কি দিম তাৰ সলনি ডালিম লৈ যাঁও আৰু সকলোকে দুই এটা কৰি ভগাইদিম। তেওঁলোকো সুখী হ'ব আৰু ময়ো সুখী হ'ম। যথা সময়ত সি নিজৰ গাঁৱত উপস্থিত হৈ দেখিলে যে কেইজনমান চিপাহীয়ে ঘূৰি ফুৰিছিল আৰু সিহঁতৰ পৰা সি জানিলে যে -'ৰাণীৰ অৱস্থা সংকটজনক'। তেওঁক কেৱল ডালিমৰ ৰসেৰেহে ভাল কৰিব পৰা যাব। যদি কাৰোবাৰ ঘৰত ডালিম আছে তেন্তে এটা ডালিমৰ দাম এহেজাৰ টকাকৈ দিব। সি তৎক্ষণাত ডালিমকেইটালৈ ৰজাৰ ওচৰত উপস্থিত হ'ল। ৰজাই আচৰিত মানিলে যে গাঁৱত ডালিম দেখিবলৈ নাপায় আৰু তুমি ইমানবোৰ ডালিম আনিছা। সেই বুলি ৰজাই প্ৰতিটো ডলিমৰ মূল্য এহেজাৰকৈ দি ডালিমকেইটা কিনিল'লে। লগুৱাজনৰ তেতিয়া ৰজাইকোৱা কথাযাৰলৈ মনত পৰিল যে কষ্টেৰে উপাৰ্জন কৰা ধনৰ মূল্য কিমান বেছি। ই সদায় সৎ কামতেই ব্যৱহাৰ হয়।

✦✦✦✦

"শিক্ষক হৈছে এডাল মমবাতি যি নিজে জ্বলি আনক পোহৰ দিয়ে।" - প্লেটো

# চিটি বাছ

**প্ৰদ্যুম্ন দত্ত**
স্নাতক প্ৰথম ষান্মাসিক

নমস্কাৰ! মোৰ নাম চিটি বাছ। ডিব্ৰুগড় নগৰৰ মাজ মজিয়াত মোৰ আস্থান। ডিব্ৰুগড় নগৰৰ বিশেষকৈ বিশ্ববিদ্যালয় আস্থানৰ পৰা আৰম্ভ কৰো অসম চিকিৎসালয় মহাবিদ্যালয় হস্পিতাললৈ। আমোলা পট্টি পুলিচ পইন্টৰ দুয়ো কাষেদি মই অহা যোৱা কৰো। যাত্ৰী বিচাৰি কণ্ডাক্তৰে চিঞৰি চিঞৰি মাতে আহক মেডিকেল মেডিকেল ক্ষিপ্ৰ গতিৰে আগবাঢ়ি যাওঁ মেডিকেল অভিমুখে। মই আগুৱাই গৈ থকা অৱস্থাতেই আটাইতকৈ লক্ষ্য কৰিবলগীয়া মোৰ কণ্ডাক্টৰৰ দৃশ্যটো। গাড়ীখন ৰখা ঠাইৰ পৰা পুনৰ চলিবলৈ আৰম্ভ কৰাৰ বহু সময়ৰ পিছতে কণ্ডাক্টৰে দৌৰি দৌৰি জঁপিয়াই উঠে। তথাপিও যাত্ৰীৰ অভাৱত পৰি মোৰ আৰ্থিক অৱস্থা বৰ সোচনীয় কৰি তুলিছে।

সেয়েহে আধুনিক যুগত মোৰ দুজন ভাইক আৱিষ্কাৰ কৰি তুলিছে। তাৰেই এজনৰ নাম "বিক্ৰম" আৰু আনজনৰ নাম "গাৰোদা"।

গাৰ নোমেই শত্ৰু বুলি কোৱাৰ দৰেই বৰ্তমান মোৰো সেই একেই অৱস্থা কৰি পেলাইছে মোৰ ভাই দুজনে। সিহঁত দুজনৰ অতপালিত মোৰ অৱস্থা পানীত হাঁহ নচৰা কৰি পেলালে। সেয়েহে মোক আপোনালোকে আগৰ দৰে সঘনাই আহা-যোৱা কৰা খুব কমেই দেখে। নিৰুপাই হৈ আজি-কালি মই স্কুল আৰু কলেজৰ লৰা-ছোৱালীৰ লগত ব্যস্ত।কিন্তু গৰম বন্ধৰ মাহটো কেনেকৈ চলিম ভাবি ভাবি মুৰ আচন্দ্ৰাই ধৰিছে। কেতিয়াবা মোৰ এনে অনুমান হয় যে গৰম বন্ধৰ মাহটোৰ পৰাই মই এই নগৰৰ পৰা নাইকিয়া হৈ যাম। কিয়নো দুই ভায়ে মোক অতিক্ৰম কৰি যাত্ৰীসকলক আগতীয়াকৈ কঢ়িয়াই থৈ অহাৰ বাবে কম সময়তে গন্তব্য স্থান পায়গৈ। অন্যাহাতেদি ভাড়াও প্ৰায় সমানেই লয়। সেয়েহে মোৰ নাম একেবাৰেই বিলুপ্ত হব ধৰিছে। সদৌ শেষত নিৰুপায় হৈ মই দুই-ভাইৰ ওপৰতেই ঘৰখন সুচাৰুৰূপে চলাবৰ বাবে দায়িত্ব অৰ্পণ কৰি ডিব্ৰুগড়বাসী ৰাইজৰ পৰা বিদায় মাগিলো।

✦ ✦ ✦ ✦

| | | |
|---|---|---|
| শিক্ষক | : | কোৱাচোন ইলা, ইংৰাজী ভাষাৰ আটাইতকৈ দীঘল শব্দটোৰ নাম কি? |
| ইলা | : | Smile ছাৰ। |
| শিক্ষক | : | কিয়? |
| ইলা | : | ছাৰ কাৰণ S ৰ পিছত আৰু এক মাইল (mile) আছে। |

সংগ্ৰহ : দিব্যজ্যোতি বড়া

# মানুহ বনাম অমানুহ

শ্ৰী ৰমন দীপ গগৈ
স্নাতক তৃতীয় বৰ্ষ

২০ জুলাই দিনৰ ঠিক দুপৰীয়া সময়। এনে সময়ত সাধাৰণতে কোনো অঞ্চলক এক নিটাল-নিস্তব্ধ পৰিবেশত পৰিণত হৈ থাকে। এনে সময়তে কোকৰাঝাৰ জিলাৰ এটা অঞ্চলত এক ৰিণিকি ৰিণিকি কোলাহলৰ সৃষ্টি। ধৰ ধৰ তাক মাৰ কাত ইত্যাদি বহু শব্দ। শব্দটো ক্ৰমান্বয়ে স্পষ্ট হৈ পৰিছে। চাৰিওফালৰ এক নিতাল পৰিৱেশত এনে হুলস্থুল কিহৰ? মই ইফালে-সিফালে চাই দেখিলো যে দীঘলীয়া লুঙলুঙীয়া আলিটো। আলিটোৰ সৰহভাগ অংশতে ভঙা গাড়ী, জ্বলি থকা গাড়ীৰ টায়াৰ; এই সকলোবোৰ বাধা বিঘিনি অতিক্ৰম কৰি এটি শিশু ভিৰাই-পকাই সন্মুখৰ ফালে দৌৰিছে। তাৰ পিছত বহুতো লোক হাতত দা, জাঠি, জোং আদি লৈ চিয়ঁৰ বাখৰ কৰিছে। ধৰ ধৰ তাক কাট-মাৰ আদি শব্দ কৰি। কণমাণি ল'ৰাটোৱে কান্দি-কাটি নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ দৌৰিছে। যেনেদৰে এটা হৰিণাই বাঘৰ ভয়ত নিজৰ প্ৰাণ ৰক্ষা কৰিবলৈ দৌৰে তেনেদৰেই সেই ল'ৰাটোৱেও দৌৰিছে। আৰু মানুহ বিলাক যেন এক পিপাষু, নৰখাদক এনে মূৰ্তি ধৰি ল'ৰাটোৰ পিনে দৌৰিছে। মানুহবোৰ কিয় বাৰু ইমান নিষ্ঠুৰ কাৰোবাৰ ভুলৰ শাস্তি নিৰ্দোষী বিলাকক কিয় দিয়ে। সেই কণমাণি ল'ৰাটিয়ে নো সিহঁতৰ কি ক্ষতি কৰিলে বা সিহঁতক কি অপকাৰ কৰিলে। অ'সেই ল'ৰাটোৰ ভুল এইটোৱে যে ল'ৰাটো এটা মুছলিম সম্প্ৰদায়ৰ ল'ৰা। সেই ল'ৰাটিয়ে কি জন্ম হওঁতে কাৰোবাক সুধি জন্ম হৈছিল; যে কোনটো সম্প্ৰদায়ত জন্মগ্ৰহণ কৰিলে ভাল আৰু কোনটোত বেয়া ল'ৰাটোৰ ভুলটো ইয়াতেই যে সি এই জগতত জন্ম গ্ৰহণ কৰিলে। মোৰ এনে প্ৰতিপ্ৰশ্ন হয় যে-ল'ৰাটোৱে ভাবিছে যেন মই কিয় জন্ম গ্ৰহণ কৰিলো। মানুহবোৰ কিয় ইমান অজ্ঞানী বাৰু? কাৰোবাৰ এটা সাধাৰণ ভুলৰ কাৰণে যাকে তাকে কিয় মাৰিব লাগে বা কাটিব লাগে। তেওঁলোকে অন্তত এইটো ভাবিচাব লাগে যে সেই সৰু ল'ৰাটিক কাটিলেও তেজ ওলাব আৰু তেওঁলোকৰ নিজৰে মাজৰ এজনক কাটিলেও একে তেজ ওলাব। তেজৰ কোনো পাৰ্থক্য নাথাকে সকলো মানুহৰে একে তেজ। জাতি বা সম্প্ৰদায়ৰ ভিন্নতা হ'লেই যে কেৱল আমি মানুহ তহঁত অমানুহ এনে ক'লে নহ'ব।

দেখা-গ'ল সেই সৰু ল'ৰাটো দৌৰি গৈ পোনচাতেই এটা ঘৰৰ দুৱাৰ খোলা থকাৰ কাৰণে তাত সোমাই গ'ল। পিছে পিছে মানুহ বিলাকেও ল'ৰাটোক অনুসৰণ কৰি ঘৰটোত সোমাল। ঘৰটোত সোমাই ল'ৰাটোৱে এগৰাকী বহি থকা আদহীয়া মাইকী মানুহ এগৰাকী দেখা পাই অসহায় হৈ তাইৰ কোলাত 'মা' মোক বচোৱা বুলি পৰি দিলে। মানুহগৰাকীয়ে হঠাৎ যেন শুই থকাৰ পৰা উঠিল, আৰু ল'ৰাতোক কোলাত সাবটি ধৰিলে। মহিলা গৰাকীৰ এনে লাগিল যেন তাই হেৰুৱা পুতেক আজি তাইৰ কোলাত। হেৰুৱা পুতেক মানে তাইৰো এই ল'ৰাতোৰ দৰেই এটি অতি মৰমৰ আৰু অতি আলফুলৰ একমাত্ৰ পুতেক আছিল। সিও এই নৰখাদক আপোন পৰ চিনি নোপোৱা মানুহবিলাকৰ হাতত আনৰ দুখৰ বলী হ'ব লগীয়া হ'ল। ল'ৰাটোক কোলাত লৈ মানুহগৰাকীয়ে জোৰেৰে সাবটি ধৰিলে। পিছত খেদি অহা মানুহ বিলাকে মানুহ গৰাকীৰ ওচৰলৈ গৈ ল'ৰাটোক সিহঁতক দিবলৈ ক'লে। মানুহ গৰাকী আছিল সিহঁতৰে জাতৰ মানে বড়ো সম্প্ৰদায়ৰ লোক। সেয়েহে তাইক মানুহবিলাকে একো কৰা নাছিল। কিন্তু সৰু ল'ৰাটো

মুছলিম সম্প্ৰদায়ৰ আছিল কাৰণে তাক সিহঁতে বুলি দিব খুজিলে। মানুহবিলাকে অশেষ কষ্ট কৰিও ল'ৰাটোক মানুহ গৰাকিৰ পৰা আতঁৰাই নিব নোৱাৰিলে। পিছত সিহঁত নিজৰ কামত সিদ্ধি কৰিব নোৱাৰি তাৰ পৰা আঁতৰি গ'ল। আমাৰ সমাজত মৰম চেনেহ চিনি নোপোৱা লোক থাকিলেও তাৰ বিপৰীতে কিছুলোক মৰমীয়ালো আছে। কথাতে কয় বোলে মানুহৰ হাতৰ পাঁচোটা আঙুলি এক সমান নহয়। সেয়ে সমাজত বসবাস কৰা সকলো লোকে দুস্কৃতিকাৰী নহয়। মানুহে ভাবি পোৱাটো উচিত যে কি কাম কৰিলে সমাজৰ ক্ষতি নহয় আৰু কি কাম কৰিলে ক্ষতি হ'ব। কিবা এটা কাম কৰিলে যদি মানুহৰ ক্ষতি হয় তেন্তে তেনে কামত কিয় বৰ্তী হ'ব লাগে। তৎক্ষণাত কোনো কামতে সমৰ্থন কৰিব নেলাগে। যিকোনো সিদ্ধান্ত লোৱাৰ আগেয়ে প্ৰথমে হাজাৰ বাৰ ভাবিব লাগে যে ই কি কৰিব পাৰে এইটো কৰিলে কি হ'ব? এনেদৰে ভাবিব পৰাতোহে মানুহৰ আচল গুণ। এই ভবা শক্তিটোৰ পৰাই ভগবানে মানুহক সকলো পশুতকৈয়ো উদ্ধত সৃষ্টি কৰিছে। ভাবিব নোৱাৰা লোক বিলাক পশুৰ সমতুল্য।

✧ ✧ ✧ ✧

এটা শ্ৰেণীত ছাত্ৰবিলাকে হুলস্থূল কৰি আছিল আৰু তেতিয়া শিক্ষকে আহি কলে -

শিক্ষক : বিতু, তই কচোন, এশিঙীয়া গঁড় ক'ত পোৱা যায়?

বিতু : কাজিৰঙাত ছাৰ।

শিক্ষক : ৰাজু, তই কচোন, চেকিকল ক'ত পোৱা যায়?

ৰাজু : আমাৰ ঘৰৰ বাৰীত ছাৰ।

শিক্ষক : খালি, খালি, খালি।

ৰাজু : নাই খোৱা ছাৰ, পকাই নাই।

শিক্ষক : বেঞ্চৰ ওপৰত উঠ।

ৰাজু : বেঞ্চৰ ওপৰত উঠিলে পকিব নেকি?

সংগ্ৰহ : দিব্যজ্যোতি বড়া

# যুৱ সমাজ আৰু সাম্প্ৰতিক বৰ অসম

শ্ৰী দিব্যজ্যোতি বড়া
স্নাতক চতুৰ্থ ষান্মাসিক

সমাজৰ সকলো ক্ষেত্ৰতে ছাত্ৰ অৰ্থাৎ যুৱ সমাজে নিজৰ ইতিবাচক ভূমিকা পালন কৰিব পাৰে। আজিৰ যুৱ-সমাজে এই ভূমিকা পালন কৰিব লাগিব চিন্তাৰে আৰু কামেৰে। সমাজমুখী চিন্তাই যুৱ-সমাজক পথৰ সন্ধান দিব। যদি আমি ক্ষুদ্ৰ আৰু ঠেক স্বাৰ্থ পৰিহাৰ কৰিব পাৰো তেন্তে সমাজেও আমাৰ হিতকৰ কামক আকোঁৱালি ল'ব। গতিকে আজিৰ যুৱ-শক্তিয়েই ভৱিষ্যতৰ দেশৰ উন্নতি। কিন্তু আজিৰ যুৱ সমাজৰ ৮০ শতাংশই এই পথ পৰিত্যাগ কৰি মাদক দ্ৰব্য সেৱন কৰা দেখিবলৈ পোৱা যায়। তেওঁলোকৰ বাবে মাদকদ্ৰব্য সেৱন কৰাটো 'হবি'লৈ পৰিণত হ'ব ধৰিছে। যদি আজিৰ যুৱ সমাজে ভৱিষ্যতৰ নৱ-প্ৰজন্মৰ কথা নাভাৱে তেন্তে ভৱিষ্যতৰ নৱ প্ৰজন্মইও, দেখাক-দেখি অৰ্থাৎ আগৰ গৰু যেনি যাই পাছৰ গৰু তেনি এই পথ অৱলম্বন কৰিব। গতিকে আজিৰ যুৱ সমাজে "নাও বুৰিলেও টিঙৰ পৰা ননমা" এই (পথ) গৰ্ব পৰিত্যাগ কৰি এখন সৰল সমাজ গঢ়াত ভূমিকা পালন কৰিব লাগিব।

মানুহ গঢ়াৰ মূল প্ৰক্ৰিয়া শিক্ষাব্যৱস্থাটোৰ ওপৰত যিমান খিনি বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ প্ৰয়োজন আছিল, তেনে নোহোৱাৰ বাবেই মানুহ গঢ়াৰ শিক্ষা ব্যৱস্থাটো সম্প্ৰতি বহু ক্ষেত্ৰত বিফল হবলগীয়া হৈছে। মানৱ সম্পদ গঢ়াৰ নামত সৃষ্টি হৈছে ভেকো ভাওনাৰ। আজি সমাজ বিপথগামী; যুৱপ্ৰজন্ম লক্ষ্যভ্ৰষ্ট পথিক।

একালৰ বৰ অসম সম্প্ৰতি ৰাজনৈতিক চাকনৈয়াত পৰিয়েই বিনষ্ট প্ৰায়। 'সাতাম পুৰুষীথা' সমাজ আজি বিধস্ত প্ৰায়। শংকৰ-মাধৱ আজান-ফকীৰ, বিষ্ণু-জ্যোতিৰ স্বপ্নৰ বৰ অসমখনৰ নানা জাতি-জনজাতিৰ মাজত বিৰাজ কৰা পাৰস্পৰিক স্নেহ, ভাতৃত্ববোধ, হেপাঁহ আৰু জাতীয় সংহতিৰ এনাজৰীডাল আজি তেনেই সোলোক-ঢোলোক। অনন্তকলীয়া একভনী অসম আজি খণ্ড-খণ্ড সম্প্ৰীতি আৰু সমন্বয়ৰ অভাৱত। পাৰস্পৰিক হিংসা আৰু ক্লীৱতাৰ পাছত মৰুভূমিৰ মৰিচিকা বিচাৰি দৌৰি দৌৰি জীৱশ্ৰেষ্ঠ 'মানৱ' আজি অমানৱতাৰ ৰূপলৈ বৰ অসমৰ ভেটিখহাবৰ বাবে যেন অঙ্গীকাৰবদ্ধ। আজিৰ অসমত সংকট অসমীয়া; সংকট স্বাধীনতাৰ; সংকট জীৱনৰ।

✦ ✦ ✦ ✦

## মহৎলোকৰ বাণী

গাৰ বেলেৰে সংগ্ৰহ কৰিব নোৱাৰা বস্তু হ'ল জ্ঞান, ইয়াক পাবলৈ প্ৰয়োজন অধ্যয়নৰ। - জনচন।

জীৱনটোৱে এখন প্ৰকৃত যুদ্ধ। এই যুদ্ধত নুযুজাঁকৈ একোকেই লাভ কৰিব নোৱৰি। - গীতা

# অসমীয়া সমাজত তামোল পান

শ্ৰীমতী চিত্ৰলেখা হাজৰীকা
স্নাতক তৃতীয় ষান্মাসিক

আগফালে শুৱনি কাকিনী তামোল
পাছফালে শুৱনি পান।

তামোল পান অসমীয়া সমাজত বৰ সন্মানৰ আৰু আদৰৰ বস্তু। যিকোনো কামতে অসমীয়া লোকে তামোল পান ব্যৱহাৰ কৰে। গৃহস্থই ঘৰলৈ আলহি অতিথি আহিলে তামোল পানে আপ্যায়ন। অসমত বসবাস কৰা বেছিভাগ লোকে আহাৰ খোৱাৰ পিছত তামোল খায় মুখ শুদ্ধি কৰে।

সামাজিক কামতো তামোল-পানৰ বহল ব্যৱহাৰ আছে। তামোল পানৰ অবিহনে সামাজিক কাম কাজ সম্পূৰ্ণ নহয় বুলি কব পাৰি। সামাজিক বিয়া বাৰু ক্ষেত্ৰত কোনো সভাসমিতি আদিত তামোল পানৰ ব্যৱহাৰ হয়। আগতে ছাত্ৰ-ছাত্ৰীক পঢ়াশালীত নাম লগাৱৰ সময়ত শিক্ষকৰ আগত তামোল পানৰ শৰাই এখন আগবঢ়োৱা হয়।

বিয়া বাৰু ক্ষেত্ৰত তামোল পানৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। দৰা ঘৰৰ মানুহে ছোৱালী খুজিবলৈ আহিলে ছোৱালী ঘৰৰ মানুহৰ আগত তামোল পানৰ শৰাই এখন আগবঢ়াই ছোৱালী খোজা বঢ়া কৰে। বিয়াৰ অতিথি নিমন্ত্ৰনৰ কাৰণে তামোল-পানৰ প্ৰয়োজন হয়। আজিকালি কাৰ্ডৰ যোগেদি নিমন্ত্ৰন জনাই যদিও কিছুমান অঞ্চলত এতিয়াও তামোল পান ব্যৱহাৰ কৰে। কোনো লোকৰ ঘৰৰ আৰ্থিক অৱস্থা বেয়া হ'লে ছোৱালী বিয়া দিয়াৰ ক্ষেত্ৰত মাত্ৰ কেঁচা তামোল পান কাটিয়ে বিয়া দিয়ে।

ধৰ্মীয় কামটো তামোল পানৰ ব্যৱহাৰ হয়। মঠ-মন্দিৰ নামঘৰ আদিত নাম প্ৰসংগ কৰিলে ভগৱানৰ নামত এটি অৰিহণাৰ লগত তামোল-পানৰ টোপোলা এট আগবঢ়াই। পথাৰত গোজ লোৱা, লখিমী অনা আদি কামটো তামোল পানৰ ব্যৱহাৰ হয়। আঘোন মাহত ন-খোৱা সময়ত অসমত বসবাস কৰা কিছুমান জনগোষ্ঠীৰ লোকে ন-তামোলো ব্যৱহাৰ কৰে।

অসমত বসবাস কৰা বহু পৰিয়ালে আৰ্থিক দুৰবস্থাৰ সময়তো বাৰীৰ তামোল পান বিক্ৰী কৰি কম-বেছি পৰিমাণে অৰ্থ উপাৰ্জন কৰি পৰিয়ালটোৰ পোহ-পাল দিয়ে। অসমত বসবাস কৰা বেছিভাগ লোকৰ ঘৰতে এখন সৰুকৈ হ'লেও তামোল পানৰ বাৰী থকা দেখা যায়।

অসমীয়া সমাজত তামোল পানৰ বহল ব্যৱহাৰ হয় আৰু ইয়াৰ গুৰুত্ব কোনেও নুই কৰিব নোৱাৰে।

✦ ✦ ✦ ✦

"পঢ়নৰ পৰা দূৰৈৰ মাণিক হাতে পোৱা যায়।" - সত্যনাথ বৰা

# বন্ধুত্বৰ বিশেষ দিন-ফ্ৰেণ্ডশ্বিপ-ডে

**মহিম আহমেদ**
স্নাতক তৃতীয় ষান্মাসিক
ৰাজনীতি বিভাগ

বন্ধু হ'ল এজন শুভাকাংক্ষী ব্যক্তি যি আমাৰ জীৱনত প্ৰতিটো পদক্ষেপতে সংগ দিয়ে। সাধাৰণতে বন্ধু বুলিলে সংগ উপভোগ কৰিবলৈ ভাল পোৱা দুখন হৃদয় অথবা দুজন ব্যক্তিৰ কথাকেই বুজোঁ। বন্ধু হ'ল সেইজন যাৰ ওচৰত প্ৰকাশ কৰিব পাৰি হৃদয়ৰ নিভৃততম কোণৰ আশা-নিৰাশা, সুখ-দুখৰ কথা। পৃথিৱীত এনেকুৱা এজন মানুহ নোলায়। যিয়ে জীৱনত এটা মুহূৰ্তলৈ হ'লেও বন্ধুৰ প্ৰয়োজন অনুভৱ কৰা নাই।

বন্ধু বুলি ক'লেই আহি পৰা প্ৰধান শব্দটো হৈছে বন্ধুত্ব। বন্ধুত্ব বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। পুৰুষ-মহিলাৰ মাজত বন্ধুত্ব, পুৰুষৰ বন্ধুত্ব, মহিলাৰে মহিলাৰ বন্ধুত্ব, যুৱক-যুৱতীৰ মাজত বন্ধুত্ব আদি। বন্ধুত্বই কোনো পৰিসীমা নামানে। বন্ধুত্বৰ ভেটি গঢ়ি উঠে বিশ্বাসৰ ওপৰত।

মূলত: নি:স্বাৰ্থভাৱে সহযোগী সেৱাই হৈছে বন্ধুত্বৰ প্ৰধান ধৰ্ম। বন্ধুত্বৰ ক্ষেত্ৰত ছক্ৰেটিছে কৈছিল যে-বন্ধুত্বৰ পিনে লাহে লাহে আগুৱাই যাবা, এবাৰ বন্ধুত্ব গঢ়িলে তাত অবিচল, দৃঢ় আৰু স্থায়ী হৈ ৰ'বা। বন্ধুত্ব এনে এক সম্পৰ্ক, যি সহজে গঢ়ি উঠে। এনে সম্পৰ্কত নাথাকে কোনো আপেক্ষা বা চৰ্ত। বন্ধু অবিহনে জীৱণটো আধৰুৱা যেন অনুভৱ হয়। সেইসকল ব্যক্তি সৌভাগ্যশালী, যিয়ে বন্ধুত্বৰ এনাজৰীৰে বান্ধ খাই আছে।

বন্ধুক যথোচিত সন্মান দিয়াৰ উদ্যেশ্য তথা এজন ব্যক্তিৰ জীৱনত বন্ধুত্বৰ গুৰুত্ব আৰু ভূমিকাক ৰোমন্থণ কৰাৰ বাবে পালন কৰা হয় ফ্ৰেণ্ডশ্বিপ ডে। বিপদৰ বন্ধুহে আচল-বন্ধু।

✦ ✦ ✦ ✦

কেৱল খাই বৈ জীয়াই থকাটোৱেই জীৱন নহয়। জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটাব লাগে - চক্ৰেটিছ

# নাৰী সবলীকৰণ: নাৰীৰ অধিকাৰ সুৰক্ষাত সমাজৰ ভূমিকা

শ্ৰীমতী বিদিশা চক্ৰৱৰ্ত্তী
স্নাতক ২য় ষান্মাসিক

বৰ্তমান সমাজৰ এটা অতি গুৰুত্বপূৰ্ণ আৰু সকলোৰে দৃষ্টি আকৰ্ষণৰ বিষয়টো হ'ল "নাৰী নিৰ্যাতন"। আমাৰ সমাজ ব্যৱস্থাত কাঠ ফুলাৰ দৰে ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে নাৰী নিৰ্যাতনৰ ঘটনা। যোৱা ১৬ ডিচেম্বৰৰ "ডামিনী হত্যাকাণ্ড"ৰ পিছতে ক্ৰমান্বয়ে নিৰ্যাতনকাৰীৰ সংখ্যা বৃদ্ধি পাবহে ধৰিছে। নাৰীৰ ওপৰত চলা বৰ্ধিত হিংসাই সকলোৰে হৃদয় জোকাৰি গৈছে আৰু ইয়াক প্ৰতিহত কৰাৰ বাবে ব্যৱস্থাৰ আমূল সংস্কাৰৰ আৰু সমাজৰ সকলো অংশৰ সমবেত উদ্যোগৰ প্ৰয়োজনীয়তাও সকলোৱে বিচাৰে দিল্লীৰ ঘটনাৰ পাছত হোৱা জাগৰণে সকলোক অধিক সংবেদনশীল, সচেতন কৰিছে আৰু সকলো ব্যৱস্থাৰ আমোল সংস্কাৰ বিচাৰিছে আৰু পুৰুষ তান্ত্ৰিক চিন্তাৰ বিৰুদ্ধে বিদ্ৰোহ কৰাৰ সাহস তথা প্ৰেৰণা যোগাইছে। বৰ্তমান ই সবাতোকৈ ধনাত্মক দিশ। এই জাগৰণৰ অভিকেন্দ্ৰ দিল্লী যদিও সমগ্ৰ দেশত ইয়াৰ জোঁকাৰণি অনুভূত হ'ল। চৰকাৰ, ন্যায় ব্যৱস্থা, সুৰক্ষা ব্যৱস্থা, আইন ব্যৱস্থাৰ ওপৰত ইয়াৰ প্ৰবল প্ৰভাৱ পৰিছে আৰু সকলোৱে খুটি লৰিছে। নাৰী সমাজৰ ওপৰত শাৰীৰিক নিৰ্য্যাতন ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে তাৰোপৰি নাৰী সমাজৰ ওপৰত বিভিন্ন ৰূপত হিংসা, নিৰ্যাতন, অত্যাচাৰ, নিপীড়ন বৈষম্য আছে। তথাপি ধৰ্ষণ হ'ল সবাতোকৈ পাশৱিক, বীভৎস আৰু সমগ্ৰ হিংসাৰ ঘনীভূত প্ৰকাশ। দলিত আদিবাসী সমাজৰ পৰা আৰম্ভ কৰি উচ্চ বৰ্ণৰ সম্প্ৰদায়ৰ মাজত, ধনী-দুখীয়া শ্ৰেণীৰ মাজত "ধৰ্ষণ"ৰ দৰে কুটীল হিংসা বৰ্তি আছে। ধন-সম্পত্তিৰ বাবে, ব্যক্তিগত আক্ৰোশৰ বাবে, উচ্চ বৰ্ণই নিম্ন বৰ্ণৰ ওপৰত বা এটা সংখ্যা গুৰু ধৰ্মীয় সম্প্ৰদায়ে আন এটা সংখ্যালগুৰ ওপৰত অধিপত্য বজাই ৰাখিবৰ বাবে, আনকি বাগিচাৰ মালিকৰ অৰ্বণনীয় শোষন, নিপীড়নৰ বিৰুদ্ধে সাধাৰণ শ্ৰমিকে হত্যা-হিংসাৰ দৰে অপৰাধ কৰা দেখা যায়। কিন্তু এই আটাইবোৰ অপৰাধৰ ভিতৰত "ধৰ্ষণ" হ'ল উদ্দেশ্যবিহীন, হিংসা, ইয়াৰ একমাত্ৰ লক্ষ্য হ'ল এজন মানুহে আন এজনক দৈহিক, মানসিকভাবে বশ কৰা, ই মাথো দৈহিকভাৱে কৰা অপৰাধ নহয়, ই হৃদয়ৰ বিৰুদ্ধে কৰা অপৰাধ। সেয়েহে ই এজনৰ ভিতৰৰ অংগত, মানসিক আৰু হৃদয়ত কৰা এক সম্পূৰ্ণ সুকীয়া অপৰাধ। গতিকে, স্বাভাৱিকভাবেই এনে অপৰাধ প্ৰতিহত কৰাৰ বাবে সুকীয়া ন্যায় ব্যৱস্থা আৰু কঠোৰ আইনৰ প্ৰয়োজন। এনে আইন আমাৰ দেশত নাই। একেদৰে সুকীয়া ন্যায় ব্যৱস্থা আৰু সুৰক্ষা বাহিনীৰো প্ৰয়োজন।

আমাৰ দেশ ভাৰতবৰ্ষত ক্ৰমান্বয়ে বৃদ্ধি পাই অহা কন্যা ভ্ৰূন হত্যাৰ ফল স্বৰূপে কন্যা সন্তানৰ হাৰ ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰিছে। আন এটা গুৰুত্বপূৰ্ণ বিষয় হৈছে আমাৰ সুৰক্ষা ব্যৱস্থা দুৰ্নীতি গ্ৰস্ত। সৰু সুৰা অপৰাধ নিমূল কৰাৰ ক্ষেত্ৰত সততেই বিফল হয়। যদি সৰু অপৰাধবোৰ আৰক্ষীয়ে খৰতকীয়াকৈ সমাধা কৰিব পাৰে, তেন্তে ডাঙৰ অপৰাধ বহু পৰিমাণে কমি যাব।

গতিকে "নাৰীৰ অধিকাৰ" সুৰক্ষাৰ ক্ষেত্ৰত সকলোৱে এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰা উচিত।

# চিনেমা আৰু সমাজ ব্যৱস্থাত ইয়াৰ কু-প্ৰভাৱ

শ্ৰী চম্পল সোনোৱাল (ভাইটি)
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ (বিজ্ঞান শাখা)

হয়! চিনেমা আৰু সমাজ ব্যৱস্থাৰ মাজত বৰ্তমানে এক এৰাব নোৱাৰা ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছে।

সাম্প্ৰতিক কালত চিনেমাৰ অনুকৰণ কৰি কিছুমান অধ:পতিত যুৱক-যুৱতীয়ে বিভিন্ন সামাজিক স্থানত যেনে ৰাষ্টাঘাট, চিত্ৰগৃহ, পাৰ্ক আদিঠাইত অসামাজিক কামত লিপ্ত হয়।

বৰ্তমান যুগ হৈ পৰিছে অনুকৰণীয় যুগ। ইজনক অনুকৰণ কৰি সিজনে আগবাঢ়িব বিছাৰে। যদি অনুকৰণীয় যুগ বা প্ৰতিযোগীতাৰ যুগ নহল হেতেন তেতিয়া সমাজত বেছি উচ্ছৃঙ্খল তথা বিভিন্ন অপকৰ্ম সৃষ্টি হ'ল হেতেন। যেনেধৰা সমাজত ধনীবোৰ সদায় ধনীয়ে হৈ থাকিল হেঁতেন আৰু দুখীয়াবোৰ সদায় দুখীয়াই হৈ থাকিল হেতেন, ফলত দুখীয়া আৰু ধনীৰ মাজত বিভেদ সৃষ্টি বেছি হ'ল হেঁতেন। অনুকৰণ বৰ্তমাণে সমাজ ব্যৱস্থাৰ উন্নতিৰ অন্য এক প্ৰয়োজনীয় মাধ্যম হিচাপে গঢ় লৈ উঠিছে। অলোচ্য বিষয় সেয়া নহয়।

এই প্ৰবন্ধতিত মই মোৰ জীৱনত চিনেমা (চিত্ৰ) চাই পোৱা অভিজ্ঞতাৰ বিষয়ে আৰু ইয়াৰ নিৰ্মোলৰ বিষয়ে জনাম।

সৌ, সিদিনালৈকে আমাৰ অসমৰ গুৱাহাটী, শিৱসাগৰ, মাজুলি ভদ্ৰ, শিক্ষিত মানুহৰ স্থান বুলি সকলোৱে গৌৰব কৰিব খোজে! ময়ো কওঁ আৰু কৈয়ে থাকিম। কিন্তু! বৰ্তমাণে সেই সন্মান সূচক সৌজন্যতা খিনি কিছুমান মুখা পিন্ধা অভদ্ৰ নিলাজ লম্পট চৰিত্ৰৰ মানুহৰ বাবে বজাই ৰাখিব পৰা গলনে? তেওঁলোকে সেই সন্মান সূচক সৌজন্যতাখিনি ঘূৰাই আনিব পাৰিবনে?

কিছুমান লম্পট চৰিত্ৰৰ মানুহৰ বাবে আমাৰ সমাজ তথা সচেতন ৰাইজ (মহল) বৰ্তমাণে চিন্তান্বিত হৈ পৰিছে তাক নি সন্দেহে কব পাৰি। কিদৰে ইয়াক নিৰ্মোল কৰিব পাৰি? হয়! ইয়াক নিৰ্মোলৰ কাৰণে একমাত্ৰ অভিভাৱক অভিভাৱিকা আৰু আইন তাগিদাত হব লাগিব।

মই ন দি কব খোজা ইয়াৰ একমাত্ৰ দায়ী অভিভাৱক -অভিভাৱিকা আৰু চিত্ৰ নিৰ্মাতা সকল অভিভাৱক সকলে নিজৰ সন্তানৰ প্ৰতি দুৰ্বল মনোভাৱ দিয়াৰ কাৰণে সমাজত কিছুমান অসামাজিক ঘটনা সঘনে ঘটা পৰিলক্ষিত হয়। আজিৰ যুগক কিছুমান মৰ্দাণ যুগ বুলি নিজৰ সন্তানক বেশভূষণৰ প্ৰতি চকু নিদিয়ে। কোনোৱে কলে কয় কেট্ৰিনাই পিন্ধিব পাৰে মোৰ ছোৱালীয়ে পিন্ধাত কি অপৰাধ। আকৌ চিত্ৰ নিৰ্মাতা সকল! তেওঁলোকে নিজৰ সংস্কৃতি বজাই ৰখাৰ স্বাৰ্থত নে পেটপোহাৰ স্বাৰ্থত চিত্ৰ নিৰ্মান কৰে সেই উত্তৰ পাবৰ বাবে মই বৰ্তমাণে সাবো দাবো খাইছো। তেওঁলোকে ভাৱে সংস্কৃতি উন্নয়নৰ কাৰণে। আজি বহু সংখ্যক চিত্ৰত দেখিবলৈ পোৱা যায় বিভিন্ন অসামাজিক কাম নিজৰ স্বাৰ্থৰ খাতিৰতে তুলি ধৰে তেনে বোৰ দৃশ্য। যিবোৰ দৃশ্য ঘৰৰ সকলোৱে মিলি সন্মানৰ স্বাৰ্থত চাব নোৱাৰে যাৰ দ্বাৰা সমাজ ব্যৱস্থা কলংক হৈ পৰিছে। মই প্ৰশ্ন কৰো তেওঁলোকক কি চিত্ৰত দাঙি ধৰিব পৰা বেলেগ চৰিত্ৰ নাই নেকি? হয়- মই চোৱা এখন অসমীয়া 'চিৰিয়েললৈ মনত পৰিছে'- (নাম "তুমি দুচকুত কাজল ললে") এই ছবিখনত

এটি দৃশ্যাংশত অসামাজিক কাম ফুটি উঠিছে, যিটো কামৰ বাবে অভিনেত্ৰী গৰাকীয়ে নিজৰ আপোন জনৰ পৰা বৰ, মাৰ খাব লগীয়া হৈছিল। হয়! সেই দৃশ্যাংশৰ লগত ৯ জুলাই ২০১২ গুৱাহাটী মহানগৰৰ মাজ মজিয়াত ৪৫ মিনিট যোৱা মৌচুমী শৰ্মা ওৰফে ৰাণীৰ করুণ কাহিনী মিল নাই জানো। যাৰ বাবে সাংবাদিক গৌৰৱজ্যোতি নেওগৰ দৰে সমাজ সেৱক হৈ পৰিছিল ৰঙা ঘৰৰ আলহী। অসমীয়াত এষাৰ কথা আছে "আপোন ভালেই জগত ভাল"।

আকৌ "ককটেইল" নামৰ চিত্ৰখন মই এটা ব্যক্তিগত চিত্ৰগৃহত প্ৰথম বাৰৰ বাবে চিনেমা উপভোগ কৰিছিলো এখন ৰঙীন পৰ্দাত এখন এন্ধাৰ ছবি গৃহৰ এটা চুকত বাস্তৱিক চিত্ৰ। ৰঙীন পৰ্দাত অৱশ্যে বহু মানুহ কিন্তু! বাস্তৱিক চিত্ৰত দুগৰাকী কলংকিত যুৱক-যুৱতীৰ অসামাজিক ছবি।

এতিয়া মই চিত্ৰ গৃহৰ পৰিচালক সকলক প্ৰশ্ন কৰো কি চিত্ৰ গৃহ বনাই টিকেটৰ চান্দা তুলি চিত্ৰ দেখোৱালেই তেওঁলোকৰ দায়িত্ব শেষ নেকি?

শেষত জনাওঁ এয়া মাথো সৰু উদাহৰণহে ইয়াতকৈও বহু ডাঙৰ ডাঙৰ বাস্তৱিক ঘটনা আমাৰ মাজত লুকাই আছে।

আহক আমি সকলোৱে মিলি এখন নিকা শান্তিময়, ভদ্ৰ, আদৰ্শবান সমাজ গঢ়াত অংশ লওঁ।

✦ ✦ ✦ ✦

হাহোঁ আহাঁ?

BREAKING NEWS :

যোৱাকালি ডিব্ৰুগড় নিউ মাৰ্কেটত এটা পকা অমিতাৰ বিস্ফোৰণত কেইবাগৰাকী ৰঙালাউ, টিয়হঁ আৰু বেঙেনা নিহত হোৱাৰ লগতে কেইটামান খুদ জলকীয়া আহত হয়।

কেমেৰাপাৰচন বন্ধাকবিৰ সৈতে গাজৰ

NEWS LIVE DIBRUGARH

- দিব্যজ্যোতি বড়া

# নিচাযুক্ত ঔষধ: বৰ্তমান সমাজৰ এক মাৰাত্মক ব্যাধি

ভাস্কৰ জ্যোতি গগৈ
স্নাতক প্ৰথম ষান্মাসিক
ভূগোল বিভাগ

বৰ্তমান সমাজৰ এক মাৰাত্মক ব্যাধি হৈছে নিচাযুক্ত দ্ৰব্য। ইয়াৰ প্ৰতি আসক্তি আজিৰ যুৱ-প্ৰজন্মৰ মাজত ক্ৰমাগতভাৱে বৃদ্ধি পাব ধৰিছে। যুৱ-প্ৰজন্মৰ মাজত বিয়পি পৰা এই প্ৰভাৱৰ মূলতে কি? ই হৈছে মনুহৰ মন আৰু শৰীৰৰ ওপৰত ক্ৰিয়া কৰা। কিছুমান ৰাসায়নিক ঔষধ। এই ঔষধ ব্যৱহাৰৰ ফলত বহুতো যুৱক-যুৱতী মানসিক ভাৱে পঙ্গু হৈ পৰাৰ লগতে বিপথে পৰিচালিত হৈছে।

নিচাযুক্ত ঔষধ সেৱন কৰিলে সেৱন কৰোতা জনে মনত এক ক্ষণিক আনন্দ লাভ কৰে। বেমাৰ হোৱা মানুহৰ ক্ষেত্ৰত ই বিষস্বৰূপ। চিকিৎসক সকলে এই দ্ৰব্য বিভিন্ন ৰোগত সীমিতভাৱে প্ৰয়োগ কৰা দেখা যায়। এজন ৰোগীয়ে ইয়াক ব্যৱহাৰ কৰিলে ৰোগৰ পৰা ক্ষন্তেকীয়া আৰাম লাভ কৰে আৰু মনটো বেমাৰৰ পৰা আঁতৰাই ৰাখিব পাৰে কিন্ত এজন সুস্থ সবল স্বাভাৱিক মানুহে এই দ্ৰব্য এবাৰ ব্যৱহাৰ কৰাৰ পাছত তাক সহজতে এৰি দিব নোৱাৰে। ফলত ই এক নিছাত পৰিণত হয়। এনে ঔষধবোৰৰ উপৰিও মদ, ভাং, কানি আদিও নিচাযুক্ত দ্ৰব্যই সামৰি লয়। বৰ্তমান সময়ত ভাঙৰ গুটিৰ পৰা তৈয়াৰ কৰা মাৰিজুৱানা আৰু কনিৰ পৰা প্ৰস্তুত কৰা হিৰোইন, ব্ৰাউনচুগাৰ আদি নিচাযুক্ত দ্ৰব্য বহুল পৰিমাণে প্ৰচলিত হৈছে।

নিচাযুক্ত দ্ৰব্য ব্যৱহাৰৰ অনেক কু-পৰিণাম আছে। এই দ্ৰব্য অত্যাধিক ব্যৱহাৰ কৰিলে এজন ব্যক্তি মৃত্যুমুখতো পৰিব পাৰে। ইয়াক ব্যৱহাৰ কৰাৰ লগে লগেই পাৰ্শ্বক্ৰিয়া আৰম্ভ হয়। ফলত ব্যৱহাৰ কৰোতাজনৰ মন সামসিক আনন্দ আৰু ৰঙীণ কল্পনাৰে সজীৱ হৈ পৰে। সময়ৰ অগ্ৰগতিৰ লগে লগে এনে ঔষধ সেৱন নকৰিলে ব্যক্তিজন স্থিৰেৰে থাকিব নোৱাৰা অৱস্থা হয়। ফলত এওঁলোক মানসিক আৰু শাৰীৰিক ৰোগত ভোগে। একেটা বেজীৰ দ্বাৰা ইজনে সিজনৰ পৰা খুচি ঔষধ গ্ৰহণ কৰাৰ ফলত এইচ। আই। ভি আৰু এইড্চ্ৰ দৰে ভয়াবহ মাৰাত্মক বেমাৰ এজনৰ পৰা আনজনৰ দেহলৈ সংক্ৰামিত হয়। সাধাৰণতে মনৰ দুখ গুচাবলৈ বহুজনে এই দ্ৰব্য ব্যৱহাৰ কৰে। আত্মীয়স্বজন বা প্ৰিয়জনৰ পৰা অবাঞ্চিত ব্যৱহাৰ পালে মনৰ চিন্তাকে ভিন্নমুখী কৰিবলৈ এই নিচাযুক্ত দ্ৰব্যৰ আশ্ৰয় লয়। অৱশ্যে সমাজৰ অভিজাত পৰিয়ালবোৰৰ যুৱক-যুৱতীৰ মাজত ইয়াৰ আসক্তিয়ে ব্যাপকৰূপ ধাৰণ কৰিছে।

এবাৰ এনে দ্ৰব্য গ্ৰহণ কৰাৰ লগে লগে ইয়াৰ পৰা ওলাই অহা কঠিণ। সেয়েহে যুৱক-যুৱতী সকলে এনে নিচাযুক্ত বস্তুবোৰৰ পৰা আঁতৰি থাকিব লাগে। দৰকাৰ ন'হলে কেতিয়াও টোপনি অহা পিল ব্যৱহাৰ কৰিব নালাগে। ভাৰতবৰ্ষত বৰ্তমান বিভিন্ন মাফিয়া চক্ৰই মধ্য প্ৰাচ্যৰ দেশসমূহৰ পৰা ড্ৰাগচ্ আনি এক ৰমৰমীয়া চোৰাং ব্যৱসায় চলাইচে। সমাজৰ এনে দুষ্ট ব্যৱসায়ী চক্ৰটোক চিনি উলিয়াই ইয়াক ৰোধ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিলেহে, আজিৰ যুৱ প্ৰজন্ম ড্ৰাগচ্ আসক্তিৰ পৰা মুক্ত হ'ব। অন্যথা এওঁলোকক ড্ৰাগচ্ৰ কবলৰ পৰা উদ্ধাৰ কৰিব নোৱাৰিলে দেশে কোনো উন্নতি সাধন কৰিব নোৱাৰে। বৰ্তমান সময়ত ড্ৰাগচ্ আসক্ত ব্যক্তিক পুনৰ সুস্থ কৰি

তোলাৰ বাবে বিভিন্ন ধৰণৰ চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। এই প্ৰতিষ্ঠাণ সমূহে গ্ৰহণ কৰা আঁচনিসমূহ সু-প্ৰয়োগ কৰিলে অনাগত দিনত এনে ড্ৰাগচ্ আসক্ত ব্যক্তিৰ সংখ্যা কম হ'ব।

আজি সমাজত সকলো ধৰণৰ অশান্তি বিয়পি পৰাৰ মূলতে হৈছে নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ। ইয়াক সমূলে নাশ কৰিব নোৱাৰিলে দেশ তথা সমাজৰ মানৱ সম্পদৰ কেতিয়াও উন্নতি হ'ব নোৱাৰে। সেয়েহে, ইয়াক ৰোধ কৰাৰ বাবে সামাজিক অনুষ্ঠাণ-প্ৰতিষ্ঠাণ সমূহ আৰু চৰকাৰ আগবাঢ়ি আহিব লাগে। দেশৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাত ড্ৰাগচ্‌ৰ প্ৰভাৱ ৰোধ কৰিব পাৰিলেহে দেশ উন্নতিৰ পথত আগবাঢ়িব পাৰিব।



স্নাতক প্ৰথম ষান্মাসিক নৃতত্ত্ব বিভাগৰ ছাত্ৰী দীপাৱলী কুৰ্মিয়ে অসম সাহিত্য সভাই আয়োজন কৰা "অসমৰ অথনীতি আৰু চাহশিল্প" বিষয়ৰ ৰচনা প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠত্ব অৰ্জন কৰে। দীপাৱলীয়ে উক্ত ৰচনাৰ বাবে অসম সাহিত্য সভা দ্বি-সপ্ততিতম বৰপেটা ৰোড অধিৱেশতন নৱ-নিৰ্বাচিত সভাপতি নবাব ইমৰাণ শ্বাহৰ পৰা 'বনমালী শইকীয়া সোঁৱৰণী বঁটা' লাভ কৰিবলৈ সক্ষম হৈছে।

# ফেচবুকত তোমাৰ মহিমা

শ্ৰী ঋতুপৰ্ণ ভূঞা
উপ-সভাপতি (ছাত্ৰ একতা সভা)

ঐ নিবিৰ তোৰ এয়াৰচেলটো এয়াৰচেল ফ্ৰি আছে নহয়, দেনা মবাইলটো পাঞ্চালীক কল এটা কৰোঁ। -চিন্ময় চিঞৰিলে।

মই শুনিও নুশুনাৰ ভাও ধৰি থাকিলো।

আকৌ চিঞৰিলে সি- দে অক'

ৰহ, মই ফেচবুক'ত অনলাইন চাট কৰি আছো, তোৰ পাঞ্চালীয়ে চাগে এতিয়া কোনোবা অৰ্জুন বা ভীমৰ লগত বিজি হৈ আছে-চাগে-

মই ক'লো।

হ'ব দে, তাই কেৱল মোকহে ভাল পাই, কিযে মৰম কৰে মোক; তাইৰ মেছেজ কি চাবা দেহা, সোণ, ছুইটো উস এইবোৰ পাই থাকিলে মই যে ভাত নোখোৱাকৈয়ে থাকিব পাৰিম, হ'ব দে নিদিয় যদি নেলাগে তোৰ ফোন, মোৰটোত মাইনাছ লাগি আছে কাৰণেহে খুজিছিলো।

সি মুখখন গোমোঠাই নিজৰ মোবাইল্টো লিৰিকি বিদাৰি থাকিল।

মই ব্যস্ত হ'লো ফেচবুক'ত-যোৱাকালী যে ফ্ৰেণ্ড ৰিকুৱেষ্ট এক্সেপ্ট কৰিছিলো, হিয়া তাই দেখোন অনলাইন আছে তাইৰ লগতে চাট কৰো মই মেছেজ কৰিলো তাইক-হাই

মুহুৰ্ততে তাই উত্তৰ দিলে-হেল্ল

এনেকৈয়ে তাইৰ লগত বহুত সময় কথা পাতিলো তাইৰ ঘৰত কোন কোন আছে, তাই কি পঢ়ি আছে ইত্যাদি ইত্যাদি। তাই এইবাৰ হায়াৰ ছেকেণ্ডাৰী ফাইনেল দিব, তাইৰ এটা কথা ভাল লাগিল মোক ক'লে -'নিবিৰ' বহুত ধুনীয়া নাম তোমাৰ, ময়ো বহুত গৰ্ব অনুভৱ কৰিলো কাৰণ জীৱনত মোক এজনী ছোৱালীয়ে প্ৰশংসা কৰিছে। দুদিনমান চেনিখাই প্ৰপ'জেল দিয়ে দিম ৰ' বাপ্পেকে।

ঐ তই ভাত খাৱনে?-চিন্ময়ে চিঞৰাত মই মোবাইলটো থৈ ভাত খাবলৈ গ'লো।

পাছদিনা ৰাতিপুৱাই কাৰোবাৰ কথা পতা শুনি খকামকাকৈ সাৰ পালো,-পাছত গম পালো আমাৰ চিন্ময় মহাজনেহে পাঞ্চালীক বাণী শুনাই আছে। কাষত ফোনটো নেদেখি ইফালে সিফালে চাই দেখো বেটাই মোৰ ফোনটো লৈ কথা পাতি আছে। সি ফোনত জানু কিবা এটা দিয়ানা বুলি কৈছিলহে ঘপকৈ ফোনটো কাঢ়ি আনিলো।

ধ্যেৎ চুমা এটা দিব লৈছিলহে তই গণ্ডগোল লগাই দিলি, তই দোস্তি নামত কলংক-সি কলে।

হ'ব হ'ব ৰাতিপুৱাই পুৱাই মোৰ ফোনটো অপবিত্ৰ কৰিব নালাগে

মই ক'লো।

কিবা-কিবি কৰি থাকোঁতে কলেজ যাবৰ হ'লেই, দুয়োটাই কলেজলৈ ওলাইগলো-মই গলো ক্লাছলৈ আমাৰ মহাজন গৰ্ল প্ৰেম গলিলৈ, পাঞ্চালী আগৰ পৰাই তালৈ বাট চাই আছিল।

ক্লাছ শেষ হোৱাৰ পাছত আহি দেখো দুই প্ৰেমিক-প্ৰেমিকা প্ৰেমতেই মচগুল, মোৰ মনে মনে কেতিয়াবা চিন্ময়লৈ ঈৰ্ষাও হয়, ইমান ধুনীয়া প্ৰেয়সী পাঞ্চালী মোৰহে কোনো নাই।

দোস্ত ক্লাছ কৰিলি, নোটছখিনি তোৰপৰাই লৈ লম দে-চিন্ময়ৰ মাতত মই বাস্তৱলৈ আহিলো।

নিবিৰদা, ভাল আপোনাৰ-পাঞ্চালীয়ে সুধিলে

অ'ভালেই-মই উত্তৰ দিলোঁ।

আজি কিন্তু আপোনাক তামাম হেণ্ডচাম লাগিছে দেই-তাই ক'লে, মই অলপ ফুলিগলো যদিও মনে মনে ভাবিলো বেটী কেইজনক মায়াৰ পাশত নাবান্ধ তই, পিছে অমুকাক নোৱাৰ।

মিহিকৈ তাইক Thanks বুলি কলো।

বলকনা নিবিৰ দা কেন্টিনত কিবা খাওঁ গৈ বহুতদিন একেলগে বহাই নাই।

পাঞ্চালীয়ে জোৰ কৰাত কেন্টিনলৈ গ'লো পাছে বিল দি ঘুৰি আহোঁতেহে মোৰ পকেটৰ অৱস্থা অতি শোচনীয় হ'ল-চিন্ময়ৰ ওপৰতে ভিতৰি মোৰ খং উঠিল।

কেন্টিনৰ পৰা তাইক বিদায় দি আমি দুয়ো ৰুমলৈ আহিলো পাই অলপ জিৰাই-শতাই আকৌ ফেচবুকত লাগিলো, দেখিলো হিয়া অনলাইনেই আছে, তাইৰ 'ইনফ' চাই দেখো তাই বৰ্তমান চিংগুলেই আছে। তাইক গুড আফটাৰণুন'ৰ মেচেজ এটা দি কথা পাতিব ধৰিলো-কথাৰ মেৰপাকত এনেকৈ সোমাই পৰিলো যে তাইক ভাল পাওঁ বুলি কৈয়ে দিলোঁ-তাই দুদিনমান সময় দিবৰ বাবে ক'লে, মই ফূৰ্তিত কি কৰোঁ কিনকৰোঁ হৈ পৰিলো। অলপ পাছতেই তাই মেছেজ কৰি নাম্বাৰ এটা দি কলে যে তাইৰ ওলাই যোৱাত বৰ্তমান অসুবিধা গতিকে ৰিচাৰ্জ এটা কৰি দিব লাগে। ময়ো লগে লগে গৈ সেই নাম্বাৰটোত ২০০ টকাৰ ৰিচাৰ্জ কৰি দিলোঁ। মনে মনে ভাবিলো হে ভগৱান এইবাৰ যেন চকু মেলি চোৱা। ৰিচাৰ্জটো পায়েই তাই মোলৈ থেংকচ্ বুলি মেছেজ এটা দিলে, ময়ো ৱেলকাম বুলি ৰিপ্লাই দি দিলো। দুদিনৰ পাছত তাইৰ উত্তৰটো পজিটিভেই হ'ল। সেইদিনাৰ পৰা ফেচবুকতো তাইৰ লগত কথাপাতো ফোনতো ঘন্টাৰ পাছত ঘন্টা কথা পাতিবলৈ ললো, তাইক নিতৌ ৫০-৬০ টকা ৰিচাৰ্জ কৰি দিও। লাগিলে ৰুমত সুদা ভাত খাওঁ কিন্তু মোৰ আমঠু হিয়াক মই ৰিচাৰ্জ কৰি দিওঁ ৱেই কিয়নো মোৰো সন্মান বোলা বস্ত এটা আছে অকল চিন্ময়ৰহে প্ৰেয়সী আছে নেকি মোৰো আছে। এনেকৈ এমাহমান পাৰ হ'ল, তাই ফেচবুকত নিজৰ ফটো দিব কলে কোনোদিন নিদিয়ে তেতিয়া কয় ফটো কিয় পাছতচোন মানুহজনীকে পাবা, হয়ো কথাটো ছোৱালী হ'লে এনেকুৱা ভাল হ'ব লাগে। আজিকালি ময়ো গৌৰৱ কৰো চিন্ময়ৰ আগত। ইমান কম সময়ৰ ভিতৰতে হিয়াই মোক ইমান ভালপাই পেলাব মই আশাই কৰা নাছিলো।

অহাকালি তাই মোক লগ কৰাৰ কথা কৈছে-ময়ো ফূৰ্তিত থাকিব পৰা নাই, চিন্ময়কো মোৰ লগত লগ

ধৰিলো সিও যাবলৈ ৰাজি হ'ল, পাছদিনা তাই কোৱা ঠাইত আমি দুয়ো গৈ উপস্থিত হ'লো, কিন্তু এঘন্টা-দুঘন্টাকৈ তিনিঘন্টা পাৰ হৈ গ'ল তাই অহাই নাই, মোবাইলো চুইচ অফ্। হঠাৎ মেচেজ এটা অহাৰ উমান পাই মোবাইলটো চালো; মেচেজটো পাই মোৰ মূৰ আচন্দ্ৰা কৰিবলৈ ধৰিলে মেছেজটো চিন্ময়ক দেখুওৱাত তাৰো মুখৰ মাত সৰিল। মেছেজটো হ'ল-নিবিৰদা ক্ষমা কৰিব মই ঘৰৰ ওচৰতে ৰাস্তাৰ কাম কৰি থকা ঠিকাদাৰ এজনৰ লগত পলাই আহিলো আৰু মই কোনো 'হিয়া' নহয় মই পাঞ্চালীহে।

মই। চিন্ময় দা আৰু আপোনাৰ লগত অলপ ধেমালি কৰিলো, বেয়া নাপাব। বাই।

মই চিন্ময়ৰ মুখলৈ চালো আৰু সি মোলৈ চালে-

সি ক'লে পাঞ্চালীৰ মহিমা সঁচাই অপাৰ।

সঁচাই নাৰীৰ মহিমা স্বয়ং ভগৱানেই নুবুজিলে আমিনো কোন কুট। এইবুলি কৈ দুয়ো ৰুম অভিমুখে আগবাঢ়িলো।

✦ ✦ ✦ ✦

# ডাইনী হত্যা : এক অৱলোকন

শ্ৰী মনদীপ চেতিয়া
স্নাতক তৃতীয় বৰ্ষ

জীৱ শ্ৰেষ্ঠ মানৱ। এক বিংশ শতিকাৰ উচ্চ শিখৰত উপনীত হৈ আজিও আমাৰ সমাজত ডাইনী হত্যাৰ দৰে জঘন্য ঘটনা হৈ আছে। 'ডাইনী হত্যা' এই শব্দটো শুনিলে এটা প্ৰশ্নই মনৰ মাজত জাগি উঠে যে আমি সচাঁই এক-বিংশ শতিকাৰ জীৱ শ্ৰেষ্ঠ মানৱ নে? বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ উচ্চ শিখৰত উপনীত হৈও ডাইনী হত্যাৰ দৰে দুষ্কাৰ্য্য চলি থকাৰ পাছতো আমি নিজকে এক বিংশ শতিকাৰ জীৱ শ্ৰেষ্ঠ মানৱ বুলি কোৱাৰ যোগ্য নে?

আমাৰ সমাজত দেখা দিয়া সমস্যা সমূহৰ ভিতৰত ই এক অন্যতম সমস্যা হিচাপে পৰিগণিত হৈছে। প্ৰাথমিক অৱস্থাত এই ঘটনাবোৰ পঢ়িলে বা শুনিলে এনে ভাব হয় যে কিছুমান অশিক্ষিত, অন্ধবিশ্বাসী লোকে এনে ধৰণৰ দুষ্কাৰ্য্য সংঘাত কৰিছে। কিন্তু গভীৰ ভাৱে যেতিয়া এই ঘটনাবোৰ পৰ্য্যবেক্ষণ কৰা হয় তেতিয়া দেখিবলৈ পোৱা যায় যে শিক্ষিত, অশিক্ষিত, ধনী-দুখীয়া সকলো শ্ৰেণীৰ লোক কিবা নহয় কিবা প্ৰকাৰে এই ধৰণৰ ঘটনাৰ লগত জড়িত হৈ পৰে।

ডাইনী হত্যাক যদিও এক অন্ধবিশ্বাসৰ লগত জড়িত ঘটনা সমস্যা বুলি কোৱা হয় কিন্তু বিভিন্ন ক্ষেত্ৰত দেখিবলৈ পোৱা যায় যে অন্ধবিশ্বাসৰ লগতে সম্পত্তি, লিংগ বৈষম্য, হিংসা-বিদ্বেষ তথা ব্যক্তিগত আক্ৰোশ ইত্যাদিও বহু ক্ষেত্ৰত দায়ী। ডাইনী হত্যাৰ লগত জড়িত দোষীক শাস্তি দিলেই এনেবোৰ ঘটনা ৰোধ কৰিব পৰা নাযায়। জনসচেতনাৰ লগতে পিছপৰা অনুন্নত গাওঁ সমূহলৈ চিকিৎসাৰ সু-ব্যৱস্থা কৰিব লাগিব। দুৰ্ভাগ্যজনকভাৱে আজিও এনে কিছু মান গাওঁ আছে য'ত চিকিৎসাৰে নাম মাত্ৰ সুবিধাকণো নাই, আজিও সাধাৰণ চিকিৎসাৰ বাবে বেজৰ ওচৰলৈ যাবলৈ বাধ্য হয় জনসাধাৰণ। যেতিয়া বেজে এই বেমাৰ ভাল কৰিব নোৱাৰে তেতিয়া ইয়াক গাঁওখনত ডাইনীৰ কু-প্ৰভাৱ পৰা বুলি কৈ কিছু লোকক ডাইনী হিচাপে চিহ্নিত কৰে। ডাইনী চিনাক্তকৰণৰ বাবে বেজে বিভিন্ন ধৰণৰ প্ৰক্ৰিয়া অৱলম্বন কৰে। কেতিয়াবা গাৱতো কোনো মহিলা বা বয়সস্থ লোক কোনো ৰোগ বা অপায় অমঙ্গলৰ কাৰণে দায়ী কৰে আৰু সেই ব্যক্তিক ডাইনীৰ আখ্যা দিয়া হয়। আকৌ কেতিয়াবা বেজে পোন পটীয়াকৈ কোনো ব্যক্তিৰ নাম নকৈ গঞাই সহজে চিনিব পৰাকৈ সেই ব্যক্তিজনৰ খবৰ আশে পাশে থকা বা সেই বিশেষ ব্যক্তিগৰাকীৰ আচাৰ-ব্যৱহাৰৰ ইংগিত দিয়ে যাতে জনসাধাৰণে নিজে 'ডাইনী' চিনাক্ত কৰি উলিয়াব পাৰে। এইবোৰৰ উপৰিও কোনো লোকৰ বেমাৰ আজাৰ হৈ থকা ৰোগীজনক শাস্তি দিয়ে আৰু শেষত ৰোগীজনে তেওঁ ভাল নোপোৱা বা ব্যক্তিগত আক্ৰোশ থকা ব্যক্তিৰ নাম লয়, যাক ডাইনীৰ আখ্যা দিয়া হয়। বেজবোৰ ধৰি আনি শাস্তি প্ৰদান কৰিলেই এই প্ৰথা বন্ধ হৈ নাযায়।

সচৰাচৰ দেখিবলৈ পোৱা যায় যে যেতিয়াই ডাইনী হত্যা হয় তেতিয়াই কাগজে কলমে ইয়াৰ বহুল চৰ্চা হয়। সংবাদ মাধ্যম, চৰকাৰী স্বেচ্ছাসেৱী সংগঠন সমূহ কিছু দিন সক্ৰিয় হৈ উঠে আৰু লাহে-লাহে থাম কাটে। বহুদিনৰ পৰা ইয়াক ৰোধ কৰিবৰ বাবে বহু সংগঠনে চৰকাৰৰ ওচৰত এখন আইনৰ দাবী কৰি আহিছে কিন্তু আজি পযন্ত অসমত এনে এখন আইন প্ৰণয়ণ হৈ উঠা নাই। দেশৰ কেইখনমান ৰাজ্যই এনে ধৰণৰ আইন প্ৰণয়ণ কৰিছে তাৰ

পাছত ঝাৰখণ্ড, ছত্তীশগড় আৰু ৰাজস্থানতো এনে ধৰণৰ আইন প্ৰণয়ণ কৰা হৈছে। অসমত ২০০১ চনত জন সাধাৰণৰ মাজত ডাইনী হত্যা বিৰুদ্ধে সজাগতা আনিবলৈ অসম আৰক্ষীয়ে 'প্ৰজেক্ট প্ৰহৰী' নামৰ এখন আঁচনি কোকৰাঝাৰ জিলাত আৰম্ভ কৰিছিল। কিন্তু সেই আঁচনি চলাই নিয়াত চৰকাৰ আৰু প্ৰশাসন সম্পূৰ্ণৰূপে ব্যৰ্থ হয়।

ডাইনী হত্যাৰ দৰে ঘটনা অসমত পূবৰ্তেও হৈছিল আৰু আজিও হৈছে কিন্তু পূৰ্বতে এই ঘটনাবোৰৰ বৰ বেছি চৰ্চা হোৱা নাছিল। সময়ৰ অগ্ৰগতিৰ লগে-লগে এইবোৰ ঘটনাৰ বৃদ্ধি বেছি উদ্বেগজনক। এই ব্যাধি ৰোধ কৰিবৰ কাৰণে সামাজিক জাগৰণৰ প্ৰয়োজন হৈ পৰিছে। এই ধৰণৰ ব্যাধি ৰোধ কৰিবলৈ ৰাজনৈতিক সদিচ্ছাৰ অতিকৈ প্ৰয়োজন।

এই ধৰণৰ সমস্যা ৰোধ কৰিবৰ বাবে চৰকাৰ, প্ৰশাসন, সামাজিক অনুষ্ঠান, ছাত্ৰ সংগঠন, শিক্ষাবিদ, বুদ্ধিজীৱী, ৰাজনীতিবিদ, ৰাজনৈতিক অনুষ্ঠান সকলো একগোট হৈ জণসাধাৰণৰ মাজত সজাগতা অনাটো অতিকৈ প্ৰয়োজন। ইয়াৰ অন্যথা এইবোৰ সমস্যা সমাধান বা নিৰ্মূল কৰিব পৰা নাযায়। ডাইনী হত্যাৰ কাৰ্যটোক এটা অপৰাধমূলক কাৰ্য হিচাপে নলৈ ইয়াক এক সামাজিক ব্যাধি হিচাপে লৈ ইয়াৰ বিৰুদ্ধে জণসাধাৰণক সজাগ কৰি 'ডাইনী হত্যা'ৰ দৰে জঘন্য কাণ্ড ৰোধ কৰিব পৰা যায়। যদি অতি সোণকালে এই সামাজিক ব্যাধিক ৰোধ কৰিব পৰা নাযায়, তেতিয়া আমি নিজকে জীৱ শ্ৰেষ্ঠ মানৱ বুলি কোৱাৰ পৰা বিৰত থাকিব লাগিব।

✦ ✦ ✦ ✦

## মহৎ লোকৰ বাণী

"মাক-দউতাকৰ অজ্ঞানতাই হৈছে ল'ৰা-ছোৱালীৰ কোমল মন বিকাশৰ হেঙাৰ স্বৰূপ আৰু শেষত নিজেই নিজৰ অজ্ঞানতাৰ কৰণে অনুতপ্ত হবলগীয়াত পৰে"। - ৰাজা গোপালাচাৰী

"পাপক ঘৃণা কৰিবা কিন্তু পাপীক ঘৃণা নকৰিবা।" - যীশুখ্ৰীষ্ট

"খং হৈছে এবিধ বিষ যি মানুহৰ মৃত্যুও ঘটাব পাৰে।" - ছেইন্ট আগষ্টন

**ভ্ৰমণ স্মৃতি :**

# ইউ. এ. ই. ত এসপ্তাহ

ড° ভাৰতী দত্ত

ইউনাইটেড আৰব এমিৰেট্‌ছ (UAE) বা সংযুক্ত আৰব ৰাষ্ট্ৰ ভ্ৰমনৰ ইচ্ছা এটা বহুদিনৰ পৰা মনৰ মাজত পুহি ৰাখিছিলোঁ। যোৱা অক্টোবৰ মাহত সেই ইচ্ছা পূৰণৰ সময় সুবিধা ওলাল।

এমিৰেট্‌ছ এয়াৰ লাইনছ্‌ত টিকট কাটি বাইছ অক্টোবৰ তাৰিখে দিল্লীৰ ইন্দিৰা গান্ধী ইন্টাৰনেচনেল এয়াৰ প'টৰ পৰা ডুবাই অভিমুখে উৰা মাৰিলোঁ। তিনিঘন্টামানৰ ভিতৰতে ডুবাই আন্ত:ৰাষ্ট্ৰীয় বিমান বন্দৰত আমাৰ বিমানখনে অৱতৰণ কৰিলে। বিমান বন্দৰত কিছুসময় অপেক্ষ কৰাৰ পাছতে ট্ৰেভেল এজেন্সিৰ ফালৰ পৰ ডেকা এজন আহি আমাক পূৰ্বতে বুক কৰি থোৱা 'ডুবাই পাম' (Dubai Palm) হোটেললৈ লৈ গ'ল। বি এম ডাব্লিউ গাড়ীখনত উঠি আমি (মই আৰু মোৰ স্বামী) ডুবাইৰ মসৃণ ৰাজ পথেদি সামান্যতমো জোকৰণি নোখোৱাকৈ হোটেল অভিমুখে যাওঁতে বাৰম্বাৰ মোৰ মনত পৰিছিল ভগা-ছিগা আমাৰ ইয়াৰ ৰাস্তা সমূহলৈ। যাতায়াতৰ আন্ত:গাঁথনিৰ ক্ষেত্ৰত আমি বহু পিছ পৰি আছোঁ। অসংখ্য ফ্লাই অভাৰ, আঠলেন/দহলেনৰ আহল বহল মসৃণ ৰাস্তা, ৰাস্তাৰ দাঁতিৰ পৰা আঁতৰত শাৰী শাৰী ভৱন আদি দেখিলে আমাৰ ইয়াৰ বিশৃংখল অৱস্থা, ঠেক ভগা-ছিগা ৰাস্তাসমূহৰ কথা ভাবি নিজেই যেন লজ্জিত হওঁ। ৮৩,৬০০ বৰ্গ কি:মি: মুঠ মাটিকালিৰ ৰাষ্ট্ৰখন আমাৰ অৰুনাচল প্ৰদেশতকৈও আয়তনত সৰু অথচ পূৰ্বৰ মৰুভূমি এখন চাইখনে উন্নতিৰ জখলাডালত দোপতদোপে আগবাঢ়ি গৈছে।

ইউ. এ. ই ৰ. বিষয়ে কিছু কথা কওঁ। United Arab Emirates বা চমুকৈ ইউ. এ. ই ক এমিৰেট্‌ছ বুলিও কোৱা হয়। এই আৰব ৰাষ্ট্ৰখন সাতখন এমিৰেট্‌ছ বা ৰাজ্যৰে গঠিত আৰু প্ৰত্যেকখন একোজন এমিৰ (emir) ৰ অধীনত থাকে। আনহাতে কেওখন এমিৰেট্‌ছ লগলগাই গঠিত হোৱা আৰব ৰাষ্ট্ৰখনৰ এজন ৰাষ্ট্ৰপতি থাকে। সাতখন এমিৰেট্‌ছ হ'ল - ডুবাই, আবুধাবি, শ্বাৰছাহ, আজমন, ফুজাইৰা, ৰচ্-আল-খাইমা আৰু উম-অল-কুৱেইন। আবুধাবি হ'ল ৰাজধানী। আবুধাবিয়ে ইউ এ ই ৰ সবাতোকৈ বৃহৎ ৰাজ্য আৰু জনসংখ্যাও ইয়াতেই সৰ্বাধিক। এই বিষয়ে পাছত আলোচনা কৰিম।

১৯৭১ খ্ৰীষ্টাব্দৰ অন্তিম মাহৰ আগলৈকে ই স্বাধীন ৰাষ্ট্ৰ নাছিল। ১৯৭১ খ্ৰীষ্টাব্দৰ সংবিধানমতে ইয়াৰ ৰাজনৈতিক গাঁঠনি গঠিত হৈছে। নিজৰ নিজৰ ৰাজ্য শাসনত প্ৰত্যেকজন এমিৰৰ সম্পূৰ্ণ স্বাধীনতা থাকে। কিন্তু ৰাষ্ট্ৰপতি গৰাকীৰ ক্ষেত্ৰত সাংবিধানিক ৰাজচন্দ্ৰ অথবা গণচন্দ্ৰ প্ৰযোজ্য নহয়। এমিৰসকলে ৰাষ্ট্ৰপতি গৰাকী বাছনি কৰে কিন্তু ইয়াৰ দ্বাৰা তেওঁলোকৰ স্বতন্দ্ৰীয় শাসন বিঘ্নিত নহয়। ইছলাম ইয়াৰ মুখ্য ধৰ্ম আৰু আৰবী হ'ল ৰাজ্যভাষা। খ্ৰীষ্টপূৰ্ব ৫৫০০ বছৰৰ পৰাই অঞ্চলটোত মানুহৰ বসতি আছিল আৰু মেছোপটোমিয়া তথা অন্যান্য অঞ্চলৰ সতে বানিজ্যিক সম্বন্ধও আছিল। ২২°৩০' উত্তৰ অক্ষাংশৰ পৰা ২৬°১০' উত্তৰ অক্ষাংশলৈকে আৰু ৫১° পুব দ্ৰাঘিমাংশৰ পৰা ৫৬°২৫' পুব দ্ৰাঘিমাংশলৈ বিস্তৃত হৈ থকা আৰব ৰাষ্ট্ৰখন দক্ষিণ-পশ্চিম এছিয়াত অৱস্থিত।

১৯৭১ খ্ৰীষ্টাব্দত বৃটিছ সৈন্য অঞ্চলটোৰ পৰা আঁতৰি যোৱাৰ পাছত ইউ. এ. ই. গঠন হোৱাৰ পাছৰ পৰা ৰাষ্ট্ৰখনে দ্ৰুতগতিত উন্নয়নৰ দিশত আগবাঢ়িছে। খাৰুৱা তেলৰ বৃহৎ ভাণ্ডাৰ আছে ৰাষ্ট্ৰখনত আৰু এই ভাণ্ডাৰ বিশ্বৰ ভিতৰত সপ্তম বৃহৎ তৈল ভাণ্ডাৰ বুলি জনা যায়। পশ্চিম এছিয়াৰ অন্যতম উন্নত ৰাষ্ট্ৰ হিচাপেও ই প্ৰসিদ্ধি লাভ কৰিছে। জনমুৰি আয় বিশ্বৰ ভিতৰত সপ্তম। কেওফালে খেজুৰ গছৰ পয়োভৰ থকা ৰাষ্ট্ৰখনে খেজুৰ তথা অন্যান্য শুকান ফল উৎপাদন কৰে।

ডুবাইত থাকিয়েই আমি শ্বাৰজাহ, আবুধাবি আৰু আজমনলৈ গৈছিলোঁ। ডুবাই প্ৰদেশৰ ভিতৰতে ডুবাই মহানগৰ খনৰ অৱস্থিতি। আবুধাবিৰ পাছতে দ্বিতীয় বৃহৎ আমিৰেট্‌ছ্ হ'ল ডুবাই আৰু জনসংখ্যা ইয়াতে সৰ্বাধিক। পাৰস্য উপসত্তা বৰ দক্ষিণ পূবত অৱস্থিত ডুবাইৰ মহানগৰখন ইয়াৰে উত্তৰ উপকূলীয় অঞ্চলত অৱস্থিত। সম্প্ৰতি ডুবাই মহানগৰখন বিশ্বৰ ভিতৰতে অন্যতম উল্লেখযোগ্য উন্নত আধুনিক সা-সুবিধাৰে পৰিপূৰ্ণ মহানগৰ আৰু ব্যৱসায়িক কেন্দ্ৰ। তৈল উদ্যোগে ইয়াৰ অৰ্থনীতিত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলালেও সাম্প্ৰতিক সময়ত পৰ্যটন উদ্যোগ, নিৰ্মাণ কাৰ্য আৰু বিত্তীয় সেৱা প্ৰধান লাভজনক ব্যৱসায়। আৰব ভূগোলবিদ আবু-আব্দুল অল-বক্ৰিৰ 'Book of Geography' ত ১৫৯৫ খ্ৰীষ্টাব্দতে ডুবাইৰ উল্লেখ কৰিছে। ভেনিচৰ মুকুতা ব্যৱসায়ী গেছপেৰো বাল্‌বিয়ে ১৫৮০ খ্ৰীষ্টাব্দতে ডুবাইৰ মুকুতা ব্যৱসায়ৰ বিষয়ে লিখিছে। ভৌগোলিক দিশত ইৰাণৰ নিকটৱৰ্তী হোৱা বাবে ডুবাইৰ গুৰুত্ব বৃদ্ধি পাইছে। আনহাতে বন্দৰ হিচাপেও ই কম গুৰুত্বপূৰ্ণ নহয়। ১৯৫০ খ্ৰীষ্টাব্দতহে মাথোন বিদ্যুৎ, টেলিফোন সেৱা আৰু বিমানসেৱা ডুবাইত আৰম্ভ হয়। অথচ সেই ডুবাই এতিয়া বিশ্বৰ ভিতৰত এখন লেখত লবলগীয়া ঠাই হৈ পৰিল।

ডুবাইত উপস্থিত হোৱাৰ দিনাই আমাক সন্ধিয়া হ্ৰদত প্ৰমোদ ভ্ৰমন কৰালে। জাহাজতেই ডিনাৰৰ ব্যৱস্থা কৰা হৈছিল। অসংখ্য জাহাজত পৰ্যটকৰ ভিৰ আছিল আৰু প্ৰত্যেকখন জাহাজে অতি জাকজমক ভাৱে বিজুলি বাতিৰে সজোৱা হৈছিল। আমাৰ সেই সন্ধিয়াৰ কেণ্ডল লাইট ডিনাৰ অতি উপাদেয় হৈছিল। ডিনাৰ চলি থাকোঁতে ইজিপ্তৰ ডেকা এজনে নৃত্য পৰিবেশন কৰি সকলোকে আনন্দ দিছিল। তেওঁ পৰিধান কৰা সাজও ইলেক্‌ট্ৰিক বাল্ব লগাই লোৱা হৈছিল। অহৰহ ঘূৰি ঘূৰি তেওঁ প্ৰায় এঘণ্টামান নৃত্য পৰিবেশন কৰিছিল।

দ্বিতীয় দিনা আমাক ডুবাইৰ পৰ্যটন থলীসমূহ দেখুৱাইছিল। ডুবাইৰ মিউজিয়াম, ডুবাই আৰ্ট গেলেৰী, বুৰ্জ-অল-আৰব, বুৰ্জ খলিফা আদি চালোঁ। বাৰনিযুত বৰ্গফুট ঠাই আগুৰি থকা ডুবাই মল, কৃত্ৰিমভাৱে সৃষ্টি কৰা দ্বীপ পাম জুমেইৰা (Palm Jumeirah), মেডিনেট জুমেইৰা (Madinat Jumeirah) আৰু অল কাচাৰ মেডিনেট হুমেইৰা (Al Qasr Madinat Jumeirah) আদি দৰ্শনীয় স্থান। বুৰ্জ খলিফা (Burj Khalifa) হ'ল - বিশ্বৰ ভিতৰতে সৰ্বোচ্চ অট্টালিকা। মানৱ নিৰ্মিত কৃত্ৰিম হ্ৰদত ই অৱস্থিত আৰু ইয়াৰ উচ্চতা হ'ল ৮২৯.৮ মিটাৰ আৰু ই ১৬৩ মহলীয়া ভৱন। অফিচ, স্পা, চুইমিং পুল, আবাস গৃহ আদি কি নাই ইয়াত! ইউ এ ই ৰ ৰাষ্ট্ৰপতি H.H. Sheikh Khalifa bin Zayed al Nahyan ৰ নামত ইয়াক নামকৰণ কৰা হৈছে বুৰ্জ খলিফা হিচাপে। আনহাতে বুৰ্জ (বুৰ্জৰ অৰ্থ হ'ল Tower) অল আৰব নামৰ পঞ্চ তাৰকাযুক্ত হোটেলখন বিশ্বৰ ভিতৰতে চতুৰ্থ উচ্চ হোটেল আৰু

ইও কৃত্ৰিমভাৱে সৃষ্টি কৰা দ্বীপত অৱস্থিত। মানুহে ইচ্ছা কৰিলে কি কৰিব নোৱাৰে? এইবোৰ যেন তাৰেই একো একোটা উদাহৰণ। ডুবাইত আমাক desert safari কৰাইছিল। মৰুভূমিৰ বালিয়ৰি (বালিৰ প্ৰকাশ প্ৰকাণ্ড পাহাৰ)ৰ ওপৰেদি গাড়ীৰে যাওঁতে তল ও পৰকৈ হোৱা হেন্দোলনি সহ্য কৰিবলৈ কিন্তু বুকুত সাহস লাগিব। আমাৰ লগত যোৱা চীনা ডেকা-গাভৰু দুগৰাকীৰ ভিতৰত কাণ তাল মাৰিছিল। যি কি নহওক প্ৰায় এঘন্টামানৰ ডেজাট চাফাৰিৰ মাজত আমাক মৰুভূমিৰ সমান ঠাইত স্থাপন কৰা কেম্পলৈ লৈ যোৱা হৈছিল আৰু গান-বাজনা, নানা কল্প-কৌশল আদি প্ৰদৰ্শনীৰ মাজতে নিশাৰ আহাৰে পৰিবেশন কৰা হৈছিল। মুঠৰ ওপৰত এক উপভোগ্য পৰিবেশ!

ভ্ৰমণৰ তৃতীয়দিনা গাইড নোহোৱাকৈয়ে আমি নিজেই ডুবাই মহানগৰখন ভ্ৰমণ কৰিছিলোঁ। সেইদিনা আমি ডুবাই মেট্ৰ ৰেলসেৱা উপভোগ কৰিছিলোঁ। চালক-বিহীন মেট্ৰ ৰেল ব্যৱস্থা অত্যাধুনিক ৰূপত গঢ় লৈ উঠিছে। প্ৰতিটো ষ্টেচন অত্যন্ত চাফ-চিকুন আৰু সমস্ত ব্যৱস্থাটোৱে স্বয়ংক্ৰিয়। আনহাতে অতি গৰম জলবায়ুৰ ৰাষ্ট্ৰখনত সকলোতে শীত-তাপ নিয়ন্ত্ৰণৰ ব্যৱস্থা আছে। আনহে নালাগে পাব্লিক বাছ ষ্টপ্ত শীত তাপ নিয়ন্ত্ৰিত। কেওফালে চিক্ চিকীয়া পৰিস্কাৰ পৰিচ্ছন্ন পৰিবেশ। যাতায়াতৰ নিয়ম-কানুন মানুহে আখৰে আখৰে পালন কৰে। নিয়ম ভংগকাৰীক কঠোৰ শাস্তিৰ ব্যৱস্থা আছে।

আবুধাবি আৰু শ্বাৰজাহ এই দুখন ঠাইৰ ভিতৰত ডুবাইৰ পৰা আবুধাবিলৈ মাত্ৰ পোন্ধৰ (১৫) মিনিট মানহে সময় লাগে। অৱশ্যে আমাৰ ইয়াৰ জৰাজীৰ্ণ ৰাস্তাত পঞ্চাছ-ষাঠি কি:মি: গতিবেগত গাড়ী চলোৱা অৱস্থাত এই দূৰত্ব এঘন্টামানৰ দূৰত্ব।

আমি ইউ এ ই ৰ ৰাজধানী আবুধাবিলৈ গৈছিলোঁ পোৰবন্দৰ (ন্দজৰাট) ৰ এজন ডেকাই চলোৱা বিল্লাসী গাড়ীত, ডেকাজনে কিবা প্ৰায় দহবছৰ ডুবাইত আছে। তেওঁ ৰাষ্ট্ৰখনৰ বিভিন্ন তথ্য অতি সাবলীলভাৱে আমাক দি গৈছিল। আবুধাবিখনো অত্যন্ত সুন্দৰ চকুতলগা এখন আধুনিক ঠাই। আবুধাবিৰ অৰ্থ হ'ল 'Father of Deer', অঞ্চলটো আগতে অসংখ্য পহুৰ বাসস্থান আছিল। পুৰণি এক কাহিনীমতে এজন মানুহে পহুবোৰ খেদি নিছিল আৰু সেয়েহে Father শব্দটো ব্যৱহাৰ কৰা হ'ল। আবুধাবিৰ পুৰণা নাম অৱশ্যে মিল্‌হ্ (Milh) আছিল আৰু ইয়াৰ অৰ্থ হ'ল - লবন। পাৰস্য উপসাগৰ লবনাক্ত পানীৰ নামেৰে হয়তো এই নাম দিয়া হৈছিল। অঞ্চলটোৰ দ্বিতীয় ব্যয়বহুল আবুধাবি মহানগৰ বিশ্বৰ ৬৭ সংখ্যক ব্যয়বহুল মহানগৰ। আনহাতে বিশ্বৰ সবাতোকৈ ঐশ্বৰ্য্যশালী মহানগৰ হিচাপেও ই চিহ্নিত হৈছে। সমগ্ৰ ৰাষ্ট্ৰখনৰ প্ৰধান ৰাজনৈতিক, ঔদ্যোগিক, বানিজ্যিক আৰু সাংস্কৃতিক কেন্দ্ৰ হিচাপেও আবুধাবি পৰ্যটকৰ আকৰ্ষনৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ২০০৮ খ্ৰীষ্টাব্দৰ তথ্য মতে ৰাষ্ট্ৰখনৰ GDP ৰ ৫৬.৭% আবুধাবিয়ে দাবী কৰে। ২০১২ খ্ৰীষ্টাব্দত আবুধাবি মহানগৰৰ মুঠ জনসংখ্যা আছিল ৬২১,০০০।

এইখিনিতে এটা কথা উল্লেখ কৰাটো প্ৰয়োজন বুলি বিবেচনা কৰিছোঁ। ইউ এ ই ১৯৭১ খ্ৰীষ্টাব্দৰ পিছৰ পৰাহে উন্নতিৰ পথত আগবাঢ়িছে, কাৰণ ১৯৭১ খ্ৰীষ্টাব্দৰ ২ ডিছেম্বৰতহে সাতখন অমিৰেট্‌ছ লগ হৈ ইউ. এ. ই United Arab Emirates গঠন হয়। অথচ এই কম সময়ৰ ভিতৰতে অন্যান্য আন্ত:গাঁথনিৰ উন্নয়নৰ উপৰিও সুস্ক, গৰম জলবায়ুৰ মৰুভূমি প্ৰধান দেশখন সেউজীয়া কৰণ কৰা হৈছে অভাৱনীয়ভাৱে, আমাৰ গাইডৰ পৰা এই কথা

শুনি আচৰিত হৈছিলোঁ যে ইয়াৰ প্ৰতিজোপা গছৰ গুৰিত একোডাল পাইপ সংলগ্ন কৰি দিনে তিনিবাৰকৈ প্ৰতিজোপা গছক সাতলিটাৰকৈ পানী দিয়া হয়। কথাটো জনাৰ পাছত আমি মন কৰিছিলোঁ যে ৰাস্তাৰ দাঁতিৰ, আহল বহল ৰাস্তাৰ ডিভাইদাৰ হিচাপে ৰখা ফুলনিৰ প্ৰতিজোপা গছৰ গুৰিত ক'লা ৰঙৰ একোডাল পাইপ আছে। মনত প্ৰশ্ন উদৰ হৈছিল সুকান ঠাইখনে ইমান পানী ক'ত যায়। তাৰে উত্তৰ পাইছিলোঁ। এইয়া হ'ল Waste বা পেলনীয়া পানী। আমাৰ ৰাজ্যখনও পানীৰ অভাৱ নাই। আমাৰ জলবায়ু উদ্ভিদৰবাবে অনুকূল। তথাপিও কিন্তু আমি উদ্ভিদকূলৰ প্ৰতি আদৰ দেখুৱাবলৈ শিকা নাই। যধেমধে বনানি ধ্বংস কৰাৰ প্ৰতিহে আমি আগ্ৰহী আৰু বনানীকৰণ অথবা বৃক্ষৰোপন কাৰ্য্যসূচী গ্ৰহণ কৰিলেও গছপুলি এটা ৰুই অহাৰ পাছত (ৰাজহুৱা স্থানত) তাৰ প্ৰতিপালন কৰাৰ কথা আন্তৰিকতাৰে ভবা নহয়। আবুধাবিত সেউজীয়া পৰিবেশ অতি চকুতলগা আৰু লগতে ৰঙ-বিৰঙী ফুলৰ বাহাৰো বিত্তাকৰ্ষক।

আবুধাবিত আমাক লৈ যোৱা হৈছিল শ্বেখ জাইদ গ্ৰেণ্ড মছজিদলৈ, অত্যন্ত সুন্দৰ কাৰুকাৰ্যৰ এই মছজিদলৈ সোমাওঁতে মহিলাসকলে বোৰখা পৰিধান কৰিব লাগে, মছজিদত মহিলাৰ প্ৰবেশ নিষিদ্ধ নোহোৱা ই বিশ্বৰ অন্যতম মছজিদ। পঞ্চতাৰকাযুক্ত হোটেল এখনলৈ আমি গৈছিলোঁ। তালৈ যোৱাৰ আন এক উদ্দেশ্য আছিল, এই হোটেলত আবুধাবিৰ ভবিষ্যত পৰিকল্পনাৰ আঁচনি কেতবোৰ প্ৰদৰ্শন কৰি থোৱা আছে। আন্তগাঁথনিৰ উন্নয়ন, পৰ্যটকৰ আকৰ্ষণৰ থলী আদি আঁচনিসমূহ ২০১৫, ২০২০ আদি বিভিন্ন সময়ত সম্পূৰ্ণ কৰাৰ কথা আছে যদিও আমাক গাইডে জনোৱা মতে এইখন এনে এখন ৰাষ্ট্ৰ য'ত আঁচনি নিৰ্দ্ধাৰিত সময়ৰ আগেয়েই সম্পূৰ্ণ হোৱাৰ অনেক উদাহৰণ আছে, কৰ্মস্পৃহা আৰু দেশাত্মবোধ ইয়াৰ জনসাধাৰণ আৰু প্ৰশাসনৰ অন্যতম বৈশিষ্ট। আমাৰ সাধাৰণ একোট আঁচনি ৰূপায়নত দুৰ্নীতিয়ে অগ্ৰাধিকাৰ লাভ কৰে। কোনো আঁচনি আধাৰ শিলা স্থাপনতে অন্ত পৰে।

দেশী-বিদেশী পৰ্যটকৰে গিজ গিজাই থকা আবুধাবিৰ হুল সমূহ চাবলগীয়া, অৱশ্যে ইয়াৰ সামগ্ৰীসমূহ যথেষ্ট ব্যয়বহুল।

শ্বাৰজাহ আৰু আজমনলৈ একোদিনাই গৈছিলোঁ, সেইদিনাখন বক্‌ৰিদ আছিল, সেইবাবে দোকান-পোহাৰ বা অন্যান্য অনুষ্ঠান প্ৰতিষ্ঠানসমূহ বন্ধ আছিল। ফাৰুক খান নামৰ পাকিস্তানৰ পেছোৱাৰৰ ড্ৰাইভাৰ এজনে আমি যোৱা গাড়ীখন চলাইছিল। মধ্যবয়সীয়া মানুহজন ধেমেলীয়া স্বভাৱৰ। এইখিনিতে এটা কথা উল্লেখ কৰোঁ যে ইয়াত মাৰ্ছিডিছ, বি এম ডব্লিউ আদি অত্যন্ত বিলাসবহুল গাড়ীৰহে প্ৰচলন বেছি। আমি ইয়াত ফুৰা-থকা কৰোতে যিকেইজনক ড্ৰাইভাৰ আৰু গাইড হিচাপেও পাইছিলোঁ তেওঁলোক আটায়ে শিক্ষা-দীক্ষাত সিমান উচ্চ ডিগ্ৰীধাৰী নহ'লেও ঠাইখনৰ সম্পৰ্কে কিন্তু পৰ্যাপ্ত জ্ঞান আহৰণ কৰিছিল। শ্বাৰজাহ ঠাইখনো আধুনিকতম সাসুবিধাৰে সমৃদ্ধ ঠাই। আকাশলঙ্ঘী অট্টালিকা, অসংখ্য মছজিদ, বিভিন্ন দেশৰ ৰেস্তোঁৰ আদিৰে ভৰপূৰ শ্বাৰজাহৰ পৰা আজমন নিচেই ওচৰত। অৱশ্যে আজমনখন তুলনামূলক ভাৱে কিছু অনুন্নত যেন ধাৰনা হ'ল।

২৭ অক্টোবৰ তাৰিখে আমাৰ ওভটনি যাত্ৰা আৰম্ভ হ'ল। মুম্বাইলৈ আমাৰ টিকট আছিল, ২৮ অক্টোবৰ দিনা মুবাইৰ পৰা ডিব্ৰুগড়লৈ আহিলোঁ। আন্ত:গাঁথনি, পৰিষ্কাৰ পৰিচ্ছন্নতাৰ দিশত, আমাতকৈ বহুগুনে আগবঢ়া, মৰুভূমিৰ পৰা আধুনিকতম ৰাষ্ট্ৰ হিচাপে গঢ়ি উঠা ইউ এ ই ৰ স্মৃতি সদায়ে মানসপটত সজীৱ হৈ থাকিব।

✦ ✦ ✦ ✦

# ইতিহাসৰ পাতত কানৈ কলেজ

দিব্যজ্যোতি বড়া

১৯৪৫ চনৰ ১৫ জুন ডিব্ৰুগড় বাসী ৰাইজৰ বাবে এটা লেখত লবলগীয়া দিন। কিয়নো এই দিনটোতে অশ্বিনীচৰণ চৌধুৰীদেৱে একক প্ৰচেষ্টাৰে ডিব্ৰুগড় কলেজ'ৰ শুভাৰম্ভ কৰে। বৃহস্পতিবাৰ সময় পুৱা ৮ বজাত এক পৱিত্ৰ মুহূৰ্তত মৌলবী ফৈজনুৰ আলিয়ে, তেতিয়াৰ জৰ্জ ইন্সটিটিউচন আৰু বৰ্তমানৰ বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ডিব্ৰুগড় কলেজৰ আনুষ্ঠানিক উদ্বোধনীকাৰ্য সম্পন্ন হয়। মঙ্গলাচৰণ পাঠ কৰিছিল প্ৰখ্যাত কবিৰাজ পণ্ডিত গিৰীশ চন্দ্ৰ শৰ্মা শাস্ত্ৰীয়ে। বহুতে ভাৱে এখন কলেজ খুলা সাধাৰণ কাম নহয়, আৰু বহুত পুঁজিৰ আৱশ্যক। কিন্তু কথাতেই কয় নহয় উদ্দেশ্য যদি মহৎ হয় শিথিলতা কেতিয়াও আহিব নোৱাৰে। অশ্বিনীচৰণ চৌধুৰী আৰু অধ্যক্ষ ড০ যোগীৰাজ বসুৰ আঠঅনাকৈ থৈ কলেজৰ পুঁজি আৰম্ভ কৰা হয়। জৰ্জ ইন্সটিটিউচনৰ প্ৰধানশিক্ষক আৰু প্ৰসিদ্ধ শিক্ষাবিদ গোৱিন্দ চন্দ্ৰ শৰ্মাই নিজাববীয়া কৈয়ে চৌধুৰীদেৱক অনুমতি প্ৰদান কৰি বিশেষ প্ৰশংসাৰ পাত্ৰ। চৌধুৰীদেৱৰ অনুৰোধত অবৈতানিক ভাৱে সেৱা আগবঢ়াবলৈ অহা প্ৰথম অধ্যক্ষ ড০ যোগীৰাজ বসু আৰু অধ্যাপক হিচাপে মুজিবৰ ৰহমান, লক্ষ্মীপ্ৰসাদ দত্ত, পৰশুৰাম সোনোৱাল, উমাপ্ৰসন্ন দে, ৰসনলাল আগৰৱালা, শক্তিপদ পাত্ৰ, শ্ৰীযুত দেৱকুমাৰ দত্ত আগবাঢ়ি আহিল। আৰু কিছুদিনৰ পিছত অধ্যাপক ৰূপে সেৱা আগবঢ়াবলৈ নিৰ্মলকুমাৰ বসু, সুশীলচন্দ্ৰ দত্ত, সুৰেন্দ্ৰ নাথ শৰ্মা, ৰাজেন্দ্ৰলাল নাথ, দীপালী চৌধুৰী, শ্ৰীযুত বীৰেন্দ্ৰ চন্দ্ৰ ভট্টাচাৰ্য আগবাঢ়ি আহিল।

ডিব্ৰুগড় কলেজ স্থাপিত হোৱাৰ দিনাই প্ৰথম নামভৰ্ত্তি কৰা সৰলা চৌধুৰী যে এগৰাকী ছাত্ৰী আছিল আৰু সিও নাৰী-শিক্ষাৰ প্ৰসাৰৰ বাবে উৎসাহিত কৰাৰ ফল বুলিব পাৰি। সৰলাৰ পাছত আৰু দুজন ছাত্ৰইও নাম ভৰ্ত্তি কৰাইছিল। ১৯৫০ চনত কলেজখনত বিজ্ঞান শাখা খুলিবৰ বাবে হনুমানবক্স সুৰজমল কানৈ ফাৰ্ম লিমিটেডে' ১ লাখ টকা দান আগবঢ়ায় আৰু তাৰ প্ৰতিদান স্বৰূপে ডিব্ৰুগড় কলেজৰ নাম 'ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজ' কৰা হয়। এই ক্ষেত্ৰত তেতিয়াৰ সম্পাদক তথা প্ৰতিষ্ঠাপক অশ্বিনীচৰণ চৌধুৰী আৰু কিছুলোকে আপত্তি দৰ্শাইছিল। কিন্তু বৃহত্তৰ স্বাৰ্থলৈ লক্ষ্য ৰাখি পিছত প্ৰায় সকলোৱেই তাক গ্ৰহণ কৰিলে। বিশিষ্ট বিজ্ঞানী ড০ ৰোহিনীকান্ত বৰুৱা ডাঙৰীয়াৰ তত্বাৱধানত পদাৰ্থ, ৰাসায়ন, জীৱ-বিজ্ঞান আদিৰ বিজ্ঞানাগাৰ সমূহ প্ৰতিষ্ঠা হয়। ১৯৫০ চনৰ ২৫ চেপ্তেম্বৰ তাৰিখে ডিগবৈৰ আসাম অইল কোম্পানীৰ জেনেৰেল মেনেজাৰ A.H. Luis B.A (Contab) ডাঙৰীয়াই। ১৯৪৬ চনৰ মাজ ভাগলৈকে প্ৰায় ১ বছৰ কাল কলেজ জৰ্জ ইন্সটিটিউচনতে থাকিল। এই ক্ষেত্ৰত তেতিয়াৰ শিক্ষামন্ত্ৰী চৈদুৰ ৰহমান ডাঙৰীয়া আৰু লক্ষীমপুৰ জিলাধিপতি আব্দুল মাজিদ আই।চি।এচ, ডাঙৰীয়াই সহায় কৰিছিল। কলেজখনে প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত আৰম্ভণিতে নানা দিশত সহায় আগবঢ়োৱা ৰায়বাহাদুৰ সদানন্দ দুৱৰা, মৌ মফিজুদ্দিন আহমদ হাজৰিকা, ডা০ ফনীন্দ্ৰনাথ ঘোষ, আলহজ জালালুদ্দিন আহমদ, জীৱনৰাম ফুকন, নন্দেশ্বৰ চক্ৰৱৰ্তী, শ্ৰীযুত শৰৎকুমাৰ দত্ত বাৰ-এট-অল-ডাঙৰীয়া নাম অৱশ্যেই স্মৰণীয়।

সময় গতিশীল। সময় পৰিৱৰ্তনৰ লগে লগে কলেজ পৰিচালনা কৰিবলৈ সৰহীয়া পুঁজিৰ প্ৰয়োজন হয়। আৰু ইয়াৰ বাবে দান-বৰঙণি সংগ্ৰহত গুৰুত্ব দিয়া হয়। উল্লেখনীয় যে কলেজৰ স্বীকৃতিৰ বাবে কলিকতা বিশ্ববিদ্যালয়ৰ নিয়মমতে প্ৰয়োজন হোৱা ষাঠী (৬০) হাজাৰ টকা বিপৰীতে ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহতেই কলেজৰ পুঁজি সংগ্ৰহ সমিতিয়ে ৮৪ হাজাৰ টকা কলেজ পুঁজিত জমা কৰিছিল। ৰায়চাহাব হনুমানবক্স কানৈ ডাঙৰীয়াই কলেজৰ পুথিভঁৰালৰ বাবে ১০,০০০ টকা দান দিয়ে। কলেজৰ স্থায়ী বিল্ডিং নিৰ্মাণ কৰি দিবলৈ আৰু প্ৰয়োজনীয় মাটি কিনি দিবলৈও কানৈ ফাৰ্মে গাত লয়। সেই মৰ্মে ১৯৫৪ চনত কানৈয়ে কলেজৰ বাবে ৭ বিঘা ২ কঠা ১১ লোচা মাটি কিনে। ঠিক সেইদৰে পৌৰ সভাইও চৰকাৰী মাটি ১৬ বিঘা কলেজৰ নামত দান দিয়ে। বৰ্তমানৰ কানৈ কলেজৰ প্ৰাসাদোপন বিল্ডিংটি ৰাঁচী কলেজৰ আৰ্হিৰ। এই বিল্ডিঙৰ আধাৰ শিলা পাতিছিল ১৯৫৫ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে আবেলি, তেতিয়াৰ বিত্ত মন্ত্ৰী মতিৰাম বৰা ডাঙৰীয়াই। ১৯৫৭ চনত কলেজৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হয় আৰু ১৯৮৫ চনৰ ২৯ ডিচেম্বৰত ভাৰতৰ উপৰাষ্ট্ৰপতি ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণণে কলেজ ভৱন সমূহ উদ্বোধন কৰে। এই ক্ষেত্ৰত লক্ষীমপুৰ জিলাৰ উপায়ুক্ত লক্ষ্যেশ্বৰ শৰ্মা ডাঙৰীয়াই বিশেষ সহায় কৰিছিল। অসম চৰকাৰৰ ট্ৰাইবেল গ্ৰান্টৰ ২৫ হাজাৰ টকাৰে বৰ্তমান কলেজৰ আটাইতকৈ পুৰণি পকী ঘৰটো অৰ্থাৎ ইউ আকৃতিৰ ঘৰটো সজোৱা হৈছিল। এই ঘৰটো প্ৰকৃততে 'ট্ৰাইবেল ষ্টুডেন্টচ লজ' আছিল।

স্বনামধন্য অশ্বিনীচৰণ চৌধুৰীদেৱৰ প্ৰচেষ্টাত ডঃ যোগীৰাজ বসু আৰু লক্ষীপ্ৰসাদ দত্তৰ যত্নত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ কলেজৰূপে প্ৰখ্যাত হ'ল আৰু গৌৰৱময় অৰ্দ্ধশতাব্দী পাৰকৰি ইতিহাসৰ সোণালী পৃষ্ঠত সদায় জিলিকি ৰ'ল।

কৃতজ্ঞতা: বিৰাজ গ্ৰন্থকক্ষৰ পুথিৰক্ষক সকললৈ অপাৰ কৃতজ্ঞতা, কানৈ মহাবিদ্যালয় প্ৰতিষ্ঠাৰ সম্পৰ্কীয় বিভিন্ন তৰ্থ্যপাতি যোগান ধৰাৰ বাবে।

# আয়কৰ আয়ুক্ত শ্ৰীযুত কুমুদ ৰঞ্জন দাস ছাৰৰ সৈতে সাক্ষাৎকাৰ

শ্ৰীযুত কুমুদ ৰঞ্জন দাস আধুনিক সমাজ জীৱনৰ এটা উল্লেখনীয় নাম। তেওঁ ডিব্ৰুগড় জিলাৰ বৰ্তমানৰ আয়কৰ আয়ুক্ত আৰু ডি। হ। সু কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। এই জন প্ৰতিভাশালী ব্যক্তিৰ জীৱন আৰু কৰ্মৰ সম্পৰ্কত তেখেতৰ নিজৰ অনুভৱ আৰু চিন্তাৰ সৈতে পৰিচয় হোৱাৰ লক্ষ্য আগত ৰাখি বন্ধু তৰুণ গোহাঁই, বিতু তাঁতীৰ সহযোগত এই সাক্ষাৎকাৰ প্ৰস্তুত কৰিছে সম্পাদক দিব্যজ্যোতি বড়াই। কানৈ কলেজৰ সমূহ পৰিয়াল বৰ্গহৈ আপোনাক শ্ৰদ্ধা-সম্ভাষণ জনাইছোঁ।

**প্ৰশ্ন: পোন প্ৰথমে আপোনাৰ শৈশৱ তথা পৰিয়ালটোৰ বিষয়ে জনাবনে?**



উত্তৰ: মোৰ জন্মস্থান মিজোৰামৰ আইজালত। মোৰ দেউতা পুলিচ বিভাগত কাম কৰাৰ কাৰণে মোৰ ১০ (দশ) মাহ হওঁতে আমি আইজালৰ পৰা লুংলেঙলে যাব লগা হয়। দেৰগাঁও ১০ আসাম বেটেলিয়ান স্কুলতে মোৰ শিক্ষা জীৱন আৰম্ভ হয়। এই দেৰগাঁওতে আমাৰ মনৰ উৎস শাধনৰ বীজ ৰূপন হয়। দেৰগাঁওৰ বেটেলিয়নৰ ডাঙৰ ডাঙৰ খেল পথাৰ বোৰত আমি খেলিছিলো আৰু নাটক কৰিছিলো। মই ক-খ মানত পঢ়ি থাকোতেই টিলক হাজৰিকা দেৱৰ 'ফুটুকাৰ ফেন' নাটকখন কৰিছিলো। সাংস্কৃতিক ক্ষেত্ৰখনত দেৰগাঁও যথেষ্ট আগবঢ়া আছিল। গতিকে আমি খুব ভাল পৰিৱেশত ডাঙৰ হৈছিলো। এইদৰেই মই শৈশৱ জীৱন পাৰ কৰিছিলো। আমাৰ পৰিয়ালটোত মা-দেউতা আৰু আমি পাঁচ জন ককাই-ভাই আৰু মই সৰু আছিলো।

**প্ৰশ্ন: ছাৰ, আপোনাৰ ছাত্ৰ জীৱনৰ শিক্ষাব্যৱস্থা আৰু বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ মাজত আপুনি কেনেধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰে? এনে পৰিবৰ্তনে আৰ্থিক ভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষা গ্ৰহণৰ পথত অন্তৰায় হিচাপে থিয় দিয়া বুলি আপুনি ভাবেনে?**

উত্তৰ: আমাৰ শিক্ষা ব্যৱস্থাত বহুত ধৰণৰ কেৰুণ আছে। কিয়নো আমি জ্ঞানদিও ঠিকেই। আমাৰ দিনত বাণিজ্য শাখাটোক গুৰুত্ব দিয়া হোৱা নাছিল। বেছিভাগ ল'ৰা-ছোৱালীয়েই ক'লা বা বিজ্ঞান শাখাতেই অধ্যয়ন কৰা দেখা গৈছিল। বেছি ভাগৰে লক্ষ্য আছিল স্কুলত বা কলেজত। আমাৰ সেই শিক্ষা ব্যৱস্থাত যি চিলেবাচ আছিল থিকেই সেই চিলেবাচ খিনিয়ে জ্ঞানৰ কাৰণে ভাল, কিন্তু কৰ্মক্ষেত্ৰত যিটো জ্ঞান দিয়ে সেইটো তাত নাপাওঁ। দৰ্শনত স্নাতকোত্ত পাছ কৰিলো কিন্তু আজি যিটো মোৰ চাকৰি তাত কোনো ধৰণৰ সম্পৰ্ক নাই। আমাৰ সেই শিক্ষা ব্যৱস্থাই এজন ভাল



মানুহ হোৱাত জ্ঞান দিয়ে ঠিকেই কিন্তু চাকৰি জীৱনত সম্পূৰ্ণ বেলেগ। এতিয়া যি শিক্ষা ব্যৱস্থা তাত ল'ৰা-ছোৱালীৰ ওপৰত বহুত প্ৰভাৱ পেলাই। আমি তেতিয়া বিদ্যালয়লে খুজকাহি গৈছিলো আৰু বিদ্যালয়লৈগে খেলিছিলো, গান গাইছিলো। কিন্তু আজি কালি ল'ৰা-ছোৱালীবোৰে ঘৰৰ পৰা ৬-৭টা বজাত ওলাইগৈ টিওচন, কলেজ বা স্কুল তাৰপাছত আকৌ টিওচন এইদৰে ল'ৰা বা ছোৱালিজনী আৰেলি ৬-৭টা বজাতহে ঘৰলে ঘূৰি আহে। এনেকোৱা পদ্ধতিত ল'ৰা -ছোৱালীৰ চিন্তা শক্তিটো বিকশিত নহয়। চিন্তা শক্তিটো বিকশিত কৰিবলে সময় লাগিব। আজি কালি ল'ৰা-ছোৱালীবোৰে কম সময়ৰ ভিতৰতে জ্ঞান আৰ্জ'ন কৰি ৯৬-৯৭ শতাংশ পায় ঠিকেই, সমাজটো প্ৰতিষ্ঠা হ'ব। কিন্তু ভৱিষ্যতৰ নগেন শইকীয়া, হোমেন বৰগোহাঞি বা ৰীতা চৌধুৰী বুলি ক'ব পাৰিম নে? গতিকে আগৰ শিক্ষা ব্যৱস্থা আৰু বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত বহুত পাৰ্থক্য আছে। আমাৰ শিক্ষা ব্যৱস্থা প্ৰতিভামুখী আছিল আৰু এতিয়া শিক্ষা ব্যৱস্থা ব্যৱহাৰিক দেখা যায়। এনে পৰিবৰ্তনে আৰ্থিক ভাৱে দুৰ্বল শ্ৰেণীৰ শিক্ষা গ্ৰহণৰ পথত যথেষ্ট অন্তৰায় হিচাপে থিয় দিয়ে বুলি মই ভাবো। যাৰফলত বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰী শিক্ষা জীৱনৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত চৰকাৰেও গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব বুলি মই আশা বাদি।

**প্ৰশ্নঃ ছাৰ আপুনি অতীতৰ হনুমানবক্স সুৰজমলকানৈ মহাবিদ্যালয়ৰ তুলনাত বৰ্তমানৰ কানৈ মহাবিদ্যাল্য়ৰ মাজত কোনো ধৰণৰ পাৰ্থক্য দেখা পাইছে নেকি? যদি দেখিছে তেন্তে কেনে ধৰণৰ আৰু এই পাৰ্থক্যই আমাৰ ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উজ্বল ভৱিষ্যত গঢ়াত সহায় কৰিব পাৰিবনে?**

উত্তৰ: আমাৰ দিনত কানৈ কলেজৰ শিক্ষা ব্যৱস্থাতো খুৱেই ভাল আছিল। শিক্ষাৰ লগতে সমান্তৰালভাৱে খেলা-ধূলা, সাংস্কৃতিক দিশতো যথেষ্ট আগৰণুৱা আছিল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্ক আছিল যথেষ্ট ঘনিষ্ঠ। আমাৰ দিনত সুবিধাও বেছি নাছিল কিন্তু তাৰ তুলনাত এতিয়া বহুটো সুবিধা দেখা যায়। ইমানবোৰ সুবিধা থকাৰ স্বত্তেও খেলা-ধূলা বা সাংস্কৃতিক দিশত এতিয়াৰ ছাত্ৰ-ছাত্ৰীবোৰে আগবঢ়াই নিব পৰা নাই। আমাৰ দিনত কলেজ সপ্তাহত ১২-১৩ খন নাটক হৈছিল কিন্তু আজি কালি হয়টো ২-৩ খনো হোৱা দেখা নাযায়। পঢ়াৰ লগতে সমান্তৰালভাৱে খেলা-ধূলা আৰু সাংস্কৃতিক দিশতো আগবঢ়াই নিয়াটো প্ৰয়োজন। আমি যি কাম কৰিছো তাক আন্তৰিকতাৰে কৰাটো প্ৰয়োজন। তেতিয়াহে আমি সমাজত এজন সফল ব্যক্তিৰূপত গঢ় দিব পাৰিব।

প্ৰশ্ন: ৰাইজে সময়মতে আয়কৰ দিয়া দেখা নাযায়? এই ক্ষেত্ৰত আপোনালোকে কেনেধৰণৰ পদক্ষেপ অৱলম্বণ কৰে। আয়কৰ দিয়াটোযে বাধ্যতামূলক এই ব্যৱস্থাটো ৰাইজৰ মাজত সজাগতা আনিবলৈ কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি আপুনি ভাৱে?

উত্তৰ: এই প্ৰশ্নটোৰ উত্তৰ দিয়াৰ আগতে এটা কথা কব লাগিব যে- আয়কৰ দিয়াৰ কিছুমান নিৰ্দিষ্ট প্ৰণালী আছে। চৰকাৰী চাকৰিয়াল সকলক যেতিয়া মাহটোৰ শেষত দৰমহা দিয়া হয়, তেতিয়া এটা নিৰ্দিষ্ট ভিত্তিত তেওঁলোকৰ বছেৰেকীয়া আয় কিমান হব পাৰে সেইটো ধাৰণাকৰি তাৰ হিচাপত আয়কৰ কাটি লোৱা হয়। ধৰিলোৱা এমাহত যদি মই ১ লাখ দৰমহা পাও আৰু বছেৰেকত যদি ১২ লাখ টকা পাঁও তেতিয়া প্ৰথম ২ লাখ টকালৈকে কোনোধৰণৰ আয়কৰ কটা নহয়। ২ লাখৰ পৰা ৫ লাখৰ ভিতৰত হলে শতকৰা ১০%, ৫ লাখৰ পৰা ১০ লাখৰ ভিতৰত হলে ২০% আৰু তাতকৈ যদি বেছি হয় ৩০% দিব লাগে। গতিকে এনেকোৱা হিচাপৰ ভিত্তিত যি সকল চাকৰিয়াল

তেওঁলোকৰ দৰমহাৰ পৰা এটা নিৰ্দিষ্ট টকা আয়কৰ হিচাপে কটা হয়। আমাৰ Financial year টো April ৰ পৰা আৰম্ভহৈ পিছৰ বছৰৰ March ত শেষ হয়।

সাধাৰণতে সময়মতে আয়কৰ নিদিয়ে বুলি কলে ভুল হ'ব। কিন্তু কতিপক্ষই যেতিয়া টকাখিনি চাকৰীয়ালৰ পৰা কাটিব, সেই টকাখিনি এটা নিধাৰিত সময়ৰ ভিতৰত চৰকাৰক জমাদিব লাগিব, যদি সময়মতে নিদিয়ে তেতিয়া কতিপক্ষ দায়ী হব। এই কতিপক্ষ সকল Iregularly হলে তেক্ষেত সকলৰ ক্ষেত্ৰত নিধাৰিত Penalty আনিব পাৰো। গতিকে চাকৰিয়াল সকলৰ ক্ষেত্ৰত সময় মতে আয়কৰ নিদিয়াটো মানে নাই।

যি সকলৰ চৰকাৰী চাকৰি নাই বেলেগ ব্যৱহায় আছে, তেওঁলোকে তেওঁলোকৰ নিধাৰিত হিচাপৰ মতে তেওঁ লোকে আগতিয়াকৈ আয়কৰ দিব লাগে।

ৰাইজৰ মাজত আয়কৰৰ ক্ষেত্ৰত সজাগতা আনিবলে আমাৰ মাজত এটা Cell আছে। যিটোক Tax Deduction Cell কোৱা হয়। এই Cell টোয়ে তেওঁলোকৰ বিষয়া সকলক লগতলৈ বিভিন্ন ঠাইত সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানৰ মুৰব্বী সকলে কেনেদৰে ক'ত কাটিব লাগে, ক'ত জমা দিব লাগে আৰু কি Form fillup কৰিব লাগে এই গোতেই বিষয়টোৰ কথা তেখেত সকলে ঠায়ে-ঠায়ে সভাপাতি জনাই থকা হয়।

গতিকে আয়কৰ বিভাগে আয়কৰ সংগ্ৰহ কৰিবৰ বাবে আৰু সময়মতে যাতে ৰাইজে আয়কৰ দিয়ে এই ক্ষেত্ৰত আয়কৰ বিভাগে বিভিন্ন পদক্ষেপ অৱলম্বণ কৰে।

**প্ৰশ্নঃ শেষত কানৈ মহাবিদ্যালয়ৰ কানৈয়ান সকললৈ কোনো ধৰণৰ পৰামৰ্শ।**

উত্তৰ: মই নিজেই এজন কানৈয়ান আছিলো। কানৈয়ান হিচাপে মই আমাৰ কানৈ মহাবিদ্যালয়ৰ কানৈয়ান সকলক ইয়াকে পৰামৰ্শ দিব বিচাৰোঁ যে- তেওঁলোকে প্ৰত্যেকেই নিজ নিজ বিষয় ভালকৈ বুজি ভাল শিক্ষা লাভ কৰি ভৱিষ্যতৰ বাবে নিজকে প্ৰস্তুত কৰি তোলে যেন। তেওঁলোকে যি কাম কৰিছে আন্তৰিকতাৰে কৰক।

শেষক কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দীৰ্ঘায়ু কামনা কৰিছোঁ। ধন্যবাদ।

# অনুৰাধা শৰ্মা পূজাৰী বাইদেউৰ সৈতে অন্তৰংগ আলাপ



বৰ্তমান অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনৰ এগৰাকী অন্যতম অংশীদাৰ হৈছে অনুৰাধা শৰ্মা পূজাৰী। সাহিত্য চৰ্চাৰ ওপৰিও এগৰাকী সাংবাদিক হিচাপেও বিশেষ সফলতা অৰ্জন কৰা 'নাহৰৰ নিৰিবিলি ছা'ৰ এই গৰাকী স্ৰষ্টাৰ জীৱনৰ কিছু কথা জানিবলৈ তত্ত্বাৱধায়কৰ সৌজন্যত আৰু মহাবিদ্যালয়ৰে ছাত্ৰ খিলনজ্যোতি ধাদুমীয়াৰ সহযোগত এটি চমু সাক্ষাৎগ্ৰহন আগবঢ়ালে সম্পাদক দিব্যজ্যোতি বড়াই-

নমস্কাৰ। কাঁনৈ মহাবিদ্যালয় পৰিয়ালৰ তৰফৰ পৰা আপোনাক শ্ৰদ্ধা জনাইছো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশত প্ৰভাৱ পেলোৱাৰ প্ৰতি লক্ষ্য ৰাখি আমি আপোনাৰ পৰা দুটামান প্ৰশ্নৰ উত্তৰ কামনা কৰিছো।

**প্ৰশ্ন: বৰ্তমান অসমীয়া সাহিত্যৰ পথাৰত আপুনি এটা চিৰপৰিচিত নাম! বৰ্তমানলৈকে অপুনি বিভিন্ন পৰ্যায় অতিক্ৰম কৰি আহিছে। প্ৰথমেই আমাক আপুনি আপোনাৰ জন্ম, শৈশৱ আৰু পৰিয়ালৰ বিষয়ে কিছু জনাব নেকি?**

**উত্তৰঃ** যোৰহাটৰ এক বাগানীয়া পৰিবেশত মোৰ জন্ম হয়। যোৰহাটৰ দখলঙীয়া চাহ বাগিছাৰ মাজতে মই মোৰ শৈশৱ কাল অতিবাহিত কৰো। কিয়নো মোৰ দেউতা আছিল বাগিছাৰ কৰ্মচাৰী। বাগানীয়া পৰিবেশৰ মাজতে মই বিদ্যালয়লৈ গৈছো, ছবি আঁকিবলৈ শিকিছো, গান গাবলৈ আৰম্ভ কৰিছো। চমু কথাত কবলৈ গলে জীৱনৰ আদিপাঠ মই সেই চিৰসেউজ বাগিছাৰ মাজতে আৰম্ভ কৰিছো।

**প্ৰশ্নঃ আপোনাৰ ঘৰখনৰ সাহিত্যিক বাতাবৰণ কেনেকুৱা আছিল?সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ঘৰখনৰ অৱদান কেনেধৰণৰ আছিল?**

**উত্তৰঃ** আমাৰ ঘৰখনত এক সুন্দৰ সাহিত্যিক পৰিবেশ দেখা পাইছিলো। মা-দেউতাৰ দুটাকৈ লাইব্ৰেৰী দেখা পাইছিলো। দুয়োতাতে যথেষ্ট পৰিমানৰ কিতাপ আছিল। সেয়া মোৰ জীৱনৰ এক মধুৰ সৌভাগ্য বুলি কব বিছাৰো। কেবল সেয়াই নাছিল, সেই সময়ত আমাৰ ঘৰলৈ যথেষ্টসংখ্যক স্বনামধন্য সাহিত্যিক, সংগীতজ্ঞ, সাংবাদিকৰ আগমন ঘটিছিল। এনে এটা পৰিবেশ মোৰ অতি প্ৰিয় আছিল।

**প্ৰশ্নঃ ঘৰৰ ব্যক্তিসকলৰ বাদেও এনে কিছু ব্যক্তিৰ নাম আপুনি উল্লেখ কৰিব বিছাৰিব নেকি, যিয়ে আপোনাৰ জীৱনত উৎসাহ যোগাইছিল!**

**উত্তৰঃ** ঘৰৰ মা-দেউতা, দুয়োজন দাদা আকাশ শৰ্মা আৰু বিকাশ শৰ্মা। এই কেইজন লোকৰ বাহিৰেও চুবুৰীয়াৰ

অৱদান আছিল যথেষ্ট। সাহিত্য চৰ্চাত প্ৰেৰণা যোগোৱা মূল মানুহজন আছিল হোমেন বৰগোহাঞি। লগতে কব লাগিব ধীৰেন্দ্ৰনাথ চক্ৰবৰ্তী, যিজনে তেওঁৰ প্ৰথম বাতৰি কাকত 'আজিৰ বাতৰি'ত সাংবাদিক হিচাপে চৰ্চা কৰিবলৈ প্ৰেৰণা দিছিল। তদুপৰি মই কলিকটাতো সাংবাদিকতা কৰিছিলো আৰু বিভিন্ন কাকত, আলোচনী আদিৰ লগত জড়িত হৈ পৰিছিলো।

**প্ৰশ্নঃ কলিকাতাৰ বিষয়ে আমি কিছু পৰিমানে জ্ঞাত। কলিকাতাত থাকোতে আপুনি যিখিনি প্ৰতিষ্ঠিত হৈছিল বুলি ভাবে, অসমলৈ ঘূৰি অহাৰ পিছত নিতান্তই অধিক প্ৰতিষ্ঠা লাভ কৰিলে। এই ক্ষেত্ৰত অসমৰ সাহিত্যৰ পথাৰ আৰু কলিকাতাৰ সাহিত্যৰ পথাৰৰ মাজত আপুনি কেনে পাৰ্থক্য পৰিলক্ষিত কৰে?**

**উত্তৰঃ** আচলতে কলিকতাত মই আৰম্ভনীহে কৰিছিলো। তাৰ পৰা অহাৰ পাছত সাহিত্যচৰ্চা আৰু সাংবাদিকতা দুয়োতাই একেলগে কৰিছো। কিন্তু মোৰ আৰম্ভনিৰ অধ্যয়ন আৰু অভিজ্ঞতা হৈছিল কলিকতাত। তেতিয়াই মই ভাৰতবৰ্ষৰ বিভিন্ন গাওঁ ঘুৰিছিলো, বংগ, বিহাৰ, উত্তৰ প্ৰদেশৰ বিভিন্ন গাওঁ। সেইবোৰ কৰি মই বিভিন্ন ৰকমৰ অভিজ্ঞতা লাভ কৰিছিলো। বিশ্বসাহিত্যৰ লগতে নাটক, চিনেমা আদিক ওচৰৰ পৰা অধ্যয়ন কৰিব পাইছিলো। তাৰ তুলনাত সেই সময়ত অসমত তেনে সুবিধা বৰকৈ নাছিল। অসমত যিখিনি দুৰৰ পৰা দেখিছিলো নাইবা শুনিছিলো তাত ওচৰৰ পৰা প্ৰত্যক্ষ কৰাৰ সুবিধা পাইছিলো।

**প্ৰশ্নঃ আমি জনামতে আপুনি অসম আন্দোলনৰ লগতো ওতঃপ্ৰোত ভাৱে জড়িত আছিল। অসম আন্দোলনৰ কিছু অভিজ্ঞতা তথা বাতাবৰণ অতি চমুকৈ কব নেকি?**

**উত্তৰ :** হয় আছিলো। অসম আন্দোলনত প্ৰথম জড়িত হওঁতে মোৰ বয়স আছিল ১৪ বছৰ। ১৪ বছৰীয়া এগৰাকী কিশোৰীৰ দেশক ভাল পোৱা মনোভাৱ লৈ মই ওলাই আহিছিলো। কিন্তু তেওঁলোকে শাসনভাৰ লোৱাৰ পৰাই মোৰ মনোভংগ ঘটিবলৈ আৰম্ভ কৰিছিল।

**প্ৰশ্নঃ আপুনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী। বিশ্ববিদ্যালয়ৰ অভিজ্ঞতাক লৈ আপুনি ৰচনা কৰিছিল নাহৰৰ নিৰিবিলি ছাঁ' উপন্যাসখন। এই উপন্যাসখনৰ প্ৰভাৱ নিশ্চয়কৈ কাকো কোৱাৰ প্ৰয়োজন বোধহয় আহি নপৰে। এই ক্ষেত্ৰত আপোনাৰ একান্ত ব্যক্তিগত অনুভৱ অলপ ব্যক্ত কৰিব নেকি?**

**উত্তৰঃ** নাহৰৰ নিৰিবিলি ছাঁ'খন মোৰ জীৱনৰ উপন্যাস। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মই কটোৱা সময় আৰু তাত লাভ কৰা অভিজ্ঞতা খিনিৰ মূল্য আছিল মোৰ বাবে বহুত। ছাত্ৰী হিচাপে বিশ্ব-বিদ্যালয়খনৰ লগত মোৰ সম্পৰ্ক নিবিড় আছিল, সেয়ে মই বহুত ভাল পাইছিলো। মই জীৱনৰ বহু কথায়েই বিশ্ববিদ্যালয়খনৰ পৰা শিকিছো। ঘৰৰ পৰা আতঁৰত আছিলো, অকলে আছিলো। হোষ্টেলৰ জীৱনটো মোৰ বাবে আছিল ভিন্ন জীৱন। এই ভিন ভিন সময়ৰ ভিন্ন ভিন্ন অভিজ্ঞতাই হৈছে 'নাহৰৰ নিৰিবিলি ছা'। উপন্যাসৰ প্ৰায় চৰিত্ৰই সঁচা। চৰিত্ৰবোৰৰ মাজত মই কিছু সঁচা কথাই দাঙি ধৰিব বিছাৰিছো যথাযথভাৱে। এই উপন্যাস খন ৰচনা কৰি আচলতে নিজৰ মনোভাৱ ব্যক্ত কৰাৰ লগতে আত্মতৃপ্তিও লাভ কৰিছো।

**প্ৰশ্ন:** **যিহেতু আপুনি ডিব্ৰুগড়ত আছিল। আনহাতে আমিও ডিব্ৰুগড়ৰে ছাত্ৰ, গতিকে এতিয়া আমি জানিব বিছাৰো আপোনাৰ ডিব্ৰুগড় সম্পৰ্কে, ডিব্ৰুগড়ৰ মানুহৰ মানসীকতা সম্পৰ্কে।**

**উত্তৰ:** এক আবেগিক পৰিচয় ডিব্ৰুগড়। মোৰ কাৰণে অতিকৈ আপোন চহৰ ডিব্ৰুগড়। ডিব্ৰুগড়ক মই অতিকৈ ভাল পাঁও। তাতে মই পাৰ কৰিছো জীৱনৰ বহু মুহূৰ্ত, যৌৱনৰ বহু মূল্যবান সময়। মই এতিয়াও অনুভৱ কৰো কিদৰে ডিব্ৰুগড়ৰ আলিয়ে গলিয়ে মই ফুৰিছিলো। এতিয়াৰ ডিব্ৰুগড়ৰ সৈতে মোৰ বৰ বেছি সম্পৰ্ক নাই বুলি কব পাৰি। মোৰ প্ৰাণৰ ডিব্ৰুগড় খন আছিল প্ৰায় ৮০ৰ দশকৰ। তথাপি ডিব্ৰুগড়ক মই ইমানেই ভাল পাওঁ যে এতিয়াও ডিব্ৰুগড়ৰ কিবা অনুষ্ঠানত নিমন্ত্ৰিত হলে মই অতি আনন্দিত হওঁ, পৰাপক্ষত যাবলৈ বিছাৰো। আনহাতে সেউজ চাহ বাগিছা আৰু নীলিম ব্ৰহ্মপুত্ৰ, এই দুটা বিষয়ে মোক খুব বেছি আকৰ্ষন কৰে।

**প্ৰশ্ন:** **আপোনাৰ আন এখন অতি বহুল চৰ্চিত উপন্যাস হৈছে 'মেৰেং'। যিখন শিক্ষাবিদ ইন্দিৰা মিৰিৰ জীৱনক লৈ ৰচিত। এই ক্ষেত্ৰত আপোনাৰ কিছু অনুভৱ ...**

**উত্তৰ:** আচল কথা হ'ল মেৰেং মোৰ জীৱনৰ আঠ বছৰীয়া এক সাধনা। ৮ বছৰ ধৰি লিখা এই গ্ৰন্থখন এখন গৱেষনাধৰ্মী উপন্যাস। 'মেৰেং'ৰ মাজেদি ইন্দিৰা মিৰিৰ জীৱন সংগ্ৰাম, জীৱনৰ নজনা কথা ওলিয়াই আনিব বিছাৰিছো। লগতে সেই সময়ৰ সমাজ তথা জনজীৱনক দাঙি ধৰিব বিছাৰিছো। গুৰুত্বপূৰ্ন কথাটো হ'ল পঢ়ুবৈৰ পৰা বহুত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে গ্ৰন্থখনে।

**প্ৰশ্ন:** **(এইবাৰ বিষয়টো অলপ বেলেগ ধৰণে আনো।) সাহিত্য চৰ্চাৰ ক্ষেত্ৰত নাইবা সাহিত্যিক হোৱাৰ পথত এজন মানুহৰ কিবা নিৰ্দিষ্ট বিশেষত্ব আছে বুলি আপুনি ভাৱে নেকি?**

**উত্তৰ:** একো বিশেষত্ব নাই। সাহিত্যিকৰ কিবা বিশেষত্ব থাকে বুলি মই নাভাবো।

**প্ৰশ্ন:** **আপুনি সাহিত্যৰ লগতে সাংবাদ মাধ্যমৰ লগতে সমানে জড়িত। দুয়োটাতে সমান আধিপত্য আছে আপোনাৰ। আপুনি নিজাববীয়াকৈ এই দুয়োটা বিষয়ৰ মাজত থকা সম্পৰ্ক কেনেকুৱা বুলি ভাৱে?**

**উত্তৰ:** সম্পৰ্ক অতি মধুৰ। আৰু এটা কথা মই ভাৱো যে সাহিত্য আৰু সংবাদ একেটা মুদ্ৰাৰে দুটা পিঠি। জীৱন হৈছে উৎস, জীৱনৰ বিভিন্ন ঘটনা পৰিঘটনাই সংবাদ আৰু সমাজৰ মানুহবোৰ মোৰ চৰিত্ৰ। গতিকে সাহিত্যৰ লগত সংবাদক মই ভিন্নতা প্ৰদান নকৰো। সেইকাৰণেই ছাগে দুয়োটা দিশেই মোৰ বাবে বৰ আকৰ্ষণীয়।

**প্ৰশ্ন:** **সাংবাদিক হিচাপে নিজাকৈ কিবা বিশেষ ভৱিষ্যত পৰিকল্পনা আছে নেকি?**

**উত্তৰ:** ঠিক তেনে পৰিকল্পনা নাই। প্ৰথম কথা হৈছে মই যি কৰিছো, ভালকৈ কৰিছোনে নাই। মোৰ পিছত কোনে কৰে সেইটোতো মই নাজানো। নিশ্চয়কৈ মোৰ পিছত কোনোবা আগবাঢ়ি আহিব। এটা কথাত ধ্যান দিওঁ যে মই কৰা কামবোৰ যাতে দৃঢ় হয়, সেয়ে মই কামক ফাঁকি নিদিঁও। যদি সাংবাদিকতা কৰিছো, আন্তৰিকতাৰে কৰিছো, সাহিত্য চৰ্চা কৰিছো, সেয়াও আন্তৰিকতাৰে কৰিছো। মোৰ কামত মই কেতিয়াও ভেজালৰ প্ৰভাৱ পৰিবলৈ দিব নুখুজো।

**প্ৰশ্ন:** **বৰ্তমান সময়ৰ 'অসমীয়া ভাষাৰ বিপদাপন্ন অৱস্থা' এই বিষয়টো এটা গুৰুত্বপূৰ্ন বিষয়। অসমীয়া ভাষাই নিজৰ অস্তিত্ব হেৰুৱাইছে বুলিও বহুতে কব খোজে। আনহাতে এনে বক্তব্য ৰখা বহুজনে আকৌ নিজেই অসমীয়া**

**ভাষাৰ প্ৰতি আস্থা দেখুওৱা নাই। পৰিবৰ্তে প্ৰতিটো ক্ষেত্ৰতে ইংৰাজী ভাষাক প্ৰাধান্যটা প্ৰদান কৰিছে। কিন্তু এইটো নহয় যে ইংৰাজী ভাষাটোক আমি অসন্মান কৰিব লাগিব। কিন্তু নিজৰটো ধৰি ৰাখি, সন্মান দেখুৱাই বেলেগ এটা ভাষা গ্ৰহন কৰাটো নিচয় একো বেয়া হব নোৱাৰে। ভাষাৰ এনে এটা পৰিস্থিতিক আপুনি কি বুলি ভাৱে আৰু পৰিত্ৰাণৰ পথ কিবা আছে নেকি?**

**উত্তৰঃ** এইবোৰ কথা মই আজিকালি কিছু বেলেগকৈ ভাৱো। হয়, আজিকালি প্ৰায় সকলোৱেই নিজৰ সন্তানক ইংৰাজী মাধ্যমত পঢ়ুৱাব বিছাৰে। পিতৃ-মাতৃৰ এটাই অনুভৱ যে ইংৰাজী মাধ্যমে তেওঁলোকৰ জীৱনৰ লক্ষ্যত সফলতা আনি দিব। বহু ছাত্ৰ-ছাত্ৰীয়ে ইঞ্জিনিয়াৰিং পঢ়ে; মেডিকেল পঢ়ে, কিন্তু সেইবোৰৰ লগতো অসমীয়া ভাষাৰ একোৱেই সম্পৰ্ক নাই। আৰু আজিকালি টেকনিকেল যিবোৰ বিভাগ, তাততো টেকনিকেল শব্দটো সকলোৱে ব্যৱহাৰ কৰে। কিন্তু কাৰিকৰী বুলিলেও নিশ্চয় নুবুজা ব্যক্তি আছে। এতিয়াও নিশ্চয় গাঁওৰ প্ৰায় ব্যক্তিয়েই স্কুল বুলিলে বুজি পায়, বিদ্যালয় বুলি কলে বুজাত নিশ্চয় অসুবিধা হয়। গতিকে ইংৰাজী ভাষাৰ বৰ এক সুদুৰপ্ৰসাৰী প্ৰভাৱ অসমীয়া ভাষাত সোমাই পৰিছে, কিন্তু ইয়াক জানো আমি অপৰাধ বুলিব পাৰিম? আজিকালি Oxford Dictionary টো সকলো ভাষাক স্বাধীনতা দিছে। কথিত ভাবে আমি বহুতো ভাষাই কব পাৰো, কাৰণ আমাৰ তাত বাক স্বাধীনতা আছে। কিন্তু মই ভাবো যে প্ৰত্যেকজন অসমীয়া পিতৃ-মাতৃৱে ইংৰাজী মাধ্যমত পঢ়ুৱালেও নিজৰ সন্তানক অসমীয়া ভাষাটো পঢ়ুওৱা আৰু লিখিব পৰা কৰি তুলিব পাৰে। সেইটো নিশ্চয়কৈ সিমান এটা কঠিন কাম নহয়। কাৰণ প্ৰত্যেকজন অসমীয়া মানুহতে ঘৰৰটো কথিত ভাষা অসমীয়া। কোৱাব যদি পাৰে, লিখাব আৰু পঢ়ুৱাবও নিশ্চয় পাৰে, ইয়াত কোনো অসুবিধা নিশ্চয় নাই। কিন্তু অসমীয়া মানুহৰ বিষেষত্ব যে আমি উজু উপায় বিছাৰো, কষ্ট কৰিব নিবিছাৰো। বহুতো অসমীয়াইতো নিজৰ দেশৰ প্ৰতি, সংস্কৃতিৰ প্ৰতি থাকিবলগীয়া আস্থাকনো নাই। নিজৰ ভাষাৰ প্ৰতি আস্থা থকাজনে নিজৰ সন্তানক যিয়েই মাধ্যমত নপঢ়ুৱাবক লাগে, অসমীয়া ভাষা সাংস্কৃতিৰ প্ৰতি নিজৰ সন্তানক সন্মান কৰিবলৈ শিকোৱাতো কিন্তু বদ্ধপৰিকৰ। নিজৰ সন্তানক তেওঁলোকে অসমীয়া কাকত আলোচনী পঢ়াবলৈ সক্ষম কৰি তোলে। এনে ব্যক্তিও আছে বিদেশত থাকিও, সকলোখিনি বিদেশৰে গ্ৰহন কৰিও কিন্তু নিজৰ ভাষা, সংস্কৃতিৰ প্ৰতি, দেশৰ প্ৰতি কিবা নহয় কিবা কৰিছে। যোৰহাটৰ এজন লণ্ডনস্থ যুৱক, ৰূপক শৰ্মা নে কি, তেওঁ বিশ্বৰ বিভিন্ন প্ৰান্তৰ বহুত বাদ্যযন্ত্ৰীক মাতি আনি যোৰহাটত এটা অনুষ্ঠান কৰিছে। তেওঁতো বেলেগ ঠাইতো কৰিব পাৰিলেহেতেন, কিন্তু কৰিলে কিয়, কাৰণ অসমক তেওঁ ভাল পায়। অসমখনক বেলেগৰ আগত পৰিচয় কৰাবলে তেওঁ বিছাৰিছে। তেওঁ কিজানি কিবা কাৰণত অসমীয়া শব্দকেইটামান কব নোৱাৰিবও পাৰে, কিন্তু কামটো কৰিছে অসমক লৈ। মই গতিকে ভাবো যে ইও সমানে গুৰুত্বপূৰ্ন। এনে ব্যক্তিও পাইছো যি জীৱনটোৱেই বাহিৰতেই কটালে; অসমীয়াৰ অ, আ, ক, খ ও তেওঁ নাজানে, কিন্তু তেওঁ অসমীয়া কব পাৰে। সেইহেতু অসমীয়াৰ পৰা বেলেগ ভাষালৈ সাহিত্য অনুবাদ কৰিছে। মই ভাৱো যে ধ্বনাত্মক আৰু ঋনাত্মক দুয়োফালেই আমি ভাৱি চোৱাটো উচিত।

**প্ৰশ্নঃ বৰ্তমান সময়ৰ প্ৰধান আন এটা সমস্যা হৈছে যুৱ-উচ্ছৃংশলতা। যিটোৰ প্ৰভাৱ কিজানি অন্য ঠাইতকৈ অসমত যথেষ্ট পৰিমানে বেছি। এই বিষয়টোৱে আজি সৰ্বাধিক চৰ্চিত বিষয় হিচাপেও গন্য হৈছে। ৰাস্তাই**

**পদূলিয়ে, স্কুল-কলেজে এই সমস্যাটোৰ দ্ৰুত উন্মেষ ঘটিছে। আমি দুয়োজনো এখন মহাবিদ্যালয়ৰে ছাত্ৰ। সেইহেতু এই সমস্যাটোৰ সমাধান সম্পৰ্কে আপুনি কিছু কথা অৱগত কৰিব নেকি?**

**উত্তৰঃ** প্ৰথম কথা, উচ্ছৃংশলতা আগতেও আছিল, এতিয়াও আছে। আমিতো এই কথা কব নোৱাৰিম যে আমাৰ মা দেউতা উচ্ছৃংশল নাছিল বুলি। সেই সময়ৰ বাবে সেয়াই নিশ্চয় উচ্ছৃংশলেই আছিল। এতিয়া সময়ৰ পৰিবৰ্তন ঘটিছে। আজিকালি টেকন'লজি বাঢ়ি আহিছে, হাততে সব পোৱা হৈ গৈছে। বিছ বছৰৰ আগতেতো নিশ্চয় সেয়া নাছিলে। গতিকে উচ্ছৃশলতাৰ পৰিমাণ তেতিয়া কিছু কম আছিলে। কিন্তু এতিয়াটো সাংঘাতিক পৰিবৰ্তন হৈছে। বজাৰত ভাল বেয়া সকলোৱেই সহজলভ্য হৈ পৰিছে। প্ৰশ্ন হয় প্ৰশাসনে কিয় ইমান মদৰ দোকান খুলিবলৈ অনুমতি দিছে। ভাৰতৰ কোনো ৰাজ্যতে এনেকুৱাটো দেখা পোৱা নাযায়। সমাজৰ বৰ বৰ ভদ্ৰ লোকসকলে, যুৱ উচ্ছৃংশলতা বুলি মাত মতা সকলে প্ৰশাসনক কিয় বাধ্য কৰিব পৰা নাই। কিয় এক, দুই ফালং আতঁৰে আতঁৰে মদৰ দোকান খোলাটোত বাধা আৰোপ কৰিব পৰা নাই। কলেজৰ সন্মুখত কিয় মদৰ দোকান দিছে, স্কুল কলেজৰ সন্মুখত ইউনিফৰ্মত কিয় দোকানীয়ে চিগাৰেট খাবলৈ দিছে। এইক্ষেত্ৰত যুবছামৰ গাত যিমান দোষ, তাতকৈ বেছি দোষ সমাজৰ, সমাজৰ উচ্চ শ্ৰেনীৰ। নিজৰ দায়িত্ব কিমান পালন কৰিছে তেওঁলোকে, কিয় নিজৰ সন্তানৰ খবৰ কেতিয়াবা নোলোৱাকৈয়ে থাকি গৈছে। ইমান ৰাতিলৈকে ছোৱালীজনী কিয় ঘূৰি অহা নাই, লৰাটো ক'ত কি কৰি আছে, এইবোৰ অভিভাৱকে বিচাৰ কৰাটো প্ৰয়োজন। সমাজ আৰু পৰিয়ালৰ দায়িত্ববোধৰ মাজত থকা সমস্যাই যুৱ উচ্ছৃংশলতা বৃদ্ধি কৰিছে। পৰিয়াল সতৰ্ক হলেই সমাজ সতৰ্ক হব, কিয়নো পৰিয়াল বোৰৰ সমষ্টিয়ে একোখন সমাজ।

**প্ৰশ্নঃ এতিয়া প্ৰায় শেষ পৰ্যায়লৈ আহো। নবপ্ৰজন্মৰ কিছু পৰিমানে প্ৰতিষ্ঠিত আৰু ওলাই আহি সাহিত্য চৰ্চা কৰিব বিছৰাসকলক আপুনি কি পৰামৰ্শ দিবলৈ বিছাৰিব?**

**উত্তৰঃ** এটাই মূল কথা, নব প্ৰজন্মই অধ্যয়ন কৰক আৰু কৰ্তব্য কৰক। পৰিশ্ৰম যদি কৰে, কামলৈ যদি লাজ নকৰে, পৰিশ্ৰমৰ মূল্য যদি বুজিব পাৰে, যিকোনো ক্ষেত্ৰতে সকলোৱে সফলতা লাভ কৰিব। মই এইটোৱে কঁও প্ৰত্যেকটো কামেই একোটা ভাল অভিজ্ঞতা, গতিকে হাতত পোৱা কাম কৰি যোৱাটো দৰকাৰ।

**প্ৰশ্নঃ শেষত কানৈ মহাবিদ্যালয়ৰ কানৈয়ান সকললৈ আপোনাৰ পৰামৰ্শ-**

**উত্তৰঃ** নৱপ্ৰজন্মৰ কথাটোৱে কৈছো, কিয়নো প্ৰত্যেকগৰাকী কানৈয়ানেই হৈছে নবপ্ৰজন্মৰ অংশীদাৰ। প্ৰত্যেককে এইটোৱে কওঁ প্ৰথমে যাতে একোজন ভাল মানুহ হোৱাৰ চেষ্টা কৰে। আমাৰ সমাজখনৰ বাবে ভাল মানুহৰ হে খুউব প্ৰয়োজন। তেওঁলোক মেধাবী হওক হয়, কি মেধাবীজবনতো ভাল মানুহ হ'ব নোৱাবিবও পাৰে। মোৰ ফালৰ পৰা কানৈ মহাবিদ্যালয়ৰ কানৈয়ানক যদি কঁও, সকলোকে এটা কথাই কম তেওঁ লোকে যেন নিজকে প্ৰথমে ভাল মানুহ হিচাপে গঢ়ি তুলিব পাৰে।

ধন্যবাদ! আপোনাৰ এই বহুমূলীয়া সময়খিনি আমাক দি কৃতাৰ্থ কৰাৰ বাবে।

তোমালোককো অশেষ ধন্যবাদ। এইখিনি সময় যথেষ্ট ভাল লাগিল।

✦ ✦ ✦ ✦

# सत्य का निर्णय

**Khusboo Kumari Rai**
B.A 1st Semester
Sanskrit Department

आज के वर्तमान युग मे नाना प्रकार के मत-मतान्तर धर्मया पंथ फैले हुए है जिनकी आड़ मे धर्मों के ठेकेदार मनुष्य के धन तथा अमुल्य जीवन का शिकार कर रहे हैं। यही शिकार जो कि दोल की पोल की तरह नजर नही आ रहा है। यदि इनकी पोल को जानना है और शिकार होने से बचना है तो निम्न लिखित शास्त्रयुक्त ईश्वरीय-ज्ञाण सम्बन्धी प्रश्नों को अपने कल्याणार्थ जगत् गुरुओं, महात्माओ, विद्वानों और मण्डलेश्वरो से विनयपूर्वक पुद्वित। (गीता अध्याय-४ श्लोक-३४)

*(१) जीव माता के गर्भ मे क्या, कैसे, किस बोली एवं किस भाषा मे भजन करता है? जिनको बाहर आकर भूल जाता है और संस्कारो के अनुसार भजन करने लगता है।*

*(२) राम भक्ति स्ततंत्र और परम प्रकाश रुप बताइ है; जिस मे दीया, बत्ती, घी, जप, तप, व्रत आदि की आवश्यकता नही, उस भक्ति का साधन क्या है?* ***(रामचरित मानस)***

*(३) राजविद्या, राजगुह्य कौन सी विद्या है? जिसको जानवर जोव दुःख रुपी संसार से छुट जाता है, जो अति पवित्र, तत्काल फल देने वाली, धर्म युक्त और करने मे सुगम एव अविनाशी है। अक्षरो की विद्या तो अभिमान ही उत्पन्न कर ती है, विद्या तो वही है जो कि नम्रता तथा दीनता सिखाती है और परमात्मा से मिलाने वाली है। धर्म वह है जिससे किसी प्रकार का भय नही है और जो सारी मानव जाति का एक है। धर्म सुखदाई है, दुःखदाई नही जिसे भूलकर आज सारा संसार दुःखी है। उसे प्रत्यक्ष (Practical) जानिए।* ***(गीता अध्याय-९ श्लोक-१,२)***

*(४) भगवान् का धाम जहाँ सुर्य, चाँद, अग्नि और बिजली का प्रकाशन होने पर भी अखण्ड प्रकाश है, जहाँ पहुँचने के बाद फिर जन्म नही होता-कहा है? वहाँ कैसे पहुँचा जाय?* ***(गीता अध्याय-१५ श्लोक-६)***

भगवान् कहते है हे अर्जुन! तु मुझे इन आँखो से नही देख सकता, मै तुझे दिव्य-अलौकइक नेत्र देता हुँ जिसके द्वारा तु मेरा दर्शन कर सकेगा। जब इन नेत्रो से भगवान् के दर्शन होते ही नही तो फिर मन्दिरो मे लोंग किसका दर्शन करने जाते है और पुजारी लोग किसका दर्शन कराते है? वह दिव्य नेत्र क्या है?

*(५) सन्तो से दिव्य नेत्र प्राप्त करो जिसके बिना भगवान का दर्शन हो ही नही सकता।*
**(गीता अध्याय-११ श्लोक-१)**

*(६) भगवान श्री कृष्ण जी का आदेश है कि निरन्तर स्मरण करो और युद्ध भी करो।*
**(गीता अध्याय १ श्लोक ७)**

उठत बैठत सोवत जगत नाम,
कहे नानक सिद्ध भये तिनके काम।
अगर शैक है मिलने का तो,
हरदम लौ लगाता जा। (गुरु नानक देवजी और मन्सुर)

निरन्तर स्मरण कैसे करे? प्रत्यक्ष जानना चाहिए।

*(७) भगवान का वचन है कि मेरा ज्ञान या दर्शन न तो वेदों के पढ़ने से होता है और न जप-तप, यज्ञ-हवन, तीर्थ-व्रत, पूजा पाठ करने से ही होता है। उस अनन्य भक्ति का क्या साधन है।* **(गीता अध्याय-११ श्लोक ४९,५३,५४)**

तेम धर्म आचार तप, योग यज्ञ जप दान।
भेषज पुति कोटिन नही, रोग जाहि हरियान ।। (रामचरित मानस)
कहहु भक्ति पथ कवन प्रयासा। योग न मख जप तप उपवास।।

आज का संसार ऊपर कहे हुए किसी भी बात को न जानकर मनमानी करने को ही भक्ति या भजन समझ बैठा है। परन्तु महापुरुष कहते है कि इन कर्मो से न तो दुःख दुर होगे और नही भगवान का ज्ञाण होगा।

इसलिए धर्म के ठेकेदारों से यह पुछे; फिर कैसे दुःख दुर होगे और कैसे ज्ञान प्राप्त होगा?

(८) 'अमृत' का नाम सदग्रन्थों मे आपने पढ़ा और सुना होगा वह अमृत कहाँ है और उसकां पान कैसे करे?

(९) मन को कहाँ और कैसे एकाग्र करे, सरल उपाय क्या है? कई लोग कहते है कि मन पवित्र होना चाहिए। पर मन पवित्र कैसे हो? जब मन अन्दर है तो बाहर के साधनो से मन कैसे पवित्र हो जायेगा? रोग अन्दर इलाज बाहर, मन अन्दर और पूजा पाठ, नमाज आदि बाहर कर रहे है।

(१०) यदि भगवान संसार मे नर रुप मे आवे तो उसको पहचानने की क्या कसौटी है? अलौकिक कर्म करने पर भी समय के लोगो ने भगवान को नही पहचाना। परशुराम आदि भगवान 'राम' की और शिशुपाल आदि भगवान कृष्ण को नही पहचान पाए। (गीता अध्याय ४ श्लोक ७-८) जीव मनुष्य शरीर मे ही इन बातो को जान सकता है, नही तो मनुष्य जीवन पशु के समान है और आगे भी चौरासी मे जाकर पछताना पड़ेगा। आत्म कल्याण के लिए इनबातो को अवश्य जाने। उक्त सभी बातो को विशेष रुप से जानने के लिए सचित्र हिन्दी मासिक

पत्रिका 'हंसदिश' मानव धर्म संदेश (हिन्दी, गुजराती, मराठी, नेपाली, पंजाबी व कुमाऊँनी एवं गढ़वाली भाषा मे) भँगाकर अवश्य पढ़े।

उपरोक्त प्रश्नो के उत्तर व उसका क्रियात्मक ज्ञान कही नही मिले तो प्रतिवर्ष १२, १३, १४ अप्रेल को वैशाखी, गुरु पूजा तथा नवम्बर मे भी हंस जयन्ती महोत्सव जिसकी सूचना हंसादेश, धर्मक्षेत्र, कुरुक्षेत्र तथा मानव धर्म सदेश (हिन्दी, गुजराती, मराठी, नेपाली, पंजाबी तथा गढ़वाली व कूमाऊँनी भाषा मे) मासिक पत्रिकाओ मे छापी जानी है; वहाँ पहुँचकर सत्संग का लाभ उठाकर अपने आत्म उद्धार के लिए परमात्मा के पावन नाम व दिव्य ज्योति का साक्षात्कार कर सकते है।

✦ ✦ ✦ ✦

# EXAMINE SATAN AS THE HERO OF PARADISE LOST BOOK I AND JUSTIFY WITH ARGUMENTS

**Prateeti Chowdhury**
B.A. 3rd Semester

